# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaama Saahaitaya Sabhaa Patarikaa | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha- Jorhat. |
| Year: 1929-30 (1850-51 Sak) | Edition: |
| Size: 52 cms - 560 pages | Genre: magazine |
| Volumes: 3 - 6 issues | Condition of the original: Not bad. |
| Remarks: First published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

শাওণ—ভাদ, ১৮৫০—৫১

তৃতীয় বছৰ ]　　মুঠ সংখ্যা—১৪　　[ ষষ্ঠ সংখ্যা


## আমাৰ কলেজৰ নাটনি।

কটন কলেজত নাম লগাবলৈ মিছাতে ঘূৰি ফুৰা লৰাবোৰলৈ গবর্ণমেণ্টে কাণ কৰা উচিত। কলেজত যাই পোৱাবো কেতবোৰে সম্প্ৰতি হষ্টেলত ঠাই নোপোৱা হৈছে। আমাৰ মনেৰে এই উপত্যকাত আৰু এটা কলেজ কেতিয়াবাই হ'ব লাগিছিল। তাকে গবর্ণৰসকলক কলে, কোনো গৰাকীয়ে অসমত বিশ্ব-বিদ্যালয় পতাৰ প্ৰস্তাৱৰ কথা উলিয়াব, কোনো গৰাকীয়ে আকৌ শিক্ষাৰ বিষয়টো হস্তান্তৰিত বিভাগত পৰিছে বুলি কয়। মন্ত্ৰীক কলে তেখেতে ধন নাই বুলি ক'ব। শিক্ষাৰ বাবে টেক্স বহুৱাবলৈ কৰবলৈকো ৰায়তে বলে নোৱাৰে। আন দেশৰ দৰে গবর্ণমেণ্টেই শিক্ষাৰ বাবে আৰু ধন ভাঙ্গক বুলিলে, গবর্ণমেণ্টৰ ধনৰ নাটনি দেখুৱাবলৈ আছে।

গবর্ণৰ বাহাদুৰে হেনো এইবাৰ আই, এ. শ্ৰেণীত সকলোবিলাক লৰা লবলৈ বিধান দিছে। এই লৰাবিলাকলৈ হষ্টেলত ঠাই নাই। লৰালৰিকৈ ১৫০ লৰা ধৰা ঘৰ এটা সাজিছে; সিও অক্টোবৰ মাহৰ আগেয়ে নোলায়। তেতিয়ালৈকে থাকিবলৈ ঠাইৰ বাবে এই লৰাবোৰ মহা কষ্টত পৰিছে। কলেজৰ প্ৰিন্সিপেলে এই লৰাবিলাকলৈ অস্থায়ীৰূপে থাকিবলৈ কিবা এটা দিহা আৰু আগেয়েই কৰিব লাগিছিল বুলি আমাৰ মনে ধৰে।

আৰু এটা কলেজ খুলিবলৈ কেতিয়াবা কেনেবাকৈ সুযোগ ঘটিবৰ আগন্তুক হলেও, বিশ্ব-বিদ্যালয়ৰ ডাঙৰ প্ৰস্তাৱে ইয়াক ঢাকি পেলায় বুলি শুনা যায়। অসমৰ বাবে যে এটা বেলেগ বিশ্ব-বিদ্যালয় লাগে, তাত অলপো সন্দেহ নাই। কিন্তু সেয়ে সোনকালে হৈ উঠাৰ সম্ভাৱনা নাই যেতিয়া, আৰু এটা কলেজ সম্প্ৰতি নহলে নচলাত পৰিছে। ভোক আগ নে পিয়াহ আগ? বিশ্ব-বিদ্যালয় হওক, তাক আমি সৰ্ব্বতোভাবে সমৰ্থন কৰোঁ। কিন্তু সেয়ে নহয়মানে, এই উড়ি পুৰি ঘূৰি ফুৰা লৰাবোৰলৈ ন-কৈ এটা কলেজ লাগে। ইয়াৰ বাবে সোনকালে দিহা কৰিবলৈ আমি কৰ্ত্তৃপক্ষক অনুৰোধ কৰিছো। সম্প্ৰতি ইয়াক ইণ্টাৰমিডিয়েট্ শ্ৰেণীলৈকে খুলিলেও কিছু তত্ ওলায়। পাচত লাহে লাহে বঢ়াই নৈ থাকিলেও হ'ব।

বিশ্ব-বিদ্যালয় পতাৰ আগেয়েই, আমাৰ মনেৰে আৰু এটা কলেজ যি লাগেই, যোৰহাটৰ টেকনিকেল স্কুলটো, ছিলেটৰ হেণ্ডিক্ৰেফট্ স্কুলটো, আৰু ডিব্ৰুগড়ৰ মেডিকেল স্কুলটো আৰু ওখ থাপৰ কৰিব লাগে। গুৱাহাটীৰ আৰ্ল্ কলেজটো তুলি দিবৰহে প্ৰস্তাৱ শুনা যায়। বিশ্ব বিদ্যালয় কৰিবলৈ হলে, ইয়াৰো গুৰি শকতহে কৰিব লাগে। এইবিলাক অৱশ্যে সৰহ ধনৰ কাম; লাহে লাহেহে কৰিব পাৰি। কিন্তু সাধাৰণ শিক্ষাৰ বাবে আৰু এটা কলেজ অতি সোনকালে যে লাগে, তাৰ বাবে যুক্তি তৰ্কৰ প্ৰয়োজন নাই। তাতৈ আওহেলা কৰাটো, আগ বন পাচ কৰা হৈছে।

---

# সমবায় সমিতিৰ উপকাৰিতা।

সমবায় ( co-operative ) আন্দোলনটো আমাৰ দেশৰ এই যুগৰ এটা ডাঙৰ পৰীক্ষা। বেঙ্ক পতা, ৰূপ ধাৰে দিয়া, বেঙ্কৰ সুত বিলোৱা, অকল এয়ে মাপোন ইয়াৰ কাম নহয়। দেশৰ সকলো কল্যাণৰ মূলতে এই সমবায় সমিতি লগা হৈছে ; আন কি আজি কালিৰ সকলোৱে বিচৰা স্বৰাজ বোলা বস্তুটোৰো এই সমবায় আন্দোলনতেহে ভেঁটি।

সমবায় আন্দোলনৰ মূল উদ্দেশ্য এয়ে যে—প্ৰজাবৰ্গক গোট-পিট খাই নিজৰ ৰাজহুৱা কাম নিজে কৰি লবলৈ শিকাব লাগে। গাওঁখনৰ বা চুবুৰিটোৰ আলি পদূলি কৰি লবলৈ বা খোৱা পানীৰ দিহা কৰিবলৈকো ক্ৰমশঃ সমবায় সম্মিলনেহে শিকাবগৈ। নিম্ন শিক্ষাৰ আৰু গাৱঁলীয়া ডাক্তৰখানা আদিৰ বিধানো ইয়াৰে পৰাই হবগৈ পাৰিব। দহজনৰ ধন গোটাই বেহা-বেপাৰ কৰি দেশখন ধনী কৰিবলৈ হলেও, গুৰিতে এই সমবায় লাগে। জাৰ্ম্মেন দেশখন সমবায়ে দোপত দোপে তুলি দিলে। শিক্ষা, স্বাস্থ্য, বেহা-বেপাৰ আদি সকলো জাতীয় কথাতে সমবায়। আজিকালি সকলো উন্নত আৰু স্বাধীন দেশতে ৰাইজক সমবায় কৰি কাম কৰিবলৈ শিকাইছে।

সকলোৱে গোট-পিট খাই দেশৰ উন্নতিমূলক কাম কৰিবলৈ শিকাটো জাতীয় উন্নতিৰ অৰ্থে ঘাই শিক্ষা। এই শিক্ষাৰ বিস্তাৰ নহলে, কোনো দেশত কেতিয়াও স্বৰাজ হ'ব নোৱাৰে ; আৰু কেনেবাকৈ কেতিয়াবা হব পাৰিলেও তিষ্ঠিব নোৱাৰে। এতেকে স্বৰাজ বা স্বায়ত্ত-শাসন হবলৈ হলেও সমবায় শিক্ষা আগেয়ে লাগে।

আমাৰ দেশত সমবায় প্ৰথাৰ প্ৰচাৰৰ অৰ্থে প্ৰয়াস কৰাত, আমি গৱৰ্ণমেণ্টৰ শলাগ লৈছোঁ। গৱৰ্ণমেণ্টে এই কামত হাত দিয়াৰ আজি ভালে বছৰ হল। তথাপি কিন্তু ই আশানুৰূপে আগবাঢ়িব পৰা নাই। ইয়াৰ কাৰণ বিচাৰি সৰহলৈ যাব নেলাগে। গাৱঁলীয়া নেলাগে, আমাৰ নগৰীয়া তৰপৰ মানুহবে সৰহ ভাগে ইয়াৰ মোল বুজা নাই। এই ধৰণৰ কিবা এটা পাতিবলৈ অলপ কৃক কাৰাং কৰাৰ গম পালেই মানুহে ভাবে যে গৱৰ্ণমেণ্ট কম সুতত মানুহক ৰূপ ধাৰে দিবলৈ বেঙ্ক পাতিছে। সেইদেখি ৰূপ ধাৰে বিচৰা মানুহৰ খোপাখোপ হয়। কিন্তু মূল কথাটোনো কি, তাক বুজিবলৈ চেষ্টা কৰা মানুহ নিচেই তাকৰ।

সমবায় সমিতিৰ মূল মন্ত্ৰ হৈছে মাছৰ তেলেৰেই মাছ ভজা। ৰায়তৰ প্ৰত্যেকৰে সৰু সৰু শক্তিৰ সমবেতত্ৰুে এটা ডাঙৰ শক্তি সৃষ্টি কৰি তাক সকলোৰে মঙ্গল অৰ্থে ৰাজহুৱা কামত লগোৱাটোৱেই সমবায় প্ৰথাৰ ঘাই উদ্দেশ্য। অনেক কামৰ অৰ্থে সমবায় সমিতি পাতিব পাৰি। তাৰ ভিতৰৰে, ধন ধাৰে দিবলৈ বেঙ্ক পতাটো ইয়াৰ অসংখ্য কামৰ ভিতৰৰ এটা কামহে।

প্ৰথমতে বাৰু এই বেঙ্কৰ কথাকে ভালকৈ কওঁ। চোৱা হওক কোনো ৰায়তৰ যদি খৰচ পাতি কৰি এতাই কোনো মাহত দুই চাৰি টকা ৰূপ বাচেঁ তেনেহলে সাধাৰণতে সেই ধনেৰে মাছ এটা কিনি এদিন এসাজ ভালকৈ খোৱা হয়, বা কিবা সকাম নিকামৰ খৰচ লগত তাক ভেজনি দিয়া হয়, নতুবা আন কিবা এনেকুৱা কামতে তাক খৰচ কৰি পেলোৱা হয়। তাকে নকৰি যদি সেই ধনেৰে অংশ লৈ বেঙ্কৰ মেম্বৰ হোৱা যায় সেই ধন বেঙ্কত সুতলৈ গচ্ছিত ৰখা হয়, তেনেহলে যি ধনেই থাকিল, তাৰ উপৰিও বছেৰেকৰ মূৰত সি পৰা কিছু লাভ বা সুতো পোৱা যায়। এই দৰে অলপীয়া অলপীয়াকৈ বহুতৰপৰা গোট খাই বেঙ্কত কিছু সৰহ ধন জমা হলে, তাকৰীয়া সুতত বেঙ্কৰ মেম্বৰ ধাৰলৈ দিয়া হয়। তাৰপৰা প্ৰথমতে বেঙ্কৰ মেম্বৰে কম সুতত টকা ধাৰে পালে আৰু ধন ধাৰে দিওঁতা মহাজনৰ খেচ্-খেচনিৰ হাত সাৰিল। দ্বিতীয়তে, কম দিয়া ধনৰ পৰা পোৱা সুতখিনি বেঙ্কৰ লাভ হৈ অংশীদাৰসকলক বিলাই দিবলৈ হল। তাৰ উপৰি



বেঙ্কত কোনোবাই ধন গচ্ছিত ৰাখিলে, তাৰ বাবে ডাকঘৰৰ চেভিংচ বেঙ্ক বা কেঞ্চাৰ ঘৰত থোৱাতকৈ সৰহ সুত পাব। ইফালে আকৌ সেই ধনকে অলপ সৰহীয়া সুতলৈ লগাই বেঙ্কৰ যি লাভ হ'ব, সেই লাভো ঘূৰি অংশীদাৰসকলেই পাব। তেনেহলে এই বেঙ্কে এফালে ৰায়তক কেনিবা-কেনিবি খৰচ হৈ উড়ি যোৱা অলপ অলপ ধনকে সঞ্চয় কৰিবলৈ শিকালে আৰু তাৰপৰা কিছু সুত বা লাভো আনি দিলে, আৰু ইফালে ধাৰ কৰিবলৈ বিচৰা ৰায়তক কম সুতত ধন ধাৰে দি উপকাৰ কৰিলে ; তদুপৰি ধন গচ্ছিত ৰখা সকলক আন ঠাইতকৈ সৰহ সুত দিলে ; তাৰ লগে লগে ৰায়তক গোট-পিট খাই দহজনে লাগি ভাগি দেশৰ উন্নতিৰ অৰ্থে একেলগে কাম কৰিবলৈকো শিকালে। এতেকে এই বেঙ্কবিলাকৰ প্ৰত্যেকটোৱেই একো একোটা জাতীয় অনুষ্ঠান। ই দেশৰ কাম ; ই প্ৰজাৰ উন্নতিমূলক কাম।

আগেয়ে কৈছোঁ, বেঙ্ক পতাটো সমবায় কাৰ্য্যৰ অসংখ্য কামৰ কেৱল মাত্ৰ এটা কামহে। ইয়াৰ দুটা বা এটা উদাহৰণ দেখুৱালে বেয়া নহব। ধৰক জানিবা এখন গাঁৱৰ বা এটা চুবুৰিৰ বহুত মানুহে গোটখাই এটা চাপৰি খেতি পাতিলে। যাৰেপতি যি যেনেকৈ পাৰিলে তখন চাৰিখন হাল বাই দিলে আৰু দুই চাৰি দিন দাই তুলি দিলে। যি গাৰে খাটিব নোৱাৰে, সি এই কামলৈ যি হয় অলপ অচৰপ ধন বিতকে দিলে। পাচত খেতিৰ উৎপন্নখিনি বেচি, খৰচৰ বাদে যি লাভ থাকিল, তাকে বা উৎপন্ন হোৱা বস্তুকে হলেও সকলোৱে ভাগ কৰি ললে। ইও এটা সমবায় কাৰ্য্য। এই কাৰ্য্য ৰায়তৰ গাত নলগাকৈ সকলোৰে চেষ্টাত হৈ উঠিল আৰু ইয়াৰ পৰা সকলোৱে কিছু কিছু লাভ পালে।

সেই দৰেই ১০০ বা ১৫০ ঘৰ মানুহে জানিবা সকলোৱে কিছু কিছু অংশ লৈ এখন দোকান পাতিলে, আৰু এই দোকানত পোৱা নিজৰ নিজৰ সকলোখিনি লাগতিয়াল বস্তু জানিবা এই দোকানৰপৰাহে কিনিবলৈ ললে। এই দোকানত নিজৰ অংশীদাৰসকলক কিছু কম লাভত আৰু আন বাহিৰা মানুহক অলপ সৰহ লাভত বস্তু বেচাৰ নিয়মো কৰি ল'ব পাৰি। এইদৰে দোকানৰ যি লাভ হ'ব, তাক অংশীদাৰসকলৰ ভিতৰত ভগাই লোৱাটোও ভাল এটা সমবায় কাৰবাৰ হ'ব। ধনৰ অভাৱত দুজন এজন বা দহজনে অকলৈ এই কাৰবাৰ কৰিব নোৱাৰে। কিন্তু বহুত মানুহৰ অলপীয়া অলপীয়া ধন গোটাই সৰহ কৰি এই কামত লগালে, তাৰপৰা সকলোৰে উপকাৰ হয়। Army and Navy Store বোলা কাৰবাৰটো এনে বিধৰ সমবায় চেষ্টাৰ অতি প্ৰশংসনীয় উদ্যম।

এইদৰেই ৰায়তৰ খোৱা পানীৰ চৰবৰাহ কৰা, আলি পদূলিৰ দিহা কৰা, শিক্ষাৰ বিস্তাৰ কৰা, স্বাস্থ্য ৰক্ষাৰ উপায় কৰা, বান পানীৰ উপদ্ৰৱৰ হাত সৰাকে আদি কৰি বিবিধ প্ৰজাহিতকৰ কাৰ্য্য এই সমবায় আন্দোলনৰ পৰাই ৰাইজৰ সমবেত শক্তিৰেই, ৰাইজৰ গাত নলগাকৈ অনায়াসে কৰিব পাৰি। দেশৰ উন্নতিৰ কামনাৰে, দায়ীত্বপূৰ্ণ কাম হাতত লবৰ কাৰণে ই মানুহক সমবেত হবলৈ শিকায়। জাতীয় উন্নতিৰ অৰ্থে ই অতি মহৎ আৰু লাগতিয়াল শিক্ষা। দেশখন শিক্ষিত কৰিবৰ, ধনী কৰিবৰ, সুখী কৰিবৰ কাৰ্য্য-কুশল কৰিবৰ, দেশবাসীক ব্যৱসায়বুদ্ধিসম্পন্ন কৰিবৰ, ই এটি প্ৰকৃষ্ট উপায়।

স্বৰাজৰ কথা কৈছিলোঁ। প্ৰজাৰ হিতৰ অৰ্থে, প্ৰজাৰ বিধান মতে দেশখন চলোৱাকে স্বৰাজ বা স্বায়ত্ত শাসন বোলে। ইয়ালৈ ঐক্যতা লাগে, ব্যৱসায়বুদ্ধি লাগে, সমবেত চেষ্টা লাগে। সমবায় কাৰ্য্যৰ ফলত মানুহৰ গাত এইবিলাক গুণে দেখা দিয়ে। এতেকে স্বৰাজ বা স্বায়ত্তশাসন লাভৰ অৰ্থেও এই সমবায় আন্দোলন অতিশয় লাগতিয়াল। আমি যদি ইয়াৰ মোল বুবুজো, অৰ্থাৎ আমাৰ দেশত আমাৰ আওহেলাত যদি এই সমবায় আন্দোলন কাৰ্য্যকৰী হৈ নুঠেগৈ, তেনেহলে বুজিব লাগিব যে স্বৰাজ বা স্বায়ত্ত শাসনৰ উপযুক্ত হবলৈ আমাৰ এতিয়াও বহুত বাকী আছে। সেই দেখিহে মূৰতে কৈছোঁ বোলোঁ সমবায় আন্দোলনটো আমাৰ দেশৰ এই যুগৰ এটা ডাঙৰ পৰীক্ষা।

আমাৰ দেশৰ বৰ্ত্তমান কালৰ সকলো কাৰ্য্য-ক্ষেত্ৰৰ নেতা আৰু কৰ্ম্মীসকলে এই সমবায় আন্দোলনলৈ বিশেষৰূপে কাণ কৰা উচিত। ইয়াৰপৰা আমাৰ প্ৰজাবিলাক সুদক্ষ আৰু উন্নতশীল হ'ব; আৰু সেইবাবে দেশৰ নথৈ কল্যাণ হব। ''অল্পানাং বস্তুনাং সংহতি কাৰ্য্যসাধিকা। তৃণৈগুণত্বমাপন্নৈঃ বধ্য মত্ত দন্তিনঃ।''—এই কথাৰ সমবায় সমিতি স্ফু বিশিষ্ট উদাহৰণ।

---

# মানসিংহৰ সমাধি (১)

( আসাম সাহিত্য-সভাৰ একাদশ অধিবেশনৰ বাবে ৰচিত )

'জলধি-গৰ্ভৰপৰা, সেই সৃষ্টি পাতনিৰ দিনা,
উদি জয়ে জয়ে, কৰা ব্ৰহ্মাণ্ডত মঙ্গল সূচনা
অখণ্ড জ্যোতিৰ দৰে, ধীৰে ধীৰে অখণ্ডল জিনি
ই লোহিত বক্ষ ভেদি উজলিল দেৱ দিনমণি!
কল্পনা অতীত ই কি নন্দন সাম্ৰাজ্য অপ্সৰীৰ,
বাস্তৱত পৰিণত নতু ইটো সপোন কবিৰ?
স্বৰ্গৰ দুৱাৰ মেলি কোনে আহি নিশা নাচিছিল,
মগ্ন হৈ উলটিল, ই দুৱাৰ মেলাতে থাকিল??

'নমো ই নেতাৰ ঘাট! নামি আহি স্বৰ্গৰপৰা,
শিৱৰ কাপোৰ ধুই যায় শুচি সুখ হাঁহি-ভৰা।
সেইদিনা কিনো ভাগ্য! দেখা পাই বেউলা সতীক,
নেতাই বুলিলে, 'আহঁ! পাব প্ৰাণ তোৰ প্ৰাণাধিক।'—
শিৱৰ কাষত আহি কলে—'দয়া কৰা ভোলানাথ!
কুসুম কোমলা বালা কিয় তুমি কৰিবা অনাথ?'
নৃত্যে গীতে বিশাৰদা বেউলাক দেখি সন্তোষত
হই, শিৱে দিলে বৰ,—লক্ষীন্দাৰ হল সঞ্জীৱিত!!

'পুনঃ প্ৰণিপাত কৰোঁ এই দৃশ্য মান-মনোহৰ!
দমদমা গুৰুদ্বাৰ পুণ্যতীৰ্থ শিখসকলৰ।
ইয়াতে মদন, বালা আদি নানা শিষ্য স'তে আহি
ধ্যানমগ্ন নানকেও গল কত দিন কটিবাহি!
বৰফৰ পাগুৰিৰে উত্তৰেদি শুভ্ৰ হিমাচল,
গাৰো পৰ্ব্বতৰ দৃশ্য দক্ষিণেদি, বিমল শ্যামল!
গোৰখনাথেও সেই দেখি ই পূত ভূমিতে
কটালেহি কত দিন ধ্যান কৰি নানকৰ স'তে!!

এই বুলি মানসিংহে জনালে প্ৰণাম ভক্তিভৰে,
হিয়াৰ কলুষ ধুলে, দুগালেদি লোৰা চকুলোৰে!—
'অদৃষ্টৰ ফল! মই আৰ্য্য হৈও দাস মোগলৰ;
প্ৰভু মোৰ বাদশ্বাহ জাহাঙ্গীৰ দিল্লীৰ ঈশ্বৰ।
তথাপি বঙ্গৰ নাই শাসক স্বৰূপে যিবা পাৰোঁ,
স্বধৰ্ম্মৰ হকে যেন, মোৰ যি কৰ্ত্তব্য, নেপাহৰোঁ।
এই শুভ মুহূৰ্ত্তত এয়ে মোৰ প্ৰতিজ্ঞা প্ৰাণৰ,—
ইয়াতে ৰাখিম কীৰ্ত্তি যুগমীয়া আৰ্য্য ধৰমৰ'!

জয়পুৰী মানসিংহ ৰজা, তেওঁ মহা পৰাক্ৰমী,
সন্মানিত যাৰ বাবে ভাৰতৰ মোগল বাহিনী।
পৰীক্ষিত নৃপতিক পৰাক্ৰমি হলহি বিজেতা,
লক্ষীনাৰায়ণ-সুতা পাতি ললে নিজ পৰিণীতা।
সজালে কাৰেং এটি লুইতৰ জেউতি চৰাই,
শিৱৰ মন্দিৰ আৰু দিলে বহু প্ৰতিষ্ঠা কৰাই।
ম্লান কৰি কমতাৰ দীপ্ত যশোৰাশি,
বঙ্গেশ্বৰ হল পুনু অসমৰ জয়-অভিলাষী॥



'ই কি! সৈন্য, কোন এওঁ? জল নতু বনৰ কুঁৱৰী,
নতু মায়াবিনী কোনো,—পালি তই কিবা ছল কৰি?
'আনিছোঁ ছলেৰে ধৰি কামৰূপী অসম ললনা;
নামত জেউতি হেনো, নৃত্যে-গীতে অতি সুনিপুণা।'
'অসম ললনা এওঁ?—সঁচাকৈয়ে অসমা সুন্দৰী!
এই ৰাজ্যতেই নে কি গন্ধৰ্ব্ব কিন্নৰী বিদ্যাধৰী?
প্ৰশংসিলোঁ সৈন্য তোক! ইটি এটি শ্ৰেষ্ঠ উপহাৰ;
অন্তেষপুৰত মোৰ হ'ক দিব্য জেউতি প্ৰচাৰ!!'

জেউতি হাজোৰ নটী: ৰূপে-গীতে-নৃত্যে বিশাৰদা,
মানসিংহ নৃপতিৰ হ'ল তেওঁ সুখ-সঙ্গী সদা।
এদিন ৰজাক কলে—'চোৰাঁচোন, চোৰাঁ'চাঁ ৰাজন!
সৌ হাতীপটি জুৰি কি সুন্দৰ তৰা অগণন!
তাতোকই অগণন তোমাৰ সেনানী সাজি পাৰি
মেদিনী কঁপাই কিয় ফুৰে দিন-ৰাতি শাৰী শাৰী?
চৌদিশে ৰণৰ বাদ্য; ৰৰটোপ হিলৈৰ শবদ,
ধনুকাঁড়, শৰসজ্জা দেখি মোৰ হৃদয় তবধ!!'

শুনি মানসিংহে ক'লে জেউতিক বুকত সাৱটি—
'কিয় প্ৰিয়তমে! এনে মৃগা-সম চঞ্চল প্ৰকৃতি?
ৰণুৱাৰ ধনুকাঁড় দেখি কিয় কৰাঁ এনে ভয়—
শত্ৰুক হৃদয় হানে তোমাৰ যে এটি কটাক্ষই!!
অচিৰে অসমদেশ আক্ৰমিম ভীম পৰাক্ৰমে,
তাৰ বাবে ৰণসজ্জা সৈন্যসৰে কৰে ৰাতি-দিনে।'
কথাই ৰজাৰ কোলা জেউতিৰ প্ৰাণ চমকিল!
কোনে জানে মনোভাব? জেউতিও নিচুকি থাকিল॥

শুক্লা ত্ৰয়োদশী নিশা—মনোৰম গগণ পৱন;
লুইত পাৰত দিব্য হাঁহে মানসিংহৰ ভৱন!
একোণেদি চন্দ্ৰমাত মাৰোঁ এটি বিষাদৰ ৰেখা—
পৃথিৱীত কোন সিটি চিন্তাকুলা সখী চিত্ৰলেখা?
লুইতলৈ নামি যোৱা ৰূপোৱালী খট্খটীটিত,
চুলি মেলি মাজ নিশা কাৰ ইটি ছবি বিষাদিত?
ইনো কি জোনাকী ভাব, প্ৰাণময় কিবা অৱসাদ—
বিষাদক হৰ কৰে, পুনু হৰ্ষক বিষাদ!!

'নমো কামৰূপা মোৰ স্নেহশীলা অসমা জননী!
ভাৰত নমস্য যাৰ স্বাধীনতা,—গৌৰৱৰ খনি।
তোমাৰ খোপাৰ এই জগজ্জয়ী মণি স্যমন্তক,
পাৰো নে, পাৰো নে দিব সঁপি নিজে দুষ্ট তস্কৰক?
স্বাধীনতা—যাৰ নামে দৈন্য দুখ ভাগৰ পলায়,
স্বাধীনতা—যাৰ নামে জৰা ব্যাধি মৃত্যুৰে ডৰায়;
ইমান সহজে তই, ভাবিছ, হৰিবি তাক, খল?'—
দুচকুৰে জেউতিৰ জুই ফিৰিঙতি বাজ হল!!

দুখ সুখ অতিক্ৰমি বিভাৱৰী হ'ল অৱসান,
সূৰ্য্যদেৱে ধৰিত্ৰীক কৰালেহি কিৰণৰ স্নান।
আজিয়েই মানসিংহে যুদ্ধ যাত্ৰা কৰিব ঘোষণা,
চৌদিশে গগণ ভেদি নিনাদিলে সমৰ বাজনা।
বুঢ়া লুইতৰ বুকু, শাৰী শাৰী পৰ্ব্বত, সলিল,
যেন কিবা আশঙ্কাত থাকি থাকি সকলো কঁপিল!
অসমৰ স্বাধীনতা—কোনো জানে, কি আছে ভাগ্যত,
ৰ'বনে দুৰন্ত দস্যু মানসিংহ ৰজাৰ হাতত?

জেউতিয়ে কলে 'ৰজা! তুমি ৰণসাজেৰে ওলালা;
অন্তেষপুৰত ৰম অকলই তোমাৰ অবলা?—
যাবৰ বেলিকা মোৰ হেৰা প্ৰিয়তম হৃদয়ৰ!
হোৱাঁ ই তামোলখনি খোৱাঁ তুমি অতি মৰমৰ।'
জপাই দুখনি হাত চেনেহেৰে চপাই বুকত
ৰজাই তামোলখনি হেঁপাহেৰে সুমালে মুখত।—
'মণি এৰি সাপ জানো দূৰলৈ আঁতৰিব পাৰে?
জেউতি! অসম জয় কৰি মই ঘূৰিম অচিৰে॥

'ই কি! প্ৰিয়ে, কোৱাঁ মোক, এইনো তামোল কেনেকুৱা?
কিবা যেন লাগে দেখোঁ!—গম পাওঁ জিভা কোচখোৱা!'
'মৰমৰ বস্তু, ৰজা! কিয় কৰাঁ আশঙ্কা ইয়াত?'—
'মৰমৰ সঁচা, কিন্তু',—'শোৱাঁ ৰজা! মোৰ ই কোলাত'।
'জেউতি, জেউতি! মোক নেভাবিবা, কোৱাঁ, কিনো দিলা?'
'নেভাবিব লাগে যদি—মানসিংহ! নিশ্চয় মৰিলাঁ।'
'মৰিলোঁ, মৰিলোঁ সঁচা!—তামোলত দিলি বিহ সানি?—
ভাল পাইছিলোঁ কত! তাৰে ফল দিলি পিশাচিনী??'

(১) সন্মিলনৰ প্ৰবন্ধ।

'নৃত্যে-গীতে কায়ে বাক্যে তুমিছিলোঁ নিতে, সেই বুলি
ভাল পাইছিলা স'চা,—অস্বীকাৰ নকৰোঁ সমূলি।
কিন্তু তাৰ কাৰণেই—জন্মভূমি অসম জননী!—
এই ভালপোৱা মই পাহৰিব পাৰোঁনে অকণি?
জীৱন্তে পাৰোঁনে স'ব—মোৰ দেশ, শত ভাই ভনী
বিধ্বংসনা কৰিবলে' মেলি দিম তোক কালফণী?
নটী মই,—এটুপিও তেজ মোৰ নাই হৃদয়ত?
ফালি চা ফালি চা বুকু—এতিয়াও কিমান তপত' !!

পাচ মুহূৰ্ত্ততে কাৰ দীপ্ত অসি, এটি ইঙ্গিততে,
পেলালে বাঙলী কৰি জেউতিৰ তপত শোণিতে!
মৃত্যুৰ মুখৰপৰা মানসিংহে চকুলো বাচিলে—
কি দেখি কি দেখি বা—আৰু তেওঁ চকু নেমেলিলে।
ই কি অনুতাপ-অশ্ৰু, ই কি বেথা চিৰ বিদায়ৰ,—
অতুল স্বদেশ-প্ৰেম হেতু কৰ বীৰ হৃদয়ৰ?
প্ৰেমৰক্তা দেশভক্তা শত ধন্যা অসমা ৰমনী!
তোমাৰ কাহিনী শুনি নাচে ৰক্ত, উতলে ধমনী!!*

শ্ৰীডিম্বেশ্বৰ নেওগ।

* শিৱ-বুৰঞ্জীৰ টোকাৰপৰা পোৱা এটি ঘটনা আশ্ৰয় কৰি লিখা হৈছে। এই লিখকৰ "ধুবুৰীৰ পুৰণি ইতিবৃত্ত" প্ৰবন্ধ চাওক।

---

# ১৭ শতিকাত অসমীয়াৰ ৰণবল।*

এই প্ৰবন্ধৰ মূল বিষয় আলোচনা কৰাৰ আগেয়ে কেই আষাৰমান কথা ব্যাখ্যা স্বৰূপে কবলৈ আগ বাঢ়িলোঁ। আপোনাসকলৰ আগত অসমীয়াৰ ১৭ শতিকাত ৰণবলৰ বিষয়ে যি অলপ অচৰপ দাঙ্গি ধৰিছোঁ, সেই সকলোবিলাক বিদেশী বুৰঞ্জীলিখকসকলৰ বিৱৰণৰপৰা বুটলি লোৱা হৈছে। অসমীয়াৰ ৰণশক্তিৰ বিষয়ে মোগল বুৰঞ্জীলিখকসকলে অতি সুচাৰুৰূপে বিস্তৃত বিৱৰণ লিখি থৈ গৈছে। অসমৰ বিৰুদ্ধে যিমান বিলাক বৈদেশিক অভিযান হৈছিল, তাৰ ভিতৰত মিৰজুমলাৰ অভিযানেই বিশেষ কৃতকাৰ্য্য লাভ কৰে, আৰু মিৰজুমলাৰ বাহিৰে আন কোনো মোগল সেনাপতিয়ে অসম দখল কৰিব পৰা নাছিল। মোগল বুৰঞ্জীলিখকসকলৰ ভিতৰত মিৰজুমলাৰ দিনৰ বুৰঞ্জীলিখকৰ পৰা গোটাই অসমীয়া ৰণশক্তিৰ বৃত্তান্ত আমি বেচিকৈ জানিবলৈ পাওঁ। ইয়াৰ আগেয়ে লিখা মোগল বুৰঞ্জীয়ে অসমৰ বিশেষ বিৱৰণ দিব পৰা নাছিল। গতিকে এই যুগৰ মোগল লিখকসকলৰ বিৱৰণৰ পৰা অসমৰ সামৰিক বলৰ বিষয়ে এটি চমু আভাস তলত দিয়া হ'ল।

জয় জয়তে দুৰ্গ-নিৰ্ম্মাণ আৰু ৰণ-নীতি সম্বন্ধে আলোচনা কৰা যাওক। এই সময়ত অসমৰ প্ৰত্যেক সামৰিক কেন্দ্ৰস্থলত (military strategic points ত) অতি সুচাৰুৰূপে গড় বান্ধি বিদেশী আক্ৰমণৰপৰা স্বদেশ ৰক্ষা কৰিব কাৰণে সকলো ৰকমৰ ৰণ-অস্ত্ৰেৰে গড়বিলাক সজ্জিত ৰাখিছিল। এই কেন্দ্ৰস্থলৰ গড়বিলাক অসমীয়াৰ সামৰিক বলৰ ভিতৰৰ সকলোতকৈ যাই শক্তি বুলি ধৰিব পাৰি। এই যুগৰ যাই যাই কেন্দ্ৰ-গড়বিলাকৰ শক্তিৰ বিষয়ে কেই আষাৰমান কথা কবলৈ আগ বাঢ়িলোঁ।

যোগীঘোপাৰ গড়—এই গড় কোচ-বিহাৰ আৰু অসমৰ সীমান্তত অৱস্থিত। বিদেশী সৈন্য কোচবিহাৰ পাৰ হৈ আহি এই গড়ৰ সম্মুখত পৰেহি। এই গড়ৰ বিষয়ে মোগল বুৰঞ্জীলিখকে এই দৰে লিখিছে—"অসমৰ গড়বিলাকৰ যোগীঘোপা পৰ্ব্বতৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত এটা অতি প্ৰকাণ্ড গড় আছে। এই গড়ৰ দেৱালৰ





তলভাগ ১৮হাত বহল আৰু ওপৰ ভাগ ১০ হাত। গড়ৰ বেৰৰ পৰিমাণ তুমাইগততকৈও অলপ বেচি। পশ্চিম ফালৰ দেৱাল পৰ্ব্বতৰ টিঙৰ সমান ওখ। সেই দেশৰ নিয়ম অনুসাৰে দেৱালৰপৰা প্ৰায় এক ধনুটোপৰ গুলি যাব পৰা দূৰত প্ৰকাণ্ড খাল আৰু ভাত জোঙা বাঁহৰ জোং পুতি থৈছে। ইয়াৰ বাহিৰেও এই খালৰ পাৰত বাঁহৰ জোং পুতি থোৱা আছে যাতে শত্ৰুপক্ষে সহজে আগবাঢ়িব নোৱাৰে। এই গড়ৰ দক্ষিণ ফালে ব্ৰহ্মপুত্ৰ নৈ, পূব ফালে পনাচ নৈ আৰু ব্ৰহ্মপুত্ৰৰ দুটা সুঁতি একেলগে মিল হৈ বৈ গৈছে। আন আন গড়বিলাকো প্ৰায় এই ৰকমেই তৈয়াৰী। যোগীঘোপা পাৰ হৈয়ে পঞ্চৰত্ন গড়। এই গড় পঞ্চৰত্ন পৰ্ব্বতৰ ওপৰত অৱস্থিত। এই গড়ো প্ৰায় যোগীঘোপা গড়ৰ নিচিনাকৈয়ে তৈয়াৰী। ইয়াৰ বাহিৰেও সেই সময়ত শ্ৰীঘাট, পাণ্ডু, কাজলী, শিমলুগড় আৰু কলিয়াবৰত অসমীয়াৰ প্ৰকাণ্ড প্ৰকাণ্ড গড় আছিল, যাক অসমীয়াৰ সামৰিক কেন্দ্ৰস্থল বুলিব পাৰি। এই গড়বিলাকেই বিদেশী আক্ৰমণৰ বিৰুদ্ধে অসমীয়া জাতিক অতি পুৰণি কালৰপৰা ৰক্ষা কৰি আহিছে। এই দুৰ্গবিলাক দখল কৰিব নোৱাৰিলে কোনো মতেই আসাম জয় কৰিব নোৱাৰি। প্ৰত্যেক গড় ৰক্ষাৰ কাৰণে সামৰিক আৰু নৌ শক্তিৰ ব্যৱস্থা সুচাৰুৰূপে ৰাখিছিল।"

যোগীঘোপাৰ গড় ১৫০০০ অসমীয়া পদাতিক আৰু অলেখ যুদ্ধৰ আহিলাপাতিৰে পৰিপূৰ্ণ আছিল। পঞ্চৰত্ন গড় ৬০০০ পদাতিক আৰু আন আন লগতিয়াল ৰণ-অস্ত্ৰেৰে ভৰি আছিল। এই দুটা গড় মিৰজুমলাই অধিকাৰ কৰাৰ পিচত মোগল বুৰঞ্জীলিখকে কৈছে যে যদি শত্ৰুপক্ষে আৰু কিছুদিনৰ কাৰণে এই গড় ৰক্ষা কৰিব পাৰিলেহেঁতেন তেন্তে অসম জয় কৰা বৰ টান হলহেঁতেন। এই দুটা গড় জয় কৰাত মোগল সৈন্যই ১৪৭ খন নাৱতৰি ৬৭টা বৰটোপ আৰু বহুত পৰিমাণে বন্দুক, খাৰ, বাৰুদ, গুলি ইত্যাদি হস্তগত কৰে।

শ্ৰীঘাট, পাণ্ডু আৰু কাজলী—এই তিনটা দুৰ্গ অসমীয়াৰ ৰণ-শক্তিৰ প্ৰধান সম্বল বুলিব পাৰি। শ্ৰীঘাট বা শৰাই ঘাটৰ দুৰ্গ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত পাঁচোটা পৰ্ব্বত জুৰি বন্ধা হৈছিল। আৰু দক্ষিণ পাৰে পাণ্ডু গড়। এই দুটা গড়ৰ ভিতৰত ১০০,০০০ একলাখ অসমীয়া সৈন্য আছিল। ইয়াৰ বাহিৰেও শ্ৰীঘাট আৰু পাণ্ডুৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত অসমীয়াৰ এক ভীষণ নৌ বাহিনী আছিল। এই নৌ বাহিনীয়ে বিদেশী অক্ৰমণৰপৰা অসম দেশ এনে ৰকমে ৰক্ষা কৰিছিল যে প্ৰত্যেক বিদেশী অভিযানকাৰকৰ কাৰণে ই এটা ভীষণ সমস্যা হৈ উঠিছিল। কাজলীৰ দুৰ্গও প্ৰায় পাণ্ডু আৰু শৰাই ঘাটৰ দৰেই সৈন্য সামন্তেৰে ভৰপূৰ আছিল। এই তিনিটা দুৰ্গ একে সময়তে মিৰজুমলাৰ বাহিৰে কোনো বিদেশী পৰাক্ৰমীয়ে পৰাজয় কৰিব পৰা নাছিল। এই তিনটা গড় জয় কৰাৰ পিচত মোগল বুৰঞ্জীলিখকে কয় "নিশ্চয় কোনো ঐশ্বৰিক সহায় আৰু বলৰ দ্বাৰা এই তিনটা দুৰ্গম পৰাজয় কৰা হ'ল। যদি অসমীয়াবিলাকে আৰু কিছুদিনৰ কাৰণে এই দুৰ্গ ৰক্ষা কৰি সিহঁতৰ পুৰণিকলীয়া যুদ্ধ-বুদ্ধি খটাই কোনোমতে বাৰিষা কাললৈকে থাকিব পাৰিলেহেঁতেন তেন্তে এই দুৰ্গ জয় কৰা অসম্ভৱ হলহেঁতেন"।

চামধৰা আৰু শিমলুগড়—এই দুটা গড় নগাওঁ জিল্লাত অৱস্থিত। সামৰিক কেন্দ্ৰ হিচাবে এই দুইটা গড় আহোম ৰাজধানীৰ প্ৰধান সম্বল বুলিব পাৰি। এই দুটা গড় পাৰ নহলে গড়গাঁৱলৈ আহিব নোৱাৰি। চামধৰা গড় এফালে ব্ৰহ্মপুত্ৰেৰে আৰু বাকী তিনিফালে মজবুত দেৱালেৰে ঘেৰা আৰু প্ৰত্যেক দেৱালৰ সম্মুখত গড়খাৱৈ আছিল যাতে শত্ৰু পক্ষই সহজে গড় আক্ৰমণ কৰিব নোৱাৰে। শিমলুগড় অতি ওখ, বহল আৰু কেউফালৰপৰা পৰিপাটিকৈ ঘেৰা। এই গড়ৰ পিচফালে এটা পৰ্ব্বত। ইয়াৰ এখন বেৰ পৰ্ব্বতৰ ওপৰলৈকে আছিল। এই বেৰ দীঘলে প্ৰায় ৮ মাইলমান হ'ব। আন এখন বেৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত লাগিছেগৈ। এই খন বেৰ দীঘলে প্ৰায় ৬ মাইলমান হব। এই দুইখন বেৰৰ ওপৰত পাঁচোটা প্ৰকাণ্ড প্ৰকাণ্ড গম্বুজ অৱস্থিত। প্ৰত্যেক দুৰ্গৰ আয়তন ৪৩০ গজ। ইয়াৰ

বাহিৰেও প্ৰত্যেক ৫০ গজ দূৰত একোটা সৰু আয়তনৰ গম্বুজ অৱস্থিত। এই ডাঙৰ গম্বুজ কেইটাৰ চাৰিওফালে এখন অতি শকত গম্বুজৱালা বেৰ দিয়া আছিল। এই বেৰখনৰ আকৃতি এটা সৰুসুৰা গড়ৰ নিচিনা। এই গড়ৰ চাৰিওফালে খাল। এই খালবিলাকত পানী নাছিল, কিন্তু তুতিয়াৰে ভৰা। ওপৰত কোৱা বেৰ দুখনৰ ওপৰত বন্দুক, বাৰুদ, বৰটোপ আৰু আন আন সামৰিক সজুলি ঠাহ খাই আছিল। এই গড় ৰক্ষাৰ কাৰণে প্ৰায় ৩০০০০০ তিনি লাখ অসমীয়া সৈন্য গোট খাইছিল। এই গড় মিৰজুমলাই অবৰোধ কৰাৰ সময়ত অসমীয়া সৈন্যই বিশেষ পাৰদৰ্শীতা দেখুৱাইছিল। অশেষ কষ্ট-ভোগ আৰু নেৰা-নেপেৰা যুদ্ধ কৰাৰ পিচতহে এই দুৰ্গ জয় কৰে। মিৰজুমলাৰ বাহিৰে আন কোনো বিদেশী আক্ৰমণকাৰীয়ে এই দুৰ্গ জয় কৰিব পৰা নাছিল। এই গড়ৰ শক্তি আৰু সামৰিক সাজ-সঁজুলিৰ বিষয়ে মোগল বুৰঞ্জীলিখকে এই দৰে কৈছে—"এই গড় অৱৰোধ কৰা ভালেমান দিন হ'ল, তথাপি কোনো ৰকমে কৃত-কাৰ্য্য হ'ব পৰা নাছিল। কাৰণ, ইয়াৰ মজবুতি আৰু প্ৰতিৰোধ শক্তি ইমান প্ৰবল আছিল যে বাদশ্বাহী-শিবিৰৰ বৰটোপৰ গুলীয়েও একো লৰচৰ কৰিব পৰা নাছিল। ইয়াৰ বেৰা বা গম্বুজবোৰ ভাঙিবৰ কাৰণেও কোনো বিশেষ উপায় স্থিৰ কৰিব পৰা নাছিল। যি ডোখৰ জাগাত বাদশ্বাহী-শিবিৰ অৱস্থিত, সেই জাগাও ভয়ানক বিপদজনক। ইয়াৰ আগেয়েও এই ঠাইতে হিন্দুস্থানৰ প্ৰবল ৰণশক্তি কেইবা বাৰো পৰাজয় হৈ ঘোৰ বিপদত পৰিছিল। এই ঠাইতে শত্ৰু পক্ষৰ সৈন্য আন আন ঠাইতকৈ বেচি পৰিমাণে গোটখাইছিল। এই গড়ৰ ভিতৰৰপৰা একে সময়তে হাজাৰ হাজাৰ বৰটোপৰ গুলী আৰু অগ্নিবান মোগল সৈন্যৰ ওপৰত বৰষিব লাগিছিল। গোটেই বায়ুমণ্ডল বৰটোপৰ ধোঁৱাৰে ধুৰুলী-কুৰুলী হৈছিল আৰু বন্দুকৰ গুলী বতাহত শিল বৰষুণ বৰষিছিল। এই ভীষণ যুদ্ধত বহুত মোগল সৈন্য আহত হয় আৰু ভালেমানে নিজৰ বহুমূলীয়া জীৱন উৎসৰ্গ কৰে।"

শিমলুগড় জয় কৰাৰ পাচত আন আন গড় জয় কৰিবলৈ সুবিধা হৈ পৰে। শিমলুগড়ৰ খবৰ অসমীয়া সৈন্যৰ মাজত প্ৰচাৰ হোৱা মাত্ৰকে কলিয়াবৰ আৰু চামধৰা দুৰ্গৰ সৈন্যৰ মাজত আকস্মিক ভয় সোমাই আৰু অসমীয়া শিবিৰৰ মাজত বিশৃঙ্খলা জন্মে। এই শৃঙ্খলাৰ গতিকে শত্ৰুৰ আগমনৰ প্ৰতিৰোধৰ ফালে কাণ নিদি অসমীয়া সৈন্য ছিন্-ভিন্ হৈ পলাবলৈ ধৰে। তেতিয়া এই গড় মোগল সৈন্যই অনায়াসে অধিকাৰ কৰে।

শিমলুগড়ত অসমীয়াৰ বন্দুক, খাৰ, বাৰুদ আদি আৰু ৰণতৰি তৈয়াৰ কৰা এটা কাৰখানা আছিল। ইয়াত বন্দী কৰা এজাক অসমীয়াক জাহাঙ্গীৰ নগৰলৈ পঠাই দিয়া হয়। এই বন্দীবিলাকক বন্দুকৰ বাৰুদ আৰু আন আন সামৰিক অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ আৰু যুদ্ধৰ জাহাজ সাজিবৰ কাৰণে খটোৱা হৈছিল।

ওপৰত অসমীয়াৰ গড় নিৰ্ম্মান আৰু দুৰ্গৰক্ষাৰ বিষয়ে উল্লেকিওৱা হ'ল। এতিয়া অসমীয়াৰ নৌ-বাহিনীৰ বিষয়ে দু-আষাৰমান কবলৈ আগ বাঢ়িলোঁ।

মোগল বুৰঞ্জীলিখকে কৈ গৈছে যে যোগীঘোপা গড় ৩২০ খন সজ্জিত ৰণ-নাৱেৰে ৰক্ষিত আছিল। এইদৰে ব্ৰহ্মপুত্ৰৰ পাৰত থকা প্ৰত্যেক গড় অসমীয়াৰ ৰণতৰিৰে সুচাৰুৰূপে ঘেৰা আছিল। অসমীয়াবিলাকে নৌ বাহিনীৰ ৰণ কৌশলত বৰ পাৰদৰ্শিতা আৰু নিপুনতা দেখুৱাইছিল। অসমীয়া সৈন্যই মাটি যুদ্ধতকৈ পানী যুদ্ধত বেচি পৰিমাণে পৰাক্ৰমৰ চিন দেখুৱায়। বহুত সময়ত মোগল সৈন্যই অসমীয়াৰ নৌ-বাহিনীৰ সম্মুখত বিশেষ ক্ষতিগ্ৰস্ত হয়। পাণ্ডু আৰু শৰাইঘাটৰ মাজত গোটেই ব্ৰহ্মপুত্ৰ অসমীয়াৰ নৌ-বাহিনীৰে ভৰপূৰ আছিল। এই দুই ঠাইত মোগল সৈন্যই অসমীয়া নৌ-বাহিনী পৰাজয় কৰাৰ পিচত আৰু ব্ৰহ্মপুত্ৰৰ কেইবা ঠাইটো মোগল নৌ-বাহিনীয়ে অসমীয়াৰ নৌ-বাহিনীৰ লগত তুমুল যুদ্ধ দিব লগাত পৰে। এই যুদ্ধবিলাকত মোগলৰ নৌ-বাহিনী অশ্বাৰোহী আৰু পদাতিক তিনিঃ ফৈদ গোট খাইহে অসমীয়াৰ নৌ-বাহিনীক পৰাজয়



কৰে। শিমলুগড় জয় কৰাৰ পিচত যেতিয়া মিৰজুমলা গড়গাওঁৰ ফালে যাত্ৰা কৰে, সেই সময়ত নগাঁও অঞ্চলৰ ভিতৰত ব্ৰহ্মপুত্ৰত ৮০০ অসমীয়া ৰণ-তৰিয়ে মোগল নৌ-বাহিনীক বেৰি ধৰে। এই যুদ্ধত মোগল নৌ-বাহিনী প্ৰায় পৰাজিত হব লগীয়া হৈছিল। এনে সময়তে মোগল সৈন্যৰ এভাগ বামেদি আহি যুদ্ধস্থলত উপস্থিত হোৱাত অসমীয়া নৌ-বাহিনী বেচি সময় টিকিব নোৱাৰি হাৰ মানিব লগাত পৰে। মোগল সৈন্যই অসমীয়াৰ ৪০০ ৰণতৰি হস্তগত কৰে। প্ৰত্যেকখন একোটা ডাঙৰ বৰটোপ আৰু আন আন যুদ্ধৰ আহিলা-পাতিৰে ভৰা আছিল। ইয়াৰ বাহিৰেও অসমৰ প্ৰত্যেক নৈত অসমীয়াৰ নৌ-বাহিনী থকাৰ প্ৰমাণ পোৱা যায়। মোগল সৈন্যই দিহিং, দিছাং, দিখৌ, আৰু দৰিকা নৈত ও অসমীয়া নৌ-বাহিনীৰ সম্মুখ হব লগীয়া হৈছিল। এই সৰু সৰু নৈবিলাকতো মোগল আৰু অসমীয়াৰ মাজত কেইবাখনো পানীযুদ্ধ হয়।

অসমীয়া নৌ-বাহিনীৰ খাই কাৰখানা লাকুৱা গড়ত অৱস্থিত। এই ঠাইৰপৰা তৈয়াৰ হোৱা নাও আন আন ঠাইলৈ পঠোৱা হৈছিল। যেতিয়া মিৰজুমলাই লাকুৱা গড় অধিকাৰ কৰে, সেই সময়ত নতুনকৈ তৈয়াৰ কৰা ১০০ খন ৰণতৰি লাকুৱাৰ কাৰখানাৰপৰা হস্তগত কৰে। মিৰজুমলাৰ অভিজ্ঞানত ১০০০ এক হাজাৰতকৈও বেচি ৰণতৰি মোগল সৈন্যই অধিকাৰ কৰে বুলি প্ৰমাণ পোৱা যায়। অলপ দকৈ গমি চালে ইয়াৰপৰা অসমৰ নৌ-বাহিনীৰ শক্তিৰ বিষয়ে বুজিব পাৰি। সেই সময়ত অসমৰ নৌ-বাহিনী এক প্ৰবল শক্তি আছিল, ইয়াক তুচ্ছ কৰিব নোৱাৰি। ঘৰুৱা কথা বাদ দিলেও বিদেশী বুৰঞ্জীয়ে এই কথাৰ সম্পূৰ্ণ সমৰ্থন কৰে।

মিৰজুমলাই হস্তগত কৰা ৰণৰ আহিলাপাতিৰ বিৱৰণৰ পৰা আমি সহজে অনুমান কৰিব পাৰোঁ যে সেই সময়ত অসমীয়া ৰন-কৌশলত আৰু সাজ-সজ্জা নিৰ্ম্মান প্ৰণালীত অগ্ৰগণ্য আছিল। আৰু সকলো অস্ত্ৰ-সস্ত্ৰ স্বদেশত আৰু স্বজাতীৰ দ্বাৰা তৈয়াৰ হৈছিল। মোগল বুৰঞ্জী-লিখকৰ মতে মিৰজুমলাই কেৱল গড়গাঁৱতে তলত দিয়া ৰণ-অস্ত্ৰ হস্তগত কৰে।

( ১ ) ৬৭৫ টা বৰটোপ ( ইয়াৰ ভিতৰৰ এটাত তিনি মোণীয়া গুলী খাজিব পৰা আছিল )

( ২ ) ২৩৪৩ টা জাম্বুক ( এবিধ বন্দুক )

( ৩ ) ১২০০ টা ৰামজঙ্গী ( এবিধ ডাঙৰ বন্দুক )

( ৪ ) ৬৫৭০ টা সৰু টোপ।

( ৫ ) ২০০০ বাকচ বাৰুদ, ( প্ৰত্যেক বাকচত ২½ মোণকৈ বাৰুদ আছিল )

( ৬ ) ১০২৮ খন ঢাল।

( ৭ ) অশেষ পৰিমাণে লো, টিচাপাত, তুতিয়া, গন্ধক আদি, যাৰ হিচাব দিব নোৱাৰি।

ইয়াত বাজেও ১২০ খন ডাঙৰ নাও যিবিলাক কেৱল ৰজাৰ ব্যৱহাৰৰ কাৰণে ৰখা হৈছিল।

অসমীয়াৰ স্বাধীনতা আৰু ৰণ-প্ৰণালীৰ বিষয়েও মোগল বুৰঞ্জী লিখকে বৰ্ণনা কৰিছে। তেওঁৰ মতে "এই দেশৰ ৰজাবিলাক অতি অহঙ্কাৰী। তেওঁবিলাকে কোনো বাদছাহৰ অধীনতা স্বীকাৰ কৰা নাছিল আৰু কোনো সম্ৰাটক কৰ নিদিছিল। কোনো যুগত হিন্দুস্থানৰ কোনো নৰপতিয়ে এই দেশ জয় কৰিব পৰা নাছিল। বৈদেশীক পৰাক্ৰমী বীৰসকলে এই ভীষণ সমস্যাত হাৰ মানিব লগাত পৰিছিল। পুৰণি কালত যেতিয়াই কোনো বিদেশী অভিজ্ঞান এই দেশ জয় কৰিবলৈ আহিছিল, তেওঁবিলাক অসমৰ সীমান্ত পাওঁতে নৌ পাওঁতেই অসমীয়া সৈন্যৰ চতুৰতা আৰু যুদ্ধ-কৌশলৰ আগত টিকিব নোৱাৰি পৰাস্ত হবলৈ বাধ্য হৈছিল। অসমীয়া-বিলাক ৰাতি-যুদ্ধ, ৰণ-কৌশল আৰু কুট-ৰাজনীতিত অতি নিপুণ আছিল। এই উপায়বিলাকৰ দ্বাৰা শত্ৰু পক্ষক পৰাস্ত কৰিব নোৱাৰিলে তৎক্ষণাত যুদ্ধ ক্ষেত্ৰৰ পৰা হুহকি গৈ কোনো পাহাৰৰ ওচৰত আশ্ৰয় লয়গৈ আৰু যাওঁতে বাটত গিমানবিলাক ধান চাউলৰ ভঁৰাল থাকে সকলো নষ্ট কৰি যায় যাতে শত্ৰু পক্ষই এই বিলাক ব্যৱহাৰ কৰিব নোৱাৰে। এই দৰে কিছুদিন

আপেক্ষা কৰাৰ পিচত যেতিয়া বাৰিষা কাল ওচৰ চাপে, তেতিয়া বৰষুণৰ লগে লগে সিহঁতেও পাহাৰৰপৰা নামি আহি শত্ৰুপক্ষক আক্ৰমণ কৰেহি। বাৰিষা কালি যেতিয়া সকলো বাট পথ পানীৰে ভৰপূৰ হয় আৰু ৰচদ পাতিৰ অভাব হবলৈ ধৰে বিদেশী আক্ৰমণ কাৰীৰ কাৰণে মহা বিপদ উপস্থিত হয়। এই সুযোগতে অসমীয়াবিলাকে বিদেশী সৈন্যক অসমৰপৰা বাহিৰ কৰি উলিয়াই দিয়ে। এইদৰে ভাৰতবৰ্ষৰ বহুত সৈন্য এই বিপদৰ চাকনৈয়াত পৰি নিজৰ জীৱন বলি দিব লগাত পৰিছিল"।

"এসময়ত বঙ্গ দেশৰ ৰজা হুচেনছাহে অসম জয় কৰিবৰ উদ্দেশ্যেৰে এটা ভীষণ অভিজানৰ আয়োজন কৰি অসমলৈ গৈছিল। প্ৰথমতে তেওঁ কৃতকাৰ্য্য হৈছিল আৰু বিজয়ী পতাকা আগামৰ মাজত পুতি ভালেমান ঠাই অধিকাৰ কৰে। অসম ৰজাই দেশ ৰক্ষা কৰিব নোৱাৰি পাহাৰৰ দাতিত আশ্ৰয় লয়গৈ। হুচেনছাহে অলপ দিনৰ পিচতে বঙ্গ দেশলৈ ঘূৰি আহে আৰু তেওঁৰ পুত্ৰেকৰ হাতত সৈন্য সামন্তৰে সৈতে অসম দেশ শাসন কৰিবৰ কাৰণে গতাই দিয়ে। কিন্তু যেতিয়া বাৰিষা কালত বান পানী আহি আটাইবিলাক বাটপথ বন্ধ কৰিবলৈ ধৰিলে, তেতিয়া অসম ৰজা পৰ্ব্বতৰপৰা নামি আহি আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। হুচেনছাহৰ ল'ৰা এই আকস্মিক আক্ৰমণত তিষ্ঠিব নোৱাৰি শৰণাগত হব লগাত পৰিল। এইদৰে হিন্দুস্থানৰ মহা পৰাক্ৰমী মহম্মদচাহ টোগলকেও অসম জয় কৰিবৰ কাৰণে একলাখ অশ্বাৰোহী পঠাইছিল। কিন্তু তেওঁৰ লোকেও অসম জয় কৰিব নোৱাৰি ভীষণ বিপদত পৰে আৰু অৱশেষত হাৰ মানিবলৈ বাধ্য হয়"।

মফিজুল্ ইচ্লাম খাঁ।

---

## জাতি সঙ্ঘ (The League of Nations)

যুদ্ধ বিগ্ৰহ মানৱ জাতিৰ উন্নতি বাটৰ বিঘিনি। ইয়াৰ অপায়-অমঙ্গল সংক্ৰামক ৰোগৰ দৰে বাগৰি ফুৰে। নক ঘটনা এটিৰপৰা হোৱা ইউৰূপ মহাসমৰৰ ধুমুহাই কেনেকৈ গোটাই পৃথিবীত তোলপাৰ লগাই দিলে সকলোৱে জানে। চাৰে চাৰি বছৰ কাল গোটাই পৃথিবীৰ নেযায় খুপুৰায় হল; নৰ-সমাজৰ মাজত হাহাকাৰৰ ৰোল উঠিল। এনে এখন দেশ নাই যত এই সময়ৰ ধমুহাৰ মোহাৰণি পৰা নাছিল। অৱশেষত "ভাৰচেলেৰ" সন্ধিত জানিবা এই অপায়-অমঙ্গলৰ এক অধ্যায়ৰ ওৰ পৰিল।

বিপদে মানুহক অনেক নন কথা শিকায়। এই মহা সমৰেও পৃথিবীৰ সভ্য জাতিসকলক এটি শিক্ষা দিলে। তেওঁলোকে দেখিলে যে ৰাজাই ৰাজাই যেতিয়াইলৈকে যুদ্ধ বাগৰ কৰিবলৈ নেৰে, তেতিয়াইলৈকে জগতত শান্তি নাথাকে। পূৰ্ব্বৰ দৰে অকল সন্ধি-পত্ৰতে নিশ্চিন্ত নাথাকি এইবাৰ সভ্যজাতিবিলাকে এনে এটা উপায় স্থিৰ কৰিব খুজিলে যি ভাৱিষ্যতলৈ জাতিবিলাকৰ মাজত মিলা-প্ৰীতি স্থাপন কৰি যুদ্ধৰ সামৰণি মাৰিব পাৰিব। এই দৰে মানৱ জাতিৰ ভিতৰত শান্তি প্ৰচাৰ কৰিবলৈ আটাইতকৈ বিশেষ চেষ্টা কৰিছিল মাৰ্কিন দেশৰ তেতিয়াৰ সভাপতি ডাক্তাৰ উদ্ৰ উইলচনে (Dr. Wodrow Wilson)।

মহামতি উইলচনে ভাৰচেলেৰ সান্ধি-পত্ৰ স্বাক্ষৰিত হোৱাৰ পূৰ্ব্বতে যুদ্ধত লিপ্ত হোৱা জাতিবিলাকলৈ ১৪টা চুক্তি দি পঠাইছিল। তাৰে এটা আছিল "গোটেই পৃথিবীৰ জাতি সমূহৰ মাজত "জাতি সঙ্ঘ" এটি স্থাপন কৰা"। উইলচনৰ এই প্ৰস্তাৱে যুদ্ধত জৰ্জ্জৰিত হৈ থকা জাতিবিলাকৰ গাত যেন শান্তিৰ ছাটিহে মাৰিলে। সকলোৱে তেওঁৰ প্ৰস্তাৱত হাই দিলে। অৱশেষত ১৯১৯ খ্ৰীঃৰ ২০ এপ্ৰিলৰ দিনা মাৰ্কিন, ব্ৰিটিছ-সাম্ৰাজ্য, ফ্ৰান্স, ইটালী, জাপান আদি সকলো সভ্য দেশৰে প্ৰতিনিধিয়ে পাৰী (Paris) চহৰত এই জাতি-সঙ্ঘৰ প্ৰথম অধিবেশন পাতে। এই অধিবেশনত এটা প্ৰতিশ্ৰুতি (Covenant) ৰচনা হৈছিল। সেই প্ৰতিশ্ৰুতিৰ ২৬টা দফা, আৰু এই দফাবিলাকতে জাতি সঙ্ঘৰ সকলো নিয়ম প্ৰণালী আৰু উদ্দেশ্য অভিপ্ৰায় লিপিবদ্ধ কৰা হয়। আৰু সেই বছৰৰ ২৮ জুনত "ভৰচেলেচ" হোৱা সন্ধি সভাত এই ২৬ দফা গৃহীত হয়।

**জাতিসঙ্ঘৰ উদ্দেশ্য :—** পাৰী চহৰত বহা প্ৰথম অধিবেশনত এই জাতি-সঙ্ঘৰ সূচনাত (pre-amble) সঙ্ঘৰ উদ্দেশ্য এইদৰে লিখা আছে।

(ক) জাতিবিলাকৰ ভিতৰত পৰস্পৰ সহযোগ (co-operation) বঢ়োৱা।

(খ) পৰস্পৰ যুদ্ধ-বিগ্ৰহ বৰ্জ্জন কৰা।

(গ) অন্তৰ্জ্জাতীয় আইন কানুনবিলাক অক্ষুন্নকৈ প্ৰতিপালন কৰা।

(ঘ) মানৱ জাতিৰ সুখ-শান্তিৰ বাবে সকলোৱে চেষ্টা কৰা।

(ঙ) আন্তৰ্জ্জাতিক সন্ধি-পত্ৰবিলাক মানি চলা।

**সঙ্ঘৰ সভ্য :—** সঙ্ঘৰ আদি সভ্যবিলাক দুই শ্ৰেণীৰ আছিল।

প্ৰথম—যিবিলাকে ভাৰ্চেলৰ সন্ধিপত্ৰত চহি কৰিছিল, (Signatories)।

দ্বিতীয়—যি সকলক সেই সভালৈ নিমন্ত্ৰণ কৰা হৈছিল। আমাৰ ভাৰতবৰ্ষ প্ৰথম শ্ৰেণীৰ সভ্য। ইয়াৰ বাজেও সভ্য সকলৰ অধিকাংশই সমৰ্থন কৰিলে স্বায়ত্ত শাসনৰ তলতীয়া নাইবা স্বাধীন যেই সেই ৰাজ্যই তাৰ সভ্য হব পাৰে।

এই সভাৰ কাৰ্য্য চলাবলৈ তিনটা বেলেগ ভাগ আছে। (১) সভা (assembly) (২) মন্ত্ৰণা সভা (council) (৩) কৰ্ম্মচাৰী মহল (secretariat)।

### সভা (The assembly).

এই সভাই হৈছে জাতি সঙ্ঘৰ শাসন সভা (The Parliament of the League)। ইয়াত সঙ্ঘত ভুক্ত হোৱা প্ৰত্যেক জাতিৰপৰা তিনি জনকৈ নিৰ্ব্বাচিত সভ্য থাকে। কিন্তু সেই তিনিওজন সভ্যৰ 'ভোট' এটা মাত্ৰ। বৰ্ত্তমান ৫৬ খন ৰাজ্য এই সভাৰ সভ্য হৈছে। সভা বছৰি এবাৰকৈ জেনেভা (Geneva) চহৰত চেপ্তেম্বৰ মাহৰ ১ম সোমবাৰে বহে। সভাৰ সভাপতি বছৰি নিৰ্ব্বাচিত হয়। সভাপতিৰ অধীনত আৰু ছজন প্ৰতিনিধি সভাপতি (vice president) বাছি লোৱা হয়। সভাৰ তলতীয়া শাখা সভা আৰু ছখন আছে; এই ছখন সভাৰ ছজন সম্পাদকো সভাপতিৰ দৰে বছৰি নিৰ্ব্বাচিত হয়। প্ৰত্যেক শাখা সভাৰ বেলেগ বেলেগ কাম। প্ৰত্যেক সঙ্ঘভুক্ত জাতিৰপৰা একোজনকৈ সভ্য ইয়ালৈ নিৰ্ব্বাচিত হয়। সেই ছখন শাখা সভা হৈছে।

১ম খন—আইন আৰু ৰাষ্ট্ৰসম্পৰ্কীয় (Legal and constitutional)।

২য় খন—ব্যৱসায় সম্পৰ্কীয় (Technical) ৰাজস্ব, অৰ্থনীতি, বাণিজ্য চালনা (Finance, Economic, Transit)।

৩য় খন—সামৰিক অস্ত্ৰ-শস্ত্ৰ নিয়ম সম্পৰ্কীয় (Limitation of armaments)।

৪ৰ্থ খন—অভ্যন্তৰ শাসন আৰু আয়ব্যয়ৰ হিচাপ সম্পৰ্কীয় (Internal Administration & Budget of the League)।

৫ম খন—মানৱ জাতি আৰু সমাজ সম্পৰ্কীয় (Humanitarian & Social eg. Epidemics, repatriation of prisoners, opium, traffic in women & children)।

৬ষ্ঠ খন—ৰাজনীতি সম্পৰ্কীয় (The political eg. Admission of New states)।

প্ৰত্যেক সভাই নিজ নিজ বিষয়ৰ যি সমস্যা থাকে

তাৰ আলোচনা কৰি সজ্যৰ সভাত শেষ মীমাংসা কৰিবৰ কাৰণে অৰ্পণ কৰে।

## ( ২ ) মন্ত্ৰণা সভা ( The Council ).

মন্ত্ৰণা সভাই সজ্যৰ কাৰ্য্য নিৰ্ব্বাহ কৰে। ইয়াত দুই শ্ৰেণীৰ সভ্য আছে। ( ১ ) স্থায়ী ( permanent ) যেনে ফ্ৰান্স, ইটালী, গ্ৰেট্ ব্ৰিটেইন্, জাপান আৰু জাৰ্ম্মাণী ( ২ ) অস্থায়ী সভ্য ( Non-permanent )। স্থায়ী সভ্য ৫ জন, অস্থায়ী সভ্য ৯ জন প্ৰতি বছৰে নিৰ্ব্বাচিত হয়।

এই মন্ত্ৰণা সভাও বছৰি একোবাৰকৈ জেনেভা চহৰত বহে। সভাৰ প্ৰধান কাৰ্য্য হৈছে—

( ১ ) মেণ্ডেট্ ( পৰৰ অনুশাসনত থকা ) শাসন প্ৰণালীৰ ওপৰত চকু ৰখা ( Mandate System ).

( ২ ) সামৰিক অস্ত্ৰ শস্ত্ৰৰ পৰিমাণ নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰা।

( ৩ ) মহাসমৰৰ সন্ধি অনুযায়ী কাৰ্য্য কৰিছেনে নাই তাক চোৱা।

( ৪ ) হঠাৎকাৰে হোৱা ঘটনাৰ কালত সজ্যৰ হৈ ক্ষমতা চলোৱা। ( Emergency cases ).

( ৫ ) সভাৰ অনুমতি মতে কোনো জাতিৰ মাজত হোৱা মনোমালিন্যৰ তদন্ত কৰি সজ্যক জনোৱা।

( ৬ ) সজ্যভুক্ত কোনো সভ্যই যুদ্ধত সন্ধি পত্ৰৰ কোনো চুক্তি উলঙ্ঘন কৰিলে তাক সজ্যত জনোৱা আৰু তাৰ বাবে শাস্তিৰ বিহিত বিধান দিয়া। এই মন্ত্ৰণা সভাৰ সকলো কাৰ্য্যই সজ্য সভাৰ আলোচ্য বিষয়।

## (৩) কৰ্ম্মচাৰী মহল (The Secretariat).

এই কৰ্ম্মচাৰীসকলৰ মুঠ সংখ্যা প্ৰায় ৫০০। তাৰ ভিতৰত ৪০ টা জাতিৰ মানুহ আছে, আমাৰ ভাৰতবৰ্ষৰ মানুহো ইয়াৰ ভিতৰত আছে। এই কৰ্ম্মচাৰীসকলৰ মোটে ১০ টা বিভাগ। প্ৰত্যেক বিভাগেই ওপৰৰ শাখা সভা আদিৰ কাৰ্য্য স্বতন্ত্ৰ ভাবে কৰে।

সভাৰ কাৰ্য্য চলাবলৈ প্ৰত্যেক সভ্যই বছেৰেকীয়া বৰঙনি দিব লাগে। ইয়াৰ পৰিমাণ সজ্যত ধাৰ্য্য কৰা হয়। ভাৰতবৰ্ষই বছৰি প্ৰায় ৮ লাখ টকা সভাক দিয়ে। এই দৰে মুঠ টকা প্ৰায় ডেৰ কোটীমান হয়।

জাতিসজ্যৰ হাতত ওপৰত কৈ অহা বিষয়বিলাকৰ অৰ্থে কৰা সভা, শাখা-সভা আদিৰ বাহিৰেও আৰু কেইটামান মহৎ কাৰ্য্য আছে। তাৰ প্ৰধান কেইটি হৈছে—

( ১ ) ন্যায় বিচাৰৰ কাৰণে এখন স্থায়ী আদালত ( The Permanent Court of international Justice ).

অন্তৰ্জাতিৰ কোনো মনোমালিন্য ঘটিলে এই আদালতে সজ্যৰ নিয়ম অনুসৰি তাৰ বিচাৰ কৰে।

(২) শ্ৰমজীৱী ব্যৱস্থা ( An International Labour office )। সজ্যৰ ভিতৰুৱা ৰাজ্যবিলাকৰ আৰু সেই ৰাজ্যৰ লগত বাণিজ্য-সম্পৰ্ক থকা আন আন ৰাজ্যৰ বণুৱাবিলাকৰ সুখ-সম্পদ আদিৰ বিষয়ে যি যি সমস্যা উঠে, এই বিভাগৰ কাৰ্য্যকাৰকসকলে সজ্যৰ নিয়ম অনুসৰি তাক ভঞ্জন কৰে।

## সজ্ঘৰ কাৰ্য্যাৱলী।

এই মানৱ জাতিৰ কল্যাণকৰ সজ্যই আজিলৈকে যি কেইটি কাৰ্য্য নিষ্পত্তি কৰিছে, তাৰ ভিতৰত এই কেইটি প্ৰধান আৰু প্ৰশংসাৰ যোগ্য :—

(১) আলোন দ্বীপ সম্পৰ্কে ফিনলেণ্ড ( Finland ) আৰু চুইডেনৰ ভিতৰত হোৱা মনোমালিন্যৰ বিচাৰ কৰি দুয়ো পক্ষকেই যুদ্ধৰপৰা হব পোৱা ক্ষতিৰ হাত সকৰায়।

(২) সেইদৰেই ভিলনাৰ ( Vilna ) অধিকাৰলৈ পলেণ্ড ( Poland ) আৰু লিথুৱানাৰ ( Lithuania ) মাজত হোৱা কন্দল ভাঙিছে।

(৩) উজনি চাইলেছিয়াৰ ( Upper Silesia ) সম্পৰ্কে হোৱা জাৰ্ম্মেণী ( Germany ) আৰু পলেণ্ডৰ ( Poland ) ভিতৰুৱা কাজিয়া ভাঙিছে।

(৪) ইটালীয়ে গ্ৰীচৰ ওপৰত ক্ষতিপূৰণ দাবি কৰি কাজিয়া পাতিলে। কাৰণ, গ্ৰীচৰ সীমাৰ ভিতৰত ইটালীৰ কেইটামান মানুহক কোনোবাই বধ কৰে। জাতিসজ্যই এই বিচাৰ হাতত লৈ দুয়ো পক্ষৰ কল্যাণ সাধে।



(৫) মেণ্ডেত ( অনুশাসন ) প্ৰণালী ( Mandate System )। যোৱা মহা সমৰৰ পিচত কেইখনমান ৰাজ্যই পৰৰ অধীনতা জোকাৰি পেলাই স্বাধীন হয়। কিন্তু সেই ৰাজ্য কেইখনৰ নিজৰ শাসন নিজে সুপ্ৰতুলকৈ চলাব পৰা ক্ষমতা নাই। জাতিসজ্যই সেই ৰাজ্যবিলাকক নিজৰ তত্ত্বাৱধানত ৰাখি সজ্যৰ হৈ কেইখনমান উপযুক্ত দেশক কিছুদিনলৈ সেই ৰাজ্যবিলাকৰ শাসনৰ ভাৰ দিয়ে। এই দেশবোৰৰ নামেই মেণ্ডেত ৰাজ্য ( Mandated States )। সজ্যৰ উদ্দেশ্য সেই ৰাজ্যবিলাকে উপযুক্ত দেশৰ শিক্ষাৰ অধীনত কিছুমান দিন থাকি যেতিয়া স্বায়ত্ত শাসনৰ ক্ষমতা আৰ্জ্জিব, তেতিয়াই সিহঁতক স্বাধীন কৰি দিব।

সেই ৰাজ্য বিলাকৰ ভিতৰত প্ৰধান হৈছে :—

ব্ৰিটিছৰ তলত—ইৰাক ( পূৰ্ব্বৰ মেচোপটেমিয়া )

পেলেষ্টাইন ( এই দুখন পূৰ্ব্বৰ টুৰ্কীৰ অধীন )

জাৰ্ম্মাণী পূৱ আফ্ৰিকাৰ একাংশ।

ফ্ৰান্সৰ তলত—চিৰিয়া ( টুৰ্কীৰ )

জাপানৰ তলত—জাৰ্ম্মেনীৰ অধীনত থকা বিষুব্ ৰেখাৰ উত্তৰস্থ অধিকাৰবিলাক।

অষ্ট্ৰেলিয়াৰ তলত—নাৰু আৰু চমুৱা বাদে প্ৰশান্ত মহাসাগৰস্থ বিষুব্ ৰেখাৰ দক্ষিণৰ জাৰ্ম্মাণ অধিকাৰবিলাক।

নিউজিলেণ্ডৰ তলত—চমুৱা দ্বীপ।

দক্ষিণ আফ্ৰিকা যুক্তৰাজ্যৰ তলত জাৰ্ম্মেন দক্ষিণ পশ্চিম আফ্ৰিকা।

## সজ্ঘৰ আৰ্থিক সাহায্য।

সজ্যই অৰ্থ সহায়ো কমকৈ কৰা নাই। যোৱা মহা সমৰত অনেক ধন-জন হানি হৈ অষ্ট্ৰিয়া আৰু হাঙ্গেৰী ৰাজ্যৰ অৱস্থা বৰ জুৰুলা হৈ পৰিছিল। হাজাৰ হাজাৰ মানুহৰ কৰিবলৈ কাম নাই, খাবলৈ ভাত নাই। জাতি-সজ্যই অষ্ট্ৰিয়া আৰু হাঙ্গেৰীক ধনেৰে বহুত সহায় কৰে। ইয়াৰ পিচত টুৰ্কী আৰু গ্ৰীচৰ যুদ্ধৰ সময়ত যেতিয়া কেতবিলাক গ্ৰীচবাসীয়ে এচিয়া মাইনৰলৈ উঠি গৈ বৰ বিষম অৱস্থাত পৰে, তেতিয়াও সজ্যই সেই অভাৱ-গ্ৰস্ত লোকবিলাকক বহুত সহায় কৰে।

তদুপৰি পৃথিৱীৰ কোনো দেশৰ মানুহেই যাতে মাটিৰ খাজনা আৰু বাণিজ্যৰ শুল্ক আদি বেচিকৈ নভৰি সুখেৰে থাকিব পাৰে, তাৰ বিষয়েও সজ্যই বৰ দৃষ্টি ৰাখিছে।

## বাণিজ্য আৰু লোক চলাচলৰ অৰ্থে সজ্ঘৰ কাম।

আজি ভালেমান দিনৰপৰা কেতবিলাক পৰাক্ৰমী জাতিয়ে নৈ, সাগৰ, বন্দৰ এনে কেতবিলাক ঠাইক একচিতীয়াকৈ ৰাখি নিজৰ অধিকাৰ বুলি ভাবি আনবিলাক জাতিক হস্তক্ষেপ কৰিবলৈকে নিদিছিল। সজ্যই এনেবিলাক আপোনপেটিয়া নীতি উঠাই দি যাতে সকলো জাতিৰ বেহা-বেপাৰৰ আৰু চলাচলৰ সুবিধা হয় তাৰ বাবে চেষ্টা কৰিছে।

## শাসন কাৰ্য্য।

আগত পাই আহিছোঁ যে ৰাজ্যবিলাকৰ মাজত হোৱা পৰস্পৰ মনোমালিন্য দূৰ কৰাই সজ্যৰ এক প্ৰধান উদ্দেশ্য। সজ্যই এই বিভাগৰ কাম নকৰি থকা নাই। গত যুদ্ধৰ পিচত হোৱা ফৰাচী আৰু ইংৰাজ, জাৰ্ম্মেণী আৰু হলেণ্ড এই দুখন মনোমালিন্য তেওঁবিলাকে নিষ্পত্তি কৰি দিছে

Protection of the rights of minorities.

যোৱা যুদ্ধৰপৰা দেশত অনেক অনেক সৰু সৰু স্বাধীন ৰাজ্য স্থাপিত হ'ল যেনেঃ—জুগোশ্লেভিয়া, জেকশ্লভেকিয়া, ইত্যাদি। এইবিলাক দেশত আৰু আন আন দেশতো বিভিন্ন সম্প্ৰদায় বা জাতিৰ তাকৰ সংখ্যাৰ মানুহ আছে, যি সৰহীয়াবিলাকৰপৰা অনেক উৎপীড়ন পাই থাকে। সজ্যই এনে তাকৰীয়া সংখ্যাৰ লোক-বিলাকক ( minorities ) অভয় দান কৰি সিহঁতক নিজ নিজ ধৰ্ম্ম আচাৰ-ব্যৱহাৰ বিধি বিধানমতে চলিবলৈ সুবিধা দিছে।

## মানুহৰ উপকাৰৰ অৰ্থে কৰা আন কাৰ্য্য।

কলেৰা, টাইফইড্, প্লেগ্, বসন্ত, মেলেৰিয়া আদি কেতবিলাক সংক্ৰামক ব্যাধিৰ হেঁচাত পৃথিৱীৰ সকলো

দেশৰে অনেক ক্ষতি হৈছে। আমাৰ ভাৰতবৰ্ষত এনে ৰোগৰ মুখত পৰি বছৰি লাখ লাখ মানুহে অকালত প্ৰাণ হেৰুৱাইছে। সঙ্ঘই নৰ জাতিৰ কল্যাণাৰ্থে এই ৰোগবিলাক গুচাবলৈকো অশেষ যত্ন ৰাখিছে।

## ভাং, কানি, আদি মাদক দ্ৰব্য নিবাৰণ।

ভাং, কানি, মদ আদি মাদক দ্ৰব্যৰপৰা জন-সমাজৰ যিমান অনিষ্ট হৈছে, তাক সকলোৱে জানে। জাতি-সঙ্ঘই মাদক দ্ৰব্যবিলাকৰ ব্যৱসায় নিবাৰণ কৰি দেশৰ কল্যাণ কৰিবলৈ চেষ্টা কৰিছে।

## জাতি-সঙ্ঘ আৰু ভাৰতবৰ্ষ।

এই জাতিসঙ্ঘত ভুক্ত হব পৰা ক্ষমতা আছে মাত্ৰ দুবিধ দেশৰ— ১ম যি দেশ স্বাধীন, দ্বিতীয় যি দেশ স্বায়ত্ব শাসনৰ অধীন। দুখৰ বিষয় আমাৰ ভাৰতবৰ্ষ এই দুইবিধৰ এবিধতো নপৰে। তথাপিও আমাৰ ভাৰতবৰ্ষই যে জাতি সঙ্ঘৰ এক আদি সভ্য স্বৰূপে এই সঙ্ঘত ভুক্ত হব পাৰিছে, ই আমাৰ গৌৰৱৰ বিষয়। জাতি-সঙ্ঘৰ আন আন সভ্য সকলে ভাৰতৰ বিদ্যা আৰু জ্ঞান-বিজ্ঞানৰ পৰিচয় পাই সন্মানৰ পাটিৰত ভাৰতক তেওঁলোকৰ সম আসনত ঠাই দিছে। ভাৰতৰ এই উচ্চ সন্মানৰ মূলতে ব্ৰিটিছ চৰকাৰৰ সহৃদয় সহানুভূতি। ভাৰতে এই সন্মান অক্ষুণ্ণকৈ ৰাখিছে।

ভাৰতৰ আৰু গৌৰৱৰ বিষয় এইযে আজিলৈকে কপূৰটলাৰ আৰু নৱনগৰৰ মহাৰজা চাৰ আলি ইমাম শ্ৰীনিবাস শাস্ত্ৰী আদি যি সকল ভাৰতবাসীৰ প্ৰতিনিধি সঙ্ঘলৈ গৈছে, সকলোৱেই জাতি-সঙ্ঘৰ আগত ভাৰতৰ নাম জিলিকাই আহিছে। তেওঁবিলাকৰ মুখেদি পৃথিৱীৰ সকলো সভ্য দেশে বুজিব পাৰিছে ভাৰতবাসী জাতীয়-সভ্যতা আৰু জ্ঞানচৰ্চ্চাত পাচ পৰি থকা মানুহ নহয়। এই প্ৰতিনিধিবিলাকৰ উদ্যমতে আজি ভাৰতৰ পৰা মদ, কানি আদি মাদক দ্ৰব্যৰ বেপাৰ ক্ৰমে লোপ পাই আহিছে। ঈশ্বৰক প্ৰাৰ্থনা কৰোঁহক যেন ভাৰতৰ এই উঠি অহা গৌৰৱ দিনক দিনে বাঢ়ি যায়। সভ্য দেশবাসীবিলাকৰ লগত যেন ভাৰতৰ বন্ধুতা আৰু ঘনিষ্ঠতা ডাঠ হৈ ভাৰত জননীয়ে যেন অতি কম সময়তে ব্ৰিটিছ সিংহৰ হাতৰপৰা স্বায়ত্ব শাসনৰ ভাৰ পাই জাতীয় বুৰঞ্জীত এটি নতুন সোণালী যুগৰ অধ্যায় আৰম্ভ কৰে।

শ্ৰীসুৰেশচন্দ্ৰ ঠাকুৰ।

---

## পগলা।

এদিন সোমালো পগলা-খানাত
দেখিলোঁ সোমাই গই,
যত তৰহৰ পগলাহে আছে
কত লেখ দিম মই!

সোমোৱাতে মাথো এটা পগলাই
সুধিলেহি ঘপৰাই—
"কোম্পানীৰ বাক ধনৰ দ'লেৰে
গড় বান্ধি ল'লে কেনে হয়?"

অলপ পাচতে আৰু এটা পালোঁ
সিও বোলে "কৈ যোৱা
সকলোতেকৈ বৰ লোক বাৰু
কেনেকৈ যায় হোৱা"।

অইন এটাই বোলে বিজ্ঞাই
"ধনেই নেযাবি জাহ,
সত্য ধৰমত এতিয়াও তেও
শৰণ ল-হি আহ।"



কোনোৱে সুধিলে "বিজ্ঞানৰ বাৰু
আচল গুৰিটো কত?"
দৰ্শনৰ তত্ত্ব ঘাঁটোতে ঘাঁটোতে
কোনোৱে এৰিছে তৎ।

এই মতেৰেই আৰু বলিয়াই
গাইপতি একোটাই
একোটা কথাতে লাগি থাকোতেই
আছেহি বলিয়া হৈ।

পৃথিবী খনেই পগলাৰ মেলা
পগলা মানুহবোৰ
একোটা কথাতে একোটা মানুহ
একোটা পগলা ঘোৰ।

ধনৰ জনৰ মানৰ পগলা
পগলা বা যশস্যাৰ
লিখাৰ পঢ়াৰ ধৰ্ম্মৰ পগলা
নতু কিবা কিহবাৰ;

সিইতৰ দৰে পগলা নোহোৱা
(যদি) কোনোবাই তাকে কয়,
তাকেহে সিইতে পগলা পগলা
বুলি দিয়ে ধৰি হৈ।

---

# মনুসংহিতাত তিৰোতাৰ ঠাই।*

আইন মহাজ্ঞানী মনুৱে হিন্দু-জাতিৰ কাৰণে যি বিধি ব্যৱস্থা কৰি থৈ গৈছে, তাক কুৰি শতিকাৰ সভ্যতা-ভিমানী কোনো কোনোৱে মানিব নোখোজে; কাৰণ তেওঁবিলাকৰ মতে "ৰামো নাই, সেই অযোধ্যাও নাই"। তথাপি সেইবোৰৰ আংশিকভাৱে সাৰ-মৰ্ম্ম উপলব্ধি কৰি চলিলে লাভত বাজে বোধ কৰোঁ অলাভ নাই। এইটো অস্বীকাৰ কৰিব নোৱাৰি যে শূদ্ৰৰ কাৰণে কৰা মনুৰ কঠোৰ ব্যৱস্থা বৰ্ত্তমান যুগোপযোগী নহয়। সি যিহওক তিৰোতাৰ বিষয়ে মনুৱে কি কৈ গৈছে, তাৰ সংক্ষিপ্ত আলোচনা কৰাই শিতানত অঁকা প্ৰবন্ধৰ মুখ্য উদ্দেশ্য।

মনুৰ মতে ছোৱালীৰ বাপেকে গা-ধন স্বৰূপে অলপ অচৰপ টকা লোৱাও দোষৰ কথা।

"ন কন্যায়াঃ পিতা বিদ্বান্ গৃহ্লীয়াচ্ছুল্কমণ্বপি।
গৃহ্নন্ শুল্কং হি লোভেন স্যান্নৰোঽপত্যবিক্ৰয়ী॥"
—মনু, ৩। ৫১।

অৰ্থাৎ ধনগ্ৰহণ-দোষজ্ঞ পিতাই কন্যাদানৰ নিমিত্তে অলপো 'শুল্ক' গ্ৰহণ নকৰিব; কাৰণ লোভত পৰি শুল্ক গ্ৰহণ কৰিলে অপত্যবিক্ৰয়ী হব লগীয়া হয়। গো-বধ আৰু অপত্যবিক্ৰয় (সন্তান বেচা) দুয়ো সমান উপপাতক।

"স্ত্ৰীধনানি তু যে মোহাদুপজীৱন্তি বান্ধবাঃ।
নাৰী যানানি বস্ত্ৰং বা তে পাপা যান্ত্যধোগতিম্॥"
—মনু, ৩। ৫২।

অৰ্থাৎ পিতা আদি যি বন্ধুস্থানীয়সকলে মোহত পৰি জীয়েক বা ভনীয়েকৰ স্ত্ৰীধন নাইবা সেই সম্বন্ধীয় দাসী বাহন বা কাপোৰ-কানি আদি উপভোগ কৰে, সেই পাপী পুৰুষইত অধঃপাতে যায়।

"আৰ্ষে গোমিথুনং শুল্কঃ কেচিদাহুৰ্মৃষৈব তৎ।
অল্পোঽপ্যেবং মহান্ বাপি বিক্ৰয়স্তাৱদেব সঃ॥"
—মনু, ৩। ৫৩।

*সন্মিলনৰ প্ৰবন্ধ।

অৰ্থাৎ আৰ্ষ বিবাহত যি গৰু মিথুন দৰাৰপৰা গ্ৰহণ কৰা হয়, কোনো কোনোৱে কয় সেয়েই শুল্ক ; কাৰণ অলপ বা বেচি হলেও কন্যাৰ কাৰণে যি গ্ৰহণ কৰা হয়, তাতে বিক্ৰয় সিদ্ধ হয়। কিন্তু এই উক্তি সঁচা নহয়।

"যাসাং নাদদতে শুল্কং জ্ঞাতয়ো ন স বিক্ৰয়।
অৰ্হণং তৎকুমাৰীণামানৃশংস্যঞ্চ কেৱলম্ ॥"

—মনু, ৩।৫৪।

কিন্তু দৰাঘৰীয়া মানুহে কন্যাক প্ৰীতিৰে যি দিয়ে, পিতাকহঁতে সেইবোৰ নলৈ যদি কন্যাক দান কৰে, তেন্তে তাক বিক্ৰি নোবোলে। কাৰণ, তেনে ধন কুমাৰীবিলাকৰ প্ৰতি মৰমেৰে দিয়া পূজাৰ উপহাৰ মাথোন।

"পিতৃভিৰ্ভ্ৰাতৃভিশ্চৈতাঃ পতিভিৰ্দেৱৰৈস্তথা।
পূজ্যাভূষয়িতব্যাশ্চ বহুকল্যাণমীপ্সুভিঃ ॥"

—মনু, ৩।৫৫।

অৰ্থাৎ তিৰোতাক সন্মানেৰে খাবলৈ দিয়া আৰু কাপোৰ কানিৰে সদায় ভূষিত কৰা বহুকল্যাণকামী পিতা, ভাই-ককাই, পতি আৰু দেওঁৰহঁতৰ কৰ্ত্তব্য।

মনুৱে তিৰোতাক সমাজত কিমান ওখ আসন দিছে, তলত দিয়া শ্লোকটিৰপৰা সেইটো বেচ বুজিব পাৰি। আজি কালি তিৰোতাক তেনে চকুৰে নোচোৱা কাৰণে সমাজৰ এনে অৱণতি হৈছে।

"যত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্ব্বাস্তত্ৰাফলাঃ ক্ৰিয়াঃ॥"

—মনু, ৩।৫৬।

অৰ্থাৎ যি কুলত নাৰীৰ যথোচিত সমাদৰ আছে, দেৱতাসকল তাত প্ৰসন্ন হয় আৰু যি পৰিবাৰত তিৰোতাৰ পূজা নাই, সেই পৰিবাৰত যাগ-যজ্ঞ আদি ক্ৰিয়া-কৰ্ম্ম সকলো বিফল হয়।

তিৰোতাক সুখী কৰা পুৰুষৰ কৰ্ত্তব্য। তিৰোতাৰ দুখত দুখী হোৱা মুনিহ আজিকালি অতি বিৰল। কিমান তিৰোতাই যে আজিকালি দুখত দিন নিয়াব লাগিছে, তালৈ ভ্ৰূক্ষেপ কৰোঁতা মানুহৰ লেখ কম। মনুৱে কৈছে:—

"শোচন্তি জাময়ো যত্ৰ বিনশ্যত্যাশু তৎ কুলম্।
ন শোচন্তি তু যত্ৰৈতা বৰ্দ্ধতে তদ্ধি সৰ্ব্বদা॥"

—মনু, ৩।৫৭।

অৰ্থাৎ যি পৰিয়ালৰ ভিতৰত তিৰোতাবিলাকে সদায় বেজাৰ কৰে, সেই পৰিয়াল অচিৰে ধ্বংস হয়। যঁত তিৰোতাৰ কোনো দুখ নাই, সেই পৰিয়ালৰ সদায় শ্ৰীবৃদ্ধি হয়।

"সন্তুষ্টো ভাৰ্য্যয়া ভৰ্ত্তা ভৰ্ত্ৰা ভাৰ্য্যা তথৈৱ চ।
যস্মিন্নেৱ কুলে নিত্যং কল্যাণং তৎ বৈ ধ্ৰুৱম্॥"

—মনু, ৩।৬০।

অৰ্থাৎ যি পৰিয়ালৰ ভিতৰত স্বামী স্ত্ৰী দুয়ো দুইয়ো প্ৰতি সদায় সন্তুষ্ট থাকে, সেই কুলৰ কল্যাণ নিশ্চয়ভাৱে থকাটো ধ্ৰুৱপ কথা।

এনে প্ৰীতি-ভাৱ নথকাৰপৰা ভালেমান পৰিয়ালৰ সুখ শান্তি লোপ পাইছে। পাৰিবাৰিক কল্যাণ কামনা কৰিলে দাম্পত্য-প্ৰীতিৰ আশ্ৰয় গ্ৰহন কৰা যুগুত।

"যদি হি স্ত্ৰী ন ৰোচেত পুমাংসং নপ্ৰমোদয়েৎ।
অপ্ৰমোদাৎ পুনঃ পুংসঃ প্ৰজনং ন প্ৰবৰ্ত্ততে॥"

—মনু, ৩।৬১।

অৰ্থাৎ কাপোৰ-কানি আৰু অলঙ্কাৰৰ দ্বাৰা নাৰী কান্তিমতী নহলে স্বামীৰ প্ৰমোদ জন্মাব নোৱাৰে। আকৌ স্বামীৰ প্ৰীতি জন্মাব নোৱাৰিলেও সন্তান জন্ম নহয়।

"স্ত্ৰীয়াস্তু ৰোচমানায়াং সৰ্ব্বং তদ্ৰোচতে কুলম্।
তস্যাস্ত্বৰোচমানায়াং সৰ্ব্বমেৱ ন ৰোচতে॥"

—মনু, ৩।৬২।

অৰ্থাৎ তিৰোতাই যদি কাচি-পাৰি থাকে, তেন্তে গোটেই ঘৰটো শোভা পায় আৰু তিৰোতা যদি কচি কৰ নহয়, তেন্তে গোটেই ঘৰ অশুৱনি যেন লাগে।

তিৰোতাৰ ধৰ্ম্মৰ সম্পৰ্কে মনুসংহিতাত এইবোৰ আছে:—

"বালয়া বা যুৱত্যা বা বৃদ্ধয়া বাপি যোষিতা।
ন স্বাতন্ত্ৰ্যেণ কৰ্ত্তব্যং কিঞ্চিৎকাৰ্য্যং গৃহেষ্বপি॥"

—মনু, ৫।১৪৭।



অৰ্থাৎ তিৰোতাই ( ছোৱালী হওক, বা গাভৰু হওক বা বুঢ়ীয়েই হওক, ) ঘৰত থাকি কিঞ্চিৎ কামো স্বতন্ত্ৰভাৱে কৰা উচিত নহয়।

"বাল্যে পিতুৰ্ৱশে তিষ্ঠেৎ পাণিগ্ৰাহস্য যৌৱনে।
পুত্ৰাণাং ভৰ্ত্তৰি প্ৰেতে ন ভজেৎ স্ত্ৰী স্বতন্ত্ৰতাম্॥"

—মনু, ৫।১৪৮।

অৰ্থাৎ তিৰোতা ছোৱালী কালত পিতাৰ বশত, যৌৱনত স্বামীৰ বশত আৰু স্বামী মৰিলে পুত্ৰৰ বশত থাকিব, কিন্তু কেতিয়াও স্বাধীনভাৱে নাথাকিব।

"পিত্ৰা ভৰ্ত্ৰা সুতৈৰ্ৱাপি নেচ্ছেদ্বিৰহমাত্মনঃ।
এষাং হি বিৰহেণ স্ত্ৰী গৰ্হ্যে কুৰ্য্যাদুভে কুলে॥"

—মনু, ৫।১৪৯।

অৰ্থাৎ তিৰোতাই পিতা, স্বামী বা পুত্ৰেৰে বেলেগ হৈ থাকিবলৈ কেতিয়াও চেষ্টা নকৰিব ; বেলেগে থাকিলে তেওঁ পিতৃকুল আৰু পতিকুল, দুয়ো কুল কলঙ্কিত কৰে।

এনে "কুল কলঙ্কিত কৰা" উদাহৰণৰ বৰ্ত্তমান যুগত অভাৱ নাই। সমাজ-বান্ধোন ঢিলা হলে এনে ঘটনা সৰ্ব্বসাধাৰণ হৈ পৰে। স্বামী স্ত্ৰীৰ মনান্তৰ হলে যে কথাই নাই।

"সদা প্ৰহৃষ্টয়া ভাব্যং গৃহকাৰ্য্যেষু দক্ষয়া।
সুসংস্কৃতোপস্কৰয়া ব্যয়ে চামুক্তহস্তয়া॥"

অৰ্থাৎ তিৰোতাই সদায় ৰংমনেৰে কাল কটাব, ঘৰুৱা কামত পৈণত হব; ঘৰৰ বস্তু বাহনি পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিব আৰু খৰচৰ বিষয়ত অমুক্তহস্ত হব ( মুক্তহস্তে খৰচ নকৰিব )।

"যস্মৈ দদ্যাৎ পিতা ত্বেনাং ভ্ৰাতাবানুমতে পিতুঃ।
তং শুশ্ৰূষেত জীৱন্তং সংস্থিতঞ্চ ন লঙ্ঘয়েৎ॥"

—মনু, ৫।১৫১।

অৰ্থাৎ পিতাই যাক দান কৰিছে বা পিতাৰ হুকুমমতে ককাই-ভায়ে যাক দান কৰিছে, সেই স্বামী জীয়াই থকা কালত শুশ্ৰূষা কৰা আৰু স্বামীৰ মৃত্যুৰ পাচতো তেওঁক উলঙ্ঘন নকৰা, অৰ্থাৎ ব্যভিচাৰ আদি নকৰা, তিৰোতাৰ কৰ্ত্তব্য।

"বিশীলঃ কামবৃত্তো বা গুণৈৰ্ৱা পৰিৱৰ্জ্জিতঃ।
উপচৰ্য্যঃ স্ত্ৰিয়া সাধ্ব্যা সততং দেৱৱৎ পতিঃ॥"

—মনু, ৫।১৫৪।

অৰ্থাৎ চৰিত্ৰহীন, পৰনাৰী-আশক্ত আৰু বিদ্যা আদি গুণবৰ্জ্জিত হলেও পতিক উপেক্ষা নকৰি সাধ্বী তিৰোতাই সদায় দেৱতাৰ দৰে তেওঁৰ সেৱা কৰিব।

"নাস্তি স্ত্ৰীণাং পৃথগ্ যজ্ঞো ন ব্ৰতং নাপ্যুপোষিতম্।
পতিং শুশ্ৰূষতে যেন তেন স্বৰ্গে মহীয়তে॥"

—মনু, ৫।১৫৫।

অৰ্থাৎ তিৰোতাৰ স্বামী বিনা পৃথক যজ্ঞ নাই ; স্বামীৰ অনুমতি বিনা ব্ৰত বা উপবাস নাই। তিৰোতা কেৱল পতি সেৱাৰ দ্বাৰা স্বৰ্গলৈ যায়।

"পাণি গ্ৰাহস্য সাধ্বী স্ত্ৰী জীৱতো বা মৃতস্য বা।
পতিলোকমভীপ্সন্তী নাচৰেৎ কিঞ্চিদপ্ৰিয়ম্॥"

—মনু, ৫।১৫৬।

অৰ্থাৎ স্বামী জীয়াই থাকক বা মৰক, সাধ্বী তিৰোতাই পতিলোকাভিলাষিণী হৈ কেতিয়াও তেওঁৰ অপ্ৰিয় আচৰণ নকৰিব।

"কামন্তু ক্ষপয়েদ্দেহং পুষ্পমূলফলৈঃ শুভৈঃ।
নতু নামাপি গৃহ্ণীয়াৎ পত্যৌ প্ৰেতে পৰস্য তু॥"

—মনু, ৫।১৫৭।

অৰ্থাৎ স্বামী মৰিলে তিৰোতাই বৰং ভাল ফুল-মূল-ফলৰ দ্বাৰা জীৱন কটাব, কিন্তু কেতিয়াও স্বামীৰ বাহিৰে পৰ পুৰুষৰ নামো উচ্চাৰণ নকৰিব।

এনে সাধ্বী-সতীৰ দৃষ্টান্ত আজিকালি বিৰল নহয়নে? আজি তিৰোতা-জাতি পৌৰাণিক যুগৰ আদৰ্শৰপৰা কিমান তললৈ নামিছে, ভাবিলেও মনত দুখ লাগে।

"আসীতামৰণাৎ ক্ষান্তা নিয়তা ব্ৰহ্মচাৰিণী।
যো ধৰ্ম্ম একপত্নীনাং কাঙ্ক্ষন্তী তমনুত্তমম্॥"

—মনু, ৫।১৫৮।

অৰ্থাৎ যেতিয়ালৈকে নিজৰ মৰণ নহয়, তেতিয়ালৈকে তেওঁ কষ্ট সহিষ্ণু আৰু নিয়মচাৰিণী হৈ মধু-মাংস মৈথুনাদি বৰ্জ্জনৰূপ ব্ৰহ্মচৰ্য্য অৱলম্বন কৰি, একমাত্ৰ পতিপৰায়ণা সাধ্বী স্ত্ৰীৰ যি অনুত্তম পৰম ধৰ্ম্ম তাকে

পালন কৰাত আশাশুধীয়া হব।

এনে ব্ৰহ্মচৰ্য্যৰ অভাৱতে সমাজত ভ্ৰূণ-হত্যা আদি মহাপাপ সোমাই সমাজ কলুষিত হোৱা দেখা গৈছে।

"অনেকানি সহস্ৰাণি কুমাৰ ব্ৰহ্মচাৰিণাম্।
দিবং গতানি বিপ্ৰাণামকৃত্বা কুলসন্ততিম্॥
মৃতে ভৰ্ত্তৰি সাধ্বী স্ত্ৰী ব্ৰহ্মচৰ্য্যে ব্যৱস্থিতা।
স্বৰ্গং গচ্ছত্যপুত্ৰাপি যথাতে ব্ৰহ্মচাৰিণঃ॥"

—মনু, ৫।১৫৯।১৬০।

অৰ্থাৎ বহুত হাজাৰ কৌমাৰ-ব্ৰহ্মচাৰী ব্ৰাহ্মণে সন্তান জন্ম নিদিয়াকৈয়ে নিজৰ ব্ৰহ্মচৰ্য্যৰ বলতে অক্ষয় স্বৰ্গলোক লাভ কৰিছে। তেনে ব্ৰহ্মচাৰীবিলাকৰ দৰে পুত্ৰৱতী নহলেও সাধ্বী তিৰোতাসকল একমাত্ৰ ব্ৰহ্মচৰ্য্যৰ বলতে স্বৰ্গলৈ যায়।

"ব্যভিচাৰাত্তু ভৰ্ত্তুঃ স্ত্ৰীলোকে প্ৰাপ্নোতি নিন্দ্যতাম্।
শৃগালযোনিং প্ৰাপ্নোতি পাপৰোগৈশ্চ পীড্যতে॥"

—মনু, ৫।১৬৪।

অৰ্থাৎ পৰপুৰুষ-উপভোগৰ দ্বাৰা তিৰোতা সংসাৰত নিন্দনীয়া হয়, পৰকালত শিয়ালৰ যোনিত জন্ম গ্ৰহণ কৰে আৰু নানা ৰকমৰ পাপ-ৰোগত আক্ৰান্ত হৈ বৰ কষ্ট ভোগ কৰে।

"পতিং যা নাভিচৰতি মনোবাগ্‌দেহসংযতা।
সা ভৰ্ত্তৃলোকানাপ্নোতি সদ্ভিঃ সাধ্বীতিচোচ্যতে॥"

—মনু, ৫।১৬৫।

অৰ্থাৎ যি কায়মনোবাক্যে সংযত থাকি স্বামীক অতিক্ৰম নকৰে, তেওঁ পতিলোক পায় আৰু সাধুসকলে তেওঁক সাধ্বী বুলি কলাগে।

"অনেন নাৰী বৃত্তেন মনোবাগ্‌দেহসংযতা।
ইহাগ্ৰ্যাং কীৰ্ত্তিমাপ্নোতি পতিলোকং পৰত্ৰচ॥"

—মনু, ৫।১৬৬।

অৰ্থাৎ যি তিৰোতাই এইদৰে মনোবাগ্‌দেহসংযতা নাৰীধৰ্ম্মত জীৱন যাপন কৰে, তেওঁ এই লোকত পৰম কীৰ্ত্তি লাভ কৰে আৰু পৰকালত পতিলোকলৈ গমন কৰে।

মহামতি মনু স্ত্ৰী-স্বাধীনতাৰ পক্ষপাতী নহয়। তাৰ চিন ওপৰত উদ্ধৃত কিওবা ১৪৭-৪৯নং শ্লোকতে পোৱা গৈছে। মনুৱে আৰু কৈছেঃ—

"অস্বতন্ত্ৰাঃ স্ত্ৰিয়ঃ কাৰ্য্যাঃ পুৰুষৈঃ স্বৈৰ্দ্দিবানিশম্।
বিষয়েষুচ সজ্জন্তঃ সংস্থাপ্যা আত্মনোবশে॥"

—মনু, ৯।

অৰ্থাৎ পতি আদি আপোন মানুহে দিন-ৰাতি ভিতৰত কেতিয়াও তিৰোতা-জাতিক স্বাধীন অৱস্থাত থাকিবলৈ নিদিব; বৰঞ্চ সদায় অনিষিদ্ধ ৰূপ-ৰসাদি বিষয়ত প্ৰসক্ত কৰি তেওঁবিলাকক স্বৰশত সংস্থাপন কৰিব।

"পিতা ৰক্ষতি কৌমাৰে ভৰ্ত্তা ৰক্ষতি যৌৱনে।
ৰক্ষন্তি স্থবিৰে পুত্ৰাঃ নস্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি॥"

—মনু, ৯।

অৰ্থাৎ স্ত্ৰীজাতি কুমাৰী কালত পিতাৰ দ্বাৰা, যৌৱনত পতিৰ দ্বাৰা আৰু বুঢ়া-কালত পুত্ৰৰ দ্বাৰা ৰক্ষণীয়, তেওঁবিলাক কেতিয়াও স্বাধীনভাৱে থাকিবৰ যোগ্য নহয়।

"সূক্ষ্মেভ্যোঽপি প্ৰসঙ্গেভ্যঃ স্ত্ৰিয়ো ৰক্ষ্যা বিশেষতঃ।
দ্বয়োৰ্হি কুলয়োঃ শোকমাৱহেয়ুৰৰক্ষিতাঃ॥"

—মনু, ৯।

অৰ্থাৎ স্ত্ৰীজাতি অতি সামান্য দুঃসঙ্গৰপৰাও ৰক্ষণীয়া; কাৰণ, সেই বিষয়ে অৱহেলা কৰিলে সেই তিৰোতা পিতৃ-পতি দুয়ো কুলৰে বেজাৰৰ কাৰণ হয়।

"ইমং হি সৰ্ব্ববৰ্ণানাং পশ্যন্তো ধৰ্ম্মমুত্তমম্।
যতন্তে ৰক্ষিতুং ভাৰ্য্যাং ভৰ্ত্তাৰো দুৰ্ব্বলা অপি।"

অৰ্থাৎ ভাৰ্য্যাৰক্ষণ ধৰ্ম্ম সকলো ধৰ্ম্মতকৈ শ্ৰেষ্ঠ। ইয়াকে জানি বৰ্ণ মাত্ৰৰে কৰ্ত্তব্য, কি দুৰ্ব্বল, কি সবল, কি বুঢ়া কি যৌৱা, সকলোৱেই নিজ নিজ ভাৰ্য্যা-ৰক্ষা বিধানত যেন যত্নৱান হয়।

"স্বাং প্ৰসূতিং চৰিত্ৰঞ্চ কুলমাত্মানমেৱ চ।
স্বঞ্চ ধৰ্ম্মং প্ৰযত্নেন জায়াং ৰক্ষন্ হি ৰক্ষতি॥"

—মনু, ৯।

অৰ্থাৎ ভাৰ্য্যাৰ সুৰক্ষা-বিধানত যি মানুহ যত্নৱান হয়, তেওঁ তাৰ দ্বাৰা নিজ বংশ পৰম্পৰা আত্মচৰিত্ৰ আৰু ধৰ্ম্ম, এই আটাইখিনি ৰক্ষা কৰে।



কামিনীসকলৰ সৌন্দৰ্য্য বিচাৰ, পুনৰ্ব্বিবাহ আদিৰ সম্পৰ্কে আৰু ভালেমান কথাৰ উল্লেখ আছে; কিন্তু বাহুল্যৰ ভয়ত সেইবোৰ অপ্ৰিয় শ্লোক বাদ দি প্ৰবন্ধৰ সামৰণি মৰা হল।

শ্ৰীমহানন্দ বৰুৱা।

---

# হিন্দু দৰ্শন। *

অতি বিশাল, অতি মহান সাগৰৰ বুকত যেনেকৈ অনেক ডাঙৰ অলেখ ঢৌ লালী পাতি ক্ষণে ক্ষণে আবিভূ্ৰ্ত হয় আৰু ক্ষণে ক্ষণে নোহোৱা হয়, তেনেকৈ বিশাল মানৱ মনতো নানা প্ৰকাৰৰ অলেখ চিন্তাৰ ঢৌ ক্ষণে ক্ষণে আবিভূ্ৰ্ত হয় আৰু ক্ষণে ক্ষণে নাইকিয়াও হয়। এই চিন্তাৰ তৰঙ্গবিলাক যদিও ক্ষণে ক্ষণে বিনাশ প্ৰাপ্ত হয়, যদিও সিহঁতৰ ভিতৰত এটাৰ লগত আনটোৰে দেখোঁতে কোনো সাদৃশ্য বা সম্বন্ধ দেখা নেযায়, তথাপি এই চিন্তা-ধাৰাৰ এটা সূক্ষ্মাতিসূক্ষ্ম ঐক্য আছে। পাৰ্ব্বত্য নদীৰ স্ৰোতপ্ৰবাহ যেনেকৈ এক উদ্দেশ্যে বা এক লক্ষ্যাভিমুখে তাৰ মন্থৰ গতিৰে একেৰাহে বৈ গৈ থাকে আৰু নিজৰ পথৰ প্ৰবল বাধা বিঘ্নৰ প্ৰতিও ভ্ৰূক্ষেপ নকৰে, যিমানেই প্ৰবল বাধা উপস্থিত নহওক লাগে, তাকো গণিতা নকৰে, সেইদৰে মানৱ হৃদয়ৰ এই চিন্তা প্ৰবাহো আদি নজনাকৈ এক লক্ষ্য বা এক উদ্দেশ্য সাধনৰ বাবে একেৰাহে একে বাট ধৰি চলি থাকে। আৰু সেই উদ্দেশ্য সাধনৰ বাবেই সকলো বাধা বিঘ্ন গণিতালৈ নানি একেৰাহে যত্ন কৰি থাকে। এয়ে চিন্তা জগতৰ অপৰিবৰ্ত্তনশীল পদ্ধতি। আৰু চিন্তা জগতৰ এই লৰচৰ নোহোৱা পদ্ধতিয়েই দাৰ্শনিক চিন্তা আৰু দৰ্শন শাস্ত্ৰ আবিৰ্ভাৱৰ মূল ভিত্তি।

অতি প্ৰাচীন কালত ভাৰতীয় মনস্বী লোকসকলৰ বুদ্ধি প্ৰশান্ত আৰু মন নিৰ্ম্মল আছিল। তেওঁলোকৰ মনত কোনো সন্দেহবাদৰ কথাই ঠাই নাপাইছিল। তেওঁলোক বৈদিক ধৰ্ম্মৰূপ কল্প-পাদপৰ স্নিগ্ধ ছাঁয়াত থাকিয়েই শান্তি লাভ কৰিছিল। বেদৰ আদেশবিলাক অবিচলিত চিত্তে পালন কৰিছিল। তাত দ্বিধা বা সংশয় সমূলি নাছিল। গতিকে, সেই সময়ত ভাৰতীয় মনস্বী লোকসকলে দৰ্শনশাস্ত্ৰৰ ( যুক্তিতৰ্কমূলক ) আলোচনাৰ কোনো আৱশ্যকতা অনুভৱ কৰা নাছিল। কিন্তু দাৰ্শনিক মতবাদ হলে তেওঁলোকৰ মাজত প্ৰচলিত আছিল। তাৰ পিচত কালক্ৰমে যেতিয়া নানা প্ৰকাৰ সংশয়বাদৰ কুৰ্ঁলীয়ে মানুহৰ মন আৰু বুদ্ধি আবৰি পেলালে, মানুহে যেতিয়া সকলো কথাৰ কাৰণ অনুসন্ধানত লাগিল, বৈদিক ধৰ্ম্মছায়াই যেতিয়া মানুহক শান্তি দিব নোৱাৰা হল, সাংসাৰিক জীৱে যেতিয়া নাস্তিকতাৰ প্ৰবল প্ৰতাপত সুখ শান্তি হেৰুৱাই হাহাকাৰ কৰি ফুৰিব ধৰিলে, এনে কি সংশয়বাদ আৰু নাস্তিকতাৰ প্ৰচণ্ড তাপত সামাজিক সকলো সুখ শান্তি নষ্ট হবৰ উপক্ৰম হল, তেতিয়া সাংসাৰিক জীৱক ঘোৰ অশান্তিৰপৰা মুক্তি দিবলৈ আৰু সামাজিক শৃঙ্খলা ৰক্ষাৰ বাবে, গৌতম, কণাদ, কপিল, পাতঞ্জলি, জৈমিনি আৰু মহৰ্ষি বেদব্যাসে ক্ৰমান্বয়ে ন্যায়, বৈশেষিক, সাংখ্য, পাতঞ্জল পূৰ্ব্বমীমাংসা ( বেদান্ত ) এই ছখন দৰ্শন শাস্ত্ৰ ৰচনা কৰি ভাৰতবৰ্ষত আকৌ জ্ঞানৰ প্ৰদীপ জ্বলাই সকলো অজ্ঞান সকলো অন্ধকাৰ, সকলো পাপ তাপ সকলো অশুভ দূৰ কৰিলে।

ওপৰত উল্লেখ কৰা এই ছখনক আস্তিক দৰ্শন বোলে। অৰ্থাৎ উক্ত ছখন দৰ্শন শাস্ত্ৰই মৃত্যুৰ পিচতো আত্মাৰ অস্তিত্ব, পৰলোক, পৰজন্ম আৰু পূৰ্ব্বজন্ম প্ৰভৃতি

* সম্মিলনৰ প্ৰবন্ধ।

স্বীকাৰ কৰে। ইয়াৰ বাহিৰে নাস্তিক দৰ্শনো ছখন আছে। নাস্তিক দৰ্শন কেইখনে মৃত্যুৰ পিচত আত্মাৰ অস্তিত্ব, পূৰ্ব্বজন্ম, পৰজন্ম, পৰলোক প্ৰভৃতিৰ কথা স্বীকাৰ নকৰে। নাস্তিক দৰ্শনবিলাকৰ মতে মৃত্যুৰ পিচত আত্মা বুলি কোনো পদাৰ্থ নাথাকে। গতিকে, পৰলোকত পাপ পুণ্যৰ ফলভাগীও কোনো নাই। সেই দেখি—

"যাবৎ জীবেৎ সুখং জীবেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ॥"

সৰ্ব্ব দৰ্শন সংগ্ৰহ কৰোঁতা মাধৱাচাৰ্য্যই তেওঁৰ গ্ৰন্থত মুঠতে ১৫ খন দৰ্শন শাস্ত্ৰৰ নাম উল্লেখ কৰিছে। এই আটাইবিলাক ভাৰতীয় দৰ্শন শাস্ত্ৰ। এই ভাৰতীয় দৰ্শনৰ অন্তৰ্গত বৌদ্ধ দৰ্শন বা জৈন দৰ্শনকাৰসকলৰ গ্ৰন্থও হিন্দুদৰ্শন। এই সকলোবিলাক দৰ্শনৰ মূল ভাব বেদৰপৰা (উপনিষদৰপৰা) পোৱা। এনে কি বৌদ্ধবিলাকৰ শূন্যবাদৰ আভাসো উপনিষদত আছে। "অসদেৱ ইদমগ্ৰ আসীৎ।"

ওপৰত নাম উল্লেখ কৰা ছখন দৰ্শনক তথন ছখনকৈ মুঠতে তিনি ভাগ কৰিব পাৰি। এনেদৰে ভাগ কৰিলে প্ৰথম ভাগৰ নাম হব ন্যায়। গৌতমৰ ন্যায় আৰু কণাদৰ বৈশেষিক দৰ্শন এই ন্যায় ভাগৰ অন্তৰ্গত। দ্বিতীয় ভাগ সংখ্য। এই ভাগত পৰে কপিল মুনিৰ সাংখ্য দৰ্শন আৰু পাতঞ্জলিৰ পাতঞ্জল দৰ্শন। তৃতীয় ভাগৰ নাম হব মীমাংসা। এই ভাগত পৰিব জৈমুনীৰ পূৰ্ব্বমীমাংসা আৰু বাদৰায়ণ ব্যাসৰ উত্তৰ মীমাংসা (বেদান্ত) দৰ্শন। ছখন দৰ্শনকে এনেদৰে ভাগ কৰি তিনি ভাগ কৰাৰ হেতু আছে। সেই হেতু তলত উল্লেখ কৰা হল।

শাস্ত্ৰবিচাৰত তিনি প্ৰকাৰ সিদ্ধান্ত আছে। স্বতন্ত্ৰ সিদ্ধান্ত, প্ৰতিতন্ত্ৰ সিদ্ধান্ত আৰু সমান তন্ত্ৰ সিদ্ধান্ত। এই তিনটা সিদ্ধান্ত তিনি প্ৰকাৰ শাস্ত্ৰগত। নিজ শাস্ত্ৰগত সিদ্ধান্তক স্বতন্ত্ৰ সিদ্ধান্ত বোলে। বিৰোধী শাস্ত্ৰগত সিদ্ধান্তক প্ৰতিতন্ত্ৰ সিদ্ধান্ত বোলে আৰু সমান শাস্ত্ৰগত সিদ্ধান্তক সমতন্ত্ৰ সিদ্ধান্ত বোলে। ন্যায় আৰু বৈশেষিক সমতন্ত্ৰ সিদ্ধান্তমূলক। সমতন্ত্ৰৰ গ্ৰন্থ, সেইদেখি এই দুখনক ন্যায় ভাগৰ অন্তৰ্গত কৰা হৈছে। এই দুখন দৰ্শনৰ ভিতৰত বিশেষ মতভেদ নাই। দুয়োখন পৰমাণুবাদী। বৈশেষিক দৰ্শনত কোনো সিদ্ধান্ত থাকি আৰু সেই সিদ্ধান্ত যদি ন্যায় দৰ্শনৰ কোনো স্পষ্ট কথা লগত অমিল নহয়, তেনেহলে সেই সিদ্ধান্তক ন্যায় দৰ্শন সিদ্ধান্ত বুলিও গ্ৰহণ কৰিব পাৰি। এইদৰে সাং পাতঞ্জলো সমতন্ত্ৰ সিদ্ধান্তমূলক সমতন্ত্ৰৰ গ্ৰন্থ। দুয়ো প্ৰকৃতি পুৰুষ আৰু পঞ্চবিংশতি তত্ত্বাত্মক। তাৰ পিচ পূৰ্ব্ব-মীমাংসা আৰু উত্তৰ-মীমাংসা এই দুখনো সমতন্ত্ৰ সিদ্ধান্তমূলক সমান তন্ত্ৰৰ গ্ৰন্থ। এই দুখন দৰ্শনৰ পূ আৰু উত্তৰ এই বিশেষণ দুটাৰ পৰাও সুন্দৰকৈ বুজা যায় যে এই দুখন দৰ্শনশাস্ত্ৰ একেখন শাস্ত্ৰৰে প্ৰথম আৰু দ্বিতীয় ভাগ বা পূৰ্ব্ব আৰু পৰ খণ্ড। শ্ৰীভা প্ৰণেতা আচাৰ্য্য ৰামানুজ স্বামীপাদেও পূৰ্ব্ব-মীমাংসা আৰু উত্তৰ-মীমাংসা শাস্ত্ৰক একেখন শাস্ত্ৰৰে দুটি বুলি মত প্ৰকাশ কৰিছে। এই দুখন দৰ্শনেই বেদবাক্য প্ৰকৃত অৰ্থ প্ৰকাশ কৰিছে। পূৰ্ব্ব-মীমাংসাই কৰ্ম্মকাণ্ড মূলক বেদ ভাগৰ আৰু উত্তৰ-মীমাংসা দৰ্শনে ব্ৰহ্মতত্ত্ব মূলক বেদ ভাগৰ আলোচনা কৰিছে।

দৰ্শন শাস্ত্ৰবিলাকক আৰু দুই ভাগে বিভাগ কৰিব পাৰি। সেইদৰে ভাগ কৰিলে এক ভাগৰ নাম হব শ্ৰৌত দৰ্শন আৰু আন ভাগৰ নাম হব স্মাৰ্ত্ত দৰ্শন। যিবিলাক দৰ্শন শ্ৰুতি অৰ্থাৎ বেদবাক্যৰ অবিৰোধী মীমাংসা, আৰু বেদ প্ৰণিহিত তত্ত্ব নিৰূপণৰ বাবে ৰচি সেইবিলাক দৰ্শনক শ্ৰৌত দৰ্শন বোলে। প্ৰধানত পূৰ্ব্ব-মীমাংসা আৰু উত্তৰ-মীমাংসাই (বেদান্ত) শ্ৰৌত দৰ্শন। এই দুখন দৰ্শনশাস্ত্ৰ প্ৰধানতঃ শ্ৰুতি বা ওপৰত নিৰ্ভৰ কৰিয়েই ৰচিত হৈছে। আন চাৰি দৰ্শনক স্মাৰ্ত্ত দৰ্শন বোলে। স্মাৰ্ত্ত দৰ্শনত শ্ৰুতিবাক্য শ্ৰুত্যাৰ্থ স্মৰণ পূৰ্ব্বক লোকব্যৱহাৰিক যুক্তি-তৰ্কৰ দ্বাৰা তত্ত্ব নিৰূপণৰ চেষ্টাকে প্ৰবল দেখা যায়। কেৱল মাজে নিজৰ মতৰ পৰিপোষক ৰূপে শ্ৰুতিবাক্যৰ প্ৰয়োগ কৰিছে। শ্ৰুতি আৰু স্মৃতিৰ যি অৰ্থ, ৰণতঃ শ্ৰৌত দৰ্শন আৰু স্মাৰ্ত্ত দৰ্শনবো সেয়ে শ্ৰুতিৰ অৰ্থ বেদ পূৰ্ব্বেই উল্লেখ কৰা হৈছে। স্মৃতিৰ



বেদৰ বাহিৰে ঋষিপ্ৰণীত আন গ্ৰন্থ।

ভাৰতীয় দৰ্শন শাস্ত্ৰবিলাক, গৌতম, কণাদ, ব্যাস, জৈমুনি প্ৰভৃতি ঋষিসকলৰ দ্বাৰা ৰচিত হলেও এই দৰ্শন শাস্ত্ৰবিলাকৰ মতবাদ ঋষিসকলৰ স্বকপোল কল্পিত নহয়। গৌতম, কণাদ, কপিল প্ৰভৃতি ঋষিসকলৰ আবিৰ্ভাবৰ বহু পূৰ্ব্বৰপৰা এই মতবাদবিলাক এনে বিস্তাৰ-বিতৰ্কৰূপে নহলেও, ভাৰতীয় সুধী সমাজত প্ৰচলিত আছিল। আত্মা, জগৎ, প্ৰাণ, ব্ৰহ্ম, চিৎ, অচিৎ, ব্ৰহ্ম-মোক্ষ প্ৰভৃতিৰ দাৰ্শনিক চিন্তাবিলাক এক শ্ৰেণীৰ মুনি-বিলাকৰ সৰ্ব্বদাই আলোচ্য বিষয় আছিল। বেদতো দাৰ্শনিক চিন্তাৰ কথা আছে। বেদৰ উপনিষদ ভাগত যিবোৰ দাৰ্শনিক কথা যিবোৰ যুক্তি-তৰ্কৰ সহায় লৈ নিৰূপণ কৰিছে, সেইবোৰ যুক্তি-তৰ্ক আৰু দৃষ্টান্ত আধুনিক বৈজ্ঞানিক যুগতো উৎকৃষ্টতম আৰু বিচাৰসহ। উপনিষদ ভাগৰ বাহিৰে বেদৰ মন্ত্ৰ বা সংহিতা ভাগতো দাৰ্শনিক চিন্তাৰ কথা আছে; কিন্তু মন্ত্ৰভাগৰ দাৰ্শনিক কথা-বিলাক তেনে বিস্তাৰিত ৰূপৰ নহয়। উপনিষদবিলাকত যে দাৰ্শনিক চিন্তাবিলাকে যথেষ্টৰূপে বিস্তৃতি লাভ কৰিছিল, তাক বৃহদাৰণ্যক আৰু ছান্দোগ্য প্ৰভৃতি উপনিষদ আলোচনা কৰিলেই ভালদৰে বুজিব পাৰি। উপনিষদবিলাকত দাৰ্শনিক চিন্তাৰ কি ভাবে আলোচনা আৰম্ভ হল তাৰ আভাসমাত্ৰ, বুজিবৰ অৰ্থে কেনো-পনিষদৰ প্ৰথম শ্লোকটি তলত উদ্ধৃত কৰা হল।

"কেনেষিতং পততি প্ৰেষিতং মনঃ,
কেন প্ৰাণঃ পততি প্ৰৈতিযুক্তঃ।
কেনেষিতাং বাচমিমাং বদন্তি,
চক্ষুঃ শ্ৰোত্ৰং কউ দেবো যুনক্তি॥"

ভাবাৰ্থঃ—

কাৰ ইচ্ছা অনুসাৰে মনে নিজৰ বিষয়ত গমন কৰে? কাৰ নিয়োগমতে প্ৰাণে নিজৰ কৰ্ত্তব্য সম্পাদন কৰে? কাৰ ইচ্ছা অনুসাৰেনো মানুহে এই বাক্য উচ্চাৰণ কৰে? কোন দেৱতাইনো চক্ষু, কৰ্ণ প্ৰভৃতিক নিজ নিজ বিষয়ত নিযুক্ত কৰে?

উপনিষদবিলাকত দাৰ্শনিক সত্য তত্ত্ববিলাকৰ কথা আৰু সেই সম্বন্ধে সাধাৰণ যুক্তি, তৰ্ক, দৃষ্টান্ত প্ৰভৃতিৰ যদিও উল্লেখ আছে, তথাপি সেই সময়ৰ সামাজিক অৱস্থাৰ গতিকে সেই তত্ত্ববিলাকৰ সম্বন্ধে আধুনিক পৰীক্ষা প্ৰণালী অৱলম্বন কৰা হোৱা নাছিল। বিশেষতঃ স্বাভাৱিক সত্যবিলাক অকাৰণতে তৰ্কৰূপ কষতি-শিলত ঘঁহি ঘঁহি কুশাগ্ৰ-বুদ্ধি পণ্ডিতসকলৰ বিদ্যা-বুদ্ধিৰ কছৰৎ দেখুৱাবৰো কোনো প্ৰয়োজন নাছিল। পিচত যেতিয়া সমাজত সংশয়বাদৰ বিস্তৃতি ঘটিল, বিনা তৰ্কে বিনা প্ৰমাণে কোনেও কাৰো কথা নমনা হল, আপ্ত বাক্যত বিশ্বাস হেৰুৱালে, তেতিয়াহে আচলতে আধুনিক দৰ্শনশাস্ত্ৰৰ পূৰ্ণ প্ৰতিষ্ঠা স্থাপিত হল। বহিৰ্মুখ মানৱ সমাজক নানা যুক্তি-তৰ্কৰ সহায়েৰে আত্মা, প্ৰাণ, ব্ৰহ্ম, মোক্ষ, জীৱ, জগৎ, পৰলোক, পৰজন্ম প্ৰভৃতিৰ বিষয় বিশদৰূপে বুজাই অন্তৰ্মুখ কৰিবৰ চেষ্টা কৰা হল।

হিন্দুৰ দৰ্শন শাস্ত্ৰবিলাকৰ মতভেদ থাকিলেও আচল লক্ষ্য সম্বন্ধে সকলো দৰ্শনৰে একে মত। সকলো হিন্দু দৰ্শন শাস্ত্ৰৰে আচল লক্ষ্য বা উদ্দেশ্য হৈছে ত্ৰিতাপদগ্ধ মানৱ সমাজক মুক্তিৰ উপদেশ দিয়া আৰু মানৱৰ মুক্তি লাভৰ পথ নিৰ্দ্দেশ কৰা। পথ সম্বন্ধে পৰস্পৰৰ ভিতৰত মতভেদ থাকিলেও আচল গন্তব্য স্থান সকলোৰে একে। আৰু এই কথাটিতো সকলো দৰ্শন শাস্ত্ৰৰে একে মত যে পূৰ্ণজ্ঞান নহলে কোনেও মুক্তিৰ অধিকাৰী হব নোৱাৰে; "জ্ঞানাৎ মুক্তিঃ"—

সুখ ভোগৰ কাৰণেই মানৱৰ জন্ম। মানৱ সমাজ সুখৰ নিমিত্তেই লালায়িত। সুখ লাভৰ অৰ্থে মানুহে লৌকিক দৃষ্ট উপায়ৰ দ্বাৰা না না প্ৰকাৰ চেষ্টা যত্ন কৰিও অবিমিশ্ৰ সুখ ভোগ কৰিব নোৱাৰে। দৃষ্ট লৌকিক উপায়ৰ দ্বাৰা যত প্ৰকাৰ সুখ ভোগ নকৰক, পৰিণামত বা শেষত গৈ সি দুখহে আনে। সেইদেখি সকলো হিন্দু দৰ্শনেই অবিমিশ্ৰ সুখ লাভৰ কাৰণে মানৱ সমাজক উপদেশ দিছে যে :— জ্ঞানৰ পৰা জীৱে মুক্তিলাভ কৰিব পাৰে। আৰু মুক্ত জীৱহে অবিমিশ্ৰ সুখৰ অধিকাৰী। এই জ্ঞান লাভৰ প্ৰণালী

বা পন্থা দৰ্শন শাস্ত্ৰবিলাকত ভিন ভিন ৰূপে নিৰ্দ্দেশ কৰা আছে। অধিকাৰ আৰু ৰুচিভেদে ভিন ভিন লোকে ভিন ভিন পন্থা গ্ৰহণ কৰিব পাৰে।

এই বিচিত্ৰ সংসাৰত কত যে বিচিত্ৰ বিচিত্ৰ বিষয় আৰু বস্তু আছে, কোনেও তাৰ সংখ্যা নিৰ্দেশ কৰিব নোৱাৰে। এই যে অসংখ্য বিষয় আৰু অসংখ্য বস্তু, ইয়াৰ বিষয় জ্ঞান লাভ কৰা মানৱৰ পক্ষে অসম্ভৱ। অথচ পূৰ্ণজ্ঞান নজন্মিলে মানুহ মুক্ত বা অবিমিশ্ৰ সুখৰ অধিকাৰী হব নোৱাৰে। সেইদেখি প্ৰত্যেক দাৰ্শনিকে চেষ্টা কৰিছে এনে এক বা একাধিক পদাৰ্থ নিৰূপণ কৰিবলৈ, যাক জানিলে জগতত জানিবলৈ আৰু একো বাকী নেথাকে; যাৰ জ্ঞান হলে জাগতিক সকলো পদাৰ্থৰে জ্ঞান হব পাৰে। এই উদ্দেশ্যে মহৰ্ষি গৌতমে ন্যায় দৰ্শনত (প্ৰাচীন) ষোলটা পদাৰ্থৰ আবিষ্কাৰ কৰিছে। গৌতমৰ মতে এই ষোল পদাৰ্থৰ জ্ঞান হলেই মানুহ পূৰ্ণজ্ঞানী হব পাৰে। তেওঁৰ আৰু জানিবলৈ একো বাকী নেথাকে। গৌতমৰ পিচত ঋষি কণাদৰ কথা। গৌতমে ষোল পদাৰ্থৰ দ্বাৰা যি কাৰ্য্য সাধন কৰিছে, কণাদে তাত মাত্ৰ ছটি পদাৰ্থেৰে সেই কাৰ্য্য সমাধা কৰিছে, অৰ্থাৎ কণাদৰ মতে ছটি পদাৰ্থৰ জ্ঞান জন্মিলেই মানুহ পূৰ্ণজ্ঞানী হৈ মুক্তিৰ অধিকাৰী হব পাৰে। কণাদৰ পিচত ভগৱান কপিলৰ কথা। কণাদে য'ত ছয় পদাৰ্থ স্বীকাৰ কৰি জাগতিক সকলো ব্যাপাৰৰ মীমাংসা কৰিছে, কপিলে তাত মাত্ৰ প্ৰকৃতি পুৰুষ এই দুই পদাৰ্থৰ দ্বাৰাই সেই সকলো বিষয় সুন্দৰৰূপে মীমাংসা কৰিছে। অৰ্থাৎ কপিলৰ মতে প্ৰকৃতি-পুৰুষৰ জ্ঞান জন্মিলেই মানুহে মোক্ষ লাভ কৰে আৰু পৰম সুখৰ অধিকাৰী হব পাৰে। পাতঞ্জলিয়ে কপিলৰ মতকে বিস্তৃত কৰিছে মাত্ৰ। অৰ্থাৎ কপিলৰ দৰ্শনত যি কথা উক্ত হোৱা নাই তাকে মাত্ৰ উক্ত কৰিছে। তাৰ পিচত জৈমিনিৰ কথা। জৈমিনিয়ে প্ৰধানৰূপে কৰ্ম্ম আৰু অদৃষ্টৰ বিষয়হে আলোচনা কৰিছে। সৰশেষত ভগৱান বেদ-ব্যাসৰ কথা। ভগৱান বেদব্যাসে বেদান্ত দৰ্শনত মাত্ৰ এক ব্ৰহ্ম পদাৰ্থকে স্বীকাৰ কৰিছে। ব্ৰহ্ম সত্তাই জগতৰ সত্তা। বেদব্যাসৰ মতে এক ব্ৰহ্ম পদাৰ্থৰ জ্ঞান হলে জগতত জানিবলৈ আৰু একো অৱশিষ্ট নেথাকে। ব্ৰহ্মজ্ঞ লোক সৰ্ব্বজ্ঞ আৰু মুক্ত। য'ত গৌতমে ষোল পদাৰ্থৰ দ্বাৰা, কণাদে ছয় পদাৰ্থৰ দ্বাৰা আৰু কপিলে দুই পদাৰ্থৰ দ্বাৰা জাগতিক জ্ঞান আৰু মুক্তিৰ পথ নিৰ্দেশ কৰিলে, বেদব্যাসে মাত্ৰ তাত এক ব্ৰহ্ম পদাৰ্থৰ দ্বাৰা জাগতিক জ্ঞান আৰু মুক্তিৰ পথ নিৰ্দেশ কৰি দাৰ্শনিক চিন্তাৰ পৰাকাষ্ঠাৰ পৰিচয় দি চিন্তা জগতত জগতৰ সুধী সমাজক বিস্ময়বিমুগ্ধ কৰিলে।

দৰ্শনশাস্ত্ৰবিলাকৰ ভিতৰত যে কোনখন আগেয়ে ৰচিত হৈছিল আৰু কোন খনেই বা পিচত ৰচিত হৈছিল, তাক স্থিৰ কৰি কোৱা বৰ টান কথা। আমাৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ অজ্ঞ লোকৰ কথা দূৰৈত থাওক, মহামহোপাধ্যায় পণ্ডিতসকলো এই বিষয়ত একমত হব পৰা নাই। প্ৰত্যেক দৰ্শনতে প্ৰত্যেক দৰ্শনৰ মত-বাদৰ উল্লেখ দেখিবলৈ পোৱা যায়। সেইদেখি এনে গুৰুতৰ বিষয়ৰপৰা দূৰৈত থকাই আমাৰ পক্ষে যুক্তি যুক্ত হব বুলি ভাবি এই বিষয়ৰ আলোচনাৰপৰা বিৰত হোৱা গল। দৰ্শন শাস্ত্ৰবিলাকৰ পূৰ্ব্বাপৌৰ্ব্য নিৰ্ণয় কৰা টান হলেও আৰু এই সম্বন্ধে সকলো পণ্ডিতৰ মত একে নহলেও এই সম্বন্ধে প্ৰায় পণ্ডিতৰে মতভেদ নাই যে, বেদান্ত দৰ্শন আন সকলো দৰ্শনৰ পিচত ৰচিত। বেদান্ত দৰ্শনৰ উত্তৰ মীমাংসা এই নামটিৰ উত্তৰ এই বিশেষণ পদটিৰ দ্বাৰাইও এই কথা সমৰ্থন কৰিব পাৰি। বেদান্ত দৰ্শন যে সৰশেষত ৰচিত, এই সম্বন্ধে আৰু এক আমাৰ কথা তলত উনুকিওৱা হল।

মানুহৰ জ্ঞান, বিদ্যা-বুদ্ধি, সকলো ক্ৰমে ক্ৰমে স্থূলৰ পৰা সূক্ষ্মলৈ যায়। আন আন দৰ্শনতকৈ বেদান্ত দৰ্শনৰ যুক্তি তৰ্ক আৰু চিন্তা-প্ৰণালী যে সূক্ষ্ম, সি দাৰ্শনিক সকলৰ মাজত জনাজাত কথা। আন আন দৰ্শনত যত ষোল, ছয় আৰু দুই পদাৰ্থৰ দ্বাৰা কাৰ্য্য সিদ্ধি কৰিছে, বেদান্ত দৰ্শনে তাত মাত্ৰ এক পদাৰ্থৰ দ্বাৰা সেই কাৰ্য্য সুন্দৰৰূপে সিদ্ধ কৰিছে। ষোল, ছয় বা দুই পদাৰ্থৰ দ্বাৰা কাৰ্য্য সিদ্ধি কৰাতকৈ যে মাত্ৰ



এক পদাৰ্থৰ দ্বাৰা কাৰ্য্য সিদ্ধি কৰা সূক্ষ্মতম, তাক নকলেও হব। আগে স্থূল জ্ঞান হলে পাচে সূক্ষ্ম জ্ঞান হয়। ইয়াৰ বিপৰীত হব নোৱাৰে। সেই দেখিও বেদান্ত দৰ্শন আন দৰ্শনতকৈ পিচত ৰচিত হোৱা বুলি সিদ্ধান্ত কৰিলে একো ভুল হব নোৱাৰে।

হিন্দুৰ সকলো শাস্ত্ৰ তিনি ভাগত বিভক্ত। সেই তিনি ভাগৰ নাম হৈছে যেনেঃ— ১। কান্তা সম্মিত ২। প্ৰভু সম্মিত ৩। সুহৃদ সম্মিত। কাব্য নাটকাদি গ্ৰন্থ কান্তা সম্মিত। কাব্য নাটকাদিৰ আনন্দ জনক ৰমণীয় বাক্যসকল কান্তাৰ অৰ্থাৎ প্ৰিয় জনৰ লগত উপভোগ্য। বেদাদি গ্ৰন্থ প্ৰভু সম্মিত। প্ৰভুৰ আদেশ যি দৰে অবিচাৰে পালনীয়, বেদাদি গ্ৰন্থৰ আদেশো সেই দৰে অবিচাৰে পালনীয়। দৰ্শন শাস্ত্ৰবিলাক হৈছে সুহৃৎ সম্মিত। অন্তৰঙ্গ বন্ধুৰ লগত যি দৰে সকলো কথাকে নানা প্ৰকাৰ যুক্তি-তৰ্কৰ দ্বাৰা আলোচনা কৰিহে স্থিৰ কৰা হয়, দৰ্শন শাস্ত্ৰৰ সিদ্ধান্তবিলাকো সেইদৰে নানা প্ৰকাৰ যুক্তি-তৰ্কৰ সহায় লৈহে স্থিৰ কৰা হয়। এই কাৰণেই দৰ্শন শাস্ত্ৰ আন আন শাস্ত্ৰতকৈ শ্ৰেষ্ঠ। কথিত আছে:—

"প্ৰদীপঃ সৰ্ব্ববিদ্যানামুপায়ঃ সৰ্ব্বকৰ্ম্মনাম্।
আশ্ৰয়ঃ সৰ্ব্বধৰ্ম্মানাং বিদ্যোদ্দেশে প্ৰকীৰ্ত্তিতা।"

এই শ্লোকত তৰ্ক-বিদ্যাক সকলো বিদ্যাৰে প্ৰদীপ, সকলো কৰ্ম্মৰে উপায় আৰু সকলো ধৰ্ম্মৰে আশ্ৰয় স্বৰূপ বুলি ব্যাখ্যা কৰিছে।

হিন্দু দৰ্শন সম্বন্ধে অতি সংক্ষেপে সাধাৰণ দুই চাৰি কথা কোৱা হল। এইখিনি কথাৰে আচলতে হিন্দু দৰ্শন প্ৰবন্ধৰ পাতনিহে পতা হল। ইয়াৰ পিচত ক্ৰমান্বয়ে ন্যায়, সাংখ্য, পাতঞ্জল, বৈশেষিক, মীমাংসা আৰু বেদান্ত দৰ্শন সম্বন্ধে আলোচনা কৰিলেহে এই প্ৰবন্ধৰ সামৰণি পৰে। কিন্তু তেনে কৰিব খুজিলে প্ৰবন্ধ অতি বিস্তৃত হৈ পৰে। সেই দেখি এই প্ৰবন্ধত আন আন দৰ্শনৰ কথা সমূলি উল্লেখ কৰা নহল। তলত লিখা কাৰণে বয়সত সৰ্ব্বকনিষ্ঠ হলেও, গৌৰৱত সৰ্ব্বজ্যেষ্ঠ বেদান্ত দৰ্শনৰ বিষয় দুটা এটা কথা নোকোৱাকৈ এই প্ৰবন্ধৰ সামৰণি মাৰিব নোৱাৰি।

আন আন দৰ্শন শাস্ত্ৰ পৰিত্যাগ কৰি বেদান্তৰ বিষয়ে দুটা এটা কথা কব খোজাৰ বিশেষ কাৰণ এই যে মীমাংসা আৰু বেদান্ত দৰ্শনৰ বাহিৰে আন আন দৰ্শন সম্পূৰ্ণ-বেদানুগত নহয়। আনবিলাক দৰ্শনত বেদবিৰুদ্ধ লৌকিক কথাও কিছু কিছু আছে। সেই দেখি বেদ-বিশ্বাসী হিন্দুসকলে মীমাংসা আৰু বেদান্ত এই দুখন দৰ্শনৰ নিচিনা আন চাৰিখন দৰ্শন শাস্ত্ৰক সিমান গৌৰৱৰ স্থান নিদিয়ে। তাৰ ভিতৰতো কেৱল বেদান্ত দৰ্শনতহে ব্ৰহ্মবিদ্যা বা পৰাবিদ্যাৰ উপদেশ থকাত, বেদান্তকে হিন্দুসকলে সৰ্ব্বশ্ৰেষ্ঠ বুলি বিবেচনা কৰে। হিন্দুৰ এনে কোনো শাস্ত্ৰ নাই যি শাস্ত্ৰত বেদান্তৰ মত কিছু কিছু আলোচিত হোৱা নাই। পুৰাণ তন্ত্ৰ প্ৰভৃতি গ্ৰন্থতো বেদান্তৰ মত বিশেষ আদৃত। মহানিৰ্ব্বাণ তন্ত্ৰ যোগাবশিষ্ঠ ৰামায়ণ আৰু মহাভাৰতৰো অংশ বিশেষত বেদান্তমত বহুআলোচিত আৰু বহুআদৃত। শ্ৰীমদ্ভাগৱত পুৰাণক অনেকে বেদান্তৰ ভাষ্য গ্ৰন্থহে বোলে। হিন্দুৰ এনে কোনো উল্লেখযোগ্য ধৰ্ম্ম সম্প্ৰদায় নাই, যি সম্প্ৰদায়ে নিজৰ সাম্প্ৰদায়িক সিদ্ধান্তৰ অনুৰূপে বেদান্তৰ ব্যাখ্যা কৰা নাই। হিন্দুৰ এনে কোনো প্ৰধান ধৰ্ম্মাচাৰ্য্য নাই, যি নিজৰ মত অনুসাৰে বেদান্ত শাস্ত্ৰৰ সাৰুৱা, ডাঙৰ এখন ভাষ্য-গ্ৰন্থ ৰচনা কৰা নাই। ইত্যাদি কাৰণবশতঃ বেদান্তৰ ভাব বা চিন্তা-প্ৰণালী হিন্দুৰ অস্থিমজ্জাগত হৈছে। হিন্দু আচাৰ্য্যৰ উপদেশ:—

"আসুপ্তেৰামৃতেঃ কালং নয়েদ্বেদান্ত চিন্তয়া"।

টোপনি অহাৰ আগলৈকে আৰু মৃত্যুৰ পূৰ্ব্ব পৰ্য্যন্ত বেদান্ত চিন্তাৰ দ্বাৰা সময় অতিবাহিত কৰিব। অৰ্থাৎ টোপনিৰ বাহিৰে গোটেই জীৱনত বেদান্তৰ উপদেশ-বিলাকক অনুভৱ কৰিবৰ চেষ্টা কৰিব।

আন আন দৰ্শনতকৈ বেদান্ত দৰ্শনৰ আৰু এটা বৈশিষ্ট আছে। আন দৰ্শনত লৌকিক আৰু পৰমাৰ্থিক, এই দুই ৰকম পদাৰ্থৰ বিচাৰ আছে। বেদান্তৰ বাহিৰে আন সকলো দৰ্শনে দৃশ্যমান জগতৰ সত্যতা স্বীকাৰ

কৰিছে। বেদান্ত শাস্ত্ৰত এক ব্ৰহ্ম পদাৰ্থৰ বাহিৰে আন কোনো লৌকিক পদাৰ্থ স্বীকাৰ কৰা নাই। আৰু সেইদেখিয়েই বেদান্ত দৰ্শনত লৌকিক পদাৰ্থ বিভাগ এবং পদাৰ্থসকলৰ তত্ত্বজ্ঞান জন্মিবৰ নিমিত্তে আৱশ্যকীয় প্ৰমাণ, প্ৰমেয় প্ৰভৃতিৰ কথাও বিশদৰূপে নাই। পৰবৰ্ত্তী ভাষ্য প্ৰভৃতিত আন আন দৰ্শনৰ প্ৰত্যক্ষ, অনুমান ইত্যাদিৰ ভাব থাকিলেও মূল সূত্ৰত এইবোৰ একো নাই। বেদান্তমতে পৰিদৃশ্যমান জগতেই যেতিয়া অসত্য, তেতিয়া এই অসত্য বস্তুৰ জ্ঞানৰ অৰ্থে পদাৰ্থ বিভাগ, বা প্ৰমাণ, প্ৰমেয়, বিচাৰ প্ৰভৃতি সম্পূৰ্ণ অনাৱশ্যক। ইয়াত আৰু এক আৰাৰ কথা কোৱা উচিত যে বেদান্তৰ মতে দৃশ্যমান জগত অসত্য হলেও আকাশকুসুম বা গন্ধৰ্ব্ব নগৰীৰ নিচিনা একেবাৰে অলীক নহয়। পৰিদৃশ্যমান জগতৰো এটা ব্যৱহাৰিক সত্যতা আছে। কিন্তু এই সত্য ভ্ৰান্তি-মূলক। এই ভ্ৰান্ত সত্যৰ দ্বাৰা লোক ব্যৱহাৰ চলি থাকি-লেও জ্ঞান হলে বা অবিদ্যা নাশ হলে জগতৰ এই ব্যৱহাৰিক সত্যতাৰ কোনো অস্তিত্ব জ্ঞানীৰ মনত নাথাকিব।

বেদান্ত শাস্ত্ৰ তিনি ভাগত বিভক্ত। এই ভাগ-বিলাকক বেদান্তৰ ভাষাত প্ৰস্থান বোলে। সেই দেখি সমুদায় বেদান্ত শাস্ত্ৰ প্ৰস্থান এই নামে অভিহিত হয়। প্ৰথম প্ৰস্থান হৈছে উপনিষদসকল। উপনিষদ-বিলাক শ্ৰুতি বা বেদৰ অংশ, সেই দেখি প্ৰথম প্ৰস্থানক শ্ৰুতি প্ৰস্থানো বোলে। দ্বিতীয় প্ৰস্থান হৈছে বেদব্যাস বিৰচিত বেদান্ত দৰ্শন বা ব্ৰহ্ম সূত্ৰ বা উত্তৰ মীমাংসা আৰু তাৰ টীকা, ভাষ্য, প্ৰকৰণ গ্ৰন্থ প্ৰভৃতি। এই দ্বিতীয় প্ৰস্থানক ন্যায় বা তৰ্ক প্ৰস্থানো বোলে। তৃতীয় প্ৰস্থান হৈছে শ্ৰীমদ্ভগৱত গীতা আৰু তদনুৰূপ বেদান্ত-বোধক মহাভাৰত প্ৰভৃতি গ্ৰন্থৰ অংশসকল। এই প্ৰস্থানক স্মৃতি প্ৰস্থান বোলে, যি হেতু গীতা, মহাভাৰত প্ৰভৃতি গ্ৰন্থ স্মৃতিৰ অন্তৰ্গত। স্মৃতি হৈছে শ্ৰুতি বা বেদৰ অৰ্থ স্মৰণ পূৰ্ব্বক যিবিলাক গ্ৰন্থ ত্ৰিকালদৰ্শী ঋষিসকলে প্ৰণয়ন কৰিছিল, সেইবিলাক। শ্ৰীমদ্ভগৱত গীতা বেদান্তৰ উপসংহাৰ গ্ৰন্থ। সমগ্ৰ বেদান্ত শাস্ত্ৰৰ সিদ্ধান্তবিলাক গীতাত সংক্ষেপ আৰু সৰলৰূপে অল্পবুদ্ধি অল্পসত্ত্ব লোকেও বুজিব পৰাকৈ সত্যৱতী-সুত বেদব্যাসে ভগৱান শ্ৰীকৃষ্ণৰ মুখেদি ব্যক্ত কৰিছে। গীতা মাহাত্ম্যত লিখা আছে :—

"সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থোবৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥

বেদান্ত শব্দৰ অৰ্থ জানিব খুজিলে প্ৰথমে বেদৰ বিষয়ে অলপ জানিব লাগে। বেদ অপৌৰুষেয়, সত্য অভ্ৰান্ত জ্ঞানৰ গ্ৰন্থ। বেদ দুই ভাগত বিভক্ত। মন্ত্ৰ আৰু ব্ৰাহ্মণ। মন্ত্ৰ ভাগক সংহিতাও বোলে। বেদৰ আৰণ্যক ভাগ ব্ৰাহ্মণ ভাগৰ অন্তৰ্গত। সংহিতা ভাগত মন্ত্ৰ আৰু ব্ৰাহ্মণ ভাগত সেই মন্ত্ৰবিলাকৰ প্ৰয়োগ প্ৰণালী বিশদৰূপে বৰ্ণিত আছে। সংহিতা আৰু ব্ৰাহ্মণ এই দুই ভাগৰ ভিতৰত যি সকল ব্ৰহ্ম প্ৰতিপাদক বাক্য আছে, সেই সকলক উপনিষদ বোলে। উপ শব্দৰ অৰ্থ শীঘ্ৰ, নিৰ অৰ্থ নিশ্চয় আৰু ষদ্ ধাতুৰ অৰ্থ বিনাশ বা গতি। গতিকে উপনিষদ শব্দৰ অৰ্থ হয়, যি বিদ্যা বা শাস্ত্ৰ জানিলে শীঘ্ৰে মুক্তি লাভ হয়, সেই বিদ্যা বা সেই শাস্ত্ৰ। বেদৰ এই উপনিষদ ভাগকে আচল বেদান্ত বোলে। বেদান্ত দৰ্শনৰ সূত্ৰবিলাকো উপনিষদকে ভিত্তি কৰি ৰচিত হৈছে। সেই দেখি বেদান্ত শব্দৰ অৰ্থ বেদৰ অন্ত বা শেষ নহয়। বেদান্ত শব্দৰ অৰ্থ বেদৰ ৰহস্য ভাগ। বেদান্ত শব্দই যে আচলতে উপনিষদকে বুজায় এই কথাকে লক্ষ্য কৰি বেদান্তসাৰ গ্ৰন্থত যতীন্দ্ৰ মহাত্মা সদানন্দই লিখিছে :—"বেদান্ত নাম উপনিষৎ প্ৰমাণম্। তদুপকাৰীণি শাৰীৰক সূত্ৰাদীনিচ"।

বেদান্ত দৰ্শনত যে কেৱল উপনিষদত উক্ত বিষয়-বিলাকহে আলোচিত হৈছে, তাৰ বাহিৰে আৰু একো নাই এনে নহয়, বেদান্ত দৰ্শনত জীৱৰ জন্মৰপৰা মৃত্যু, বন্ধৰপৰা মোক্ষ আৰু জগতৰ সৃষ্টিৰপৰা প্ৰলয় পৰ্য্যন্ত সকলো বিষয়ৰে আলোচনা আছে। সংক্ষেপে কবলৈ গলে মানুহৰ যি যি বিষয় আৱশ্যক, সেই সকলোবিলাক বিষয় একমাত্ৰ ব্ৰহ্ম পদাৰ্থক আশ্ৰয় কৰি আলোচিত আৰু ব্যাখ্যাত হৈছে।



অনেক ধৰ্ম্মাচাৰ্য্য আৰু অনেক বিখ্যাত পণ্ডিতে বেদান্ত দৰ্শনৰ অনেক ভাষ্য টীকা ৰচনা কৰিছে। সেইবিলাক গ্ৰন্থত নিজ নিজ মতবাদ সমৰ্থনৰ অৰ্থে বিদ্যা বুদ্ধিৰ অশেষ প্ৰকাৰ আশ্চৰ্য্য কৌশলো প্ৰদৰ্শন কৰিছে। এই টীকা আৰু ভাষ্যবিলাকৰ ভিতৰত ভগৱান শঙ্কৰাচাৰ্য্যৰ শাৰীৰক ভাষ্য, বৈষ্ণৱাগ্ৰগণ্য, ভক্ত প্ৰৱৰ আচাৰ্য্য ৰামানুজৰ শ্ৰীভাষ্য, মাধ্বাচাৰ্য্যকৃত মাধ্বভাষ্য, বল্লভাচাৰ্য্যৰ অণুভাষ্য, বিজ্ঞানভিক্ষুৰ ভাষ্য, নিম্বাৰ্ক ভাষ্য আৰু গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ভুক্ত শ্ৰীশ্ৰীচৈতন্যচৰণপৰায়ণ বলদেৱ বিদ্যাভূষণকৃত গোবিন্দভাষ্য প্ৰভৃতি প্ৰধান।

এইসকল ভাষ্যকাৰৰ ভিতৰত ভগৱান শঙ্কৰাচাৰ্য্যৰ বিশুদ্ধা দ্বৈতবাদ আৰু শ্ৰীশ্ৰীৰামানুজাচাৰ্য্যৰ বিশিষ্টা দ্বৈতবাদ দাৰ্শনিকসকলৰ ভিতৰত সৰ্ব্বজন পৰিচিত। সেইদেখি আচাৰ্য্য দুজনৰ মতবাদ সম্বন্ধে অতি সংক্ষেপে দুই চাৰি আষাৰ কথা কোৱা হব। ইয়াতে 'বাদ' এই কথাটোৰ অৰ্থ পৰিষ্কাৰ কৰি লিখাৰ প্ৰয়োজন আছে বুলি ভাবোঁ।

কথা তিনি প্ৰকাৰ—বাদ, জল্প আৰু বিতণ্ডা। তত্ত্ব নিৰূপণ কৰিবলৈ কোৱা কথাক বাদ বোলে। তত্ত্ব নিৰূপণৰ অৰ্থেই বাদী প্ৰতিবাদীৰ বিচাৰমূলক উত্তৰ-প্ৰত্যুত্তৰযুক্ত কথাক জল্প বোলে। নিজৰ কোনো স্বকীয় মত বা বিশেষ কবলগীয়া কথা নথকাতো আনৰ মত খণ্ডনৰ অৰ্থে কৈ যোৱা কথাক বিতণ্ডা বোলে। বিতণ্ডাকাৰী বক্তাই অনেক সময়ত, কি কৈছে নিজেই তাৰ ভু নাপায়। বিতণ্ডা নিকৃষ্ট কথা।

বেদান্ত দৰ্শন চাৰি অধ্যায়ত বিভক্ত। প্ৰত্যেক অধ্যায়ত চাৰিটিকৈ পাদ বা পৰিচ্ছেদ আছে। গতিকে সমুদায় বেদান্ত দৰ্শন ষোড়শ পৰিচ্ছেদত বিভক্ত। সমুদায় পৰিচ্ছেদৰ মাজত সূত্ৰ সংখ্যা ৫০০ পাঁচ শত। প্ৰত্যেক পৰিচ্ছেদতে এটা এটা বিষয় আলোচিত আৰু মিমাংসীত হৈছে। সেইসকল সংক্ষেপে উল্লেখ কৰাৰো স্থান ইয়াত নাই। আৰু সেইবিলাক বিষয় এনেদৰে এটা প্ৰবন্ধৰ ভিতৰত উল্লেখ কৰিবৰ চেষ্টা কৰিলে পদে পদে ভুল-ভ্ৰান্তি হোৱাৰো সম্ভাৱনা আছে। বিশেষতঃ যিমান-খিনি বিদ্যা-বুদ্ধি থাকিলে এইবিলাক বিষয় আলোচনা কৰিবৰ যোগ্যতা ওপজে, তিমানখিনি বিদ্যা বুদ্ধিও আমাৰ নাই। গতিকে এই প্ৰচেষ্টাৰপৰা দূৰৈত থকাই বুদ্ধিমানৰ কাৰ্য্য হব।

আচাৰ্য্য শঙ্কৰৰ মতক বিশুদ্ধাদ্বৈতবাদ বোলে বুলি পূৰ্ব্বেই কোৱা হৈছে। এই বিশুদ্ধাদ্বৈতবাদক মায়াবাদও বোলে। এইমতে একমাত্ৰ ব্ৰহ্মই সৎ বা সত্য বস্তু, জগতৰ আন সকলো পদাৰ্থ অসৎ বা অসত্য। এই পৰিদৃশ্যমান জগত অসত্য হলেও মায়া বা অবিদ্যাৰ গতিকে সত্য বুলি প্ৰতিভাত হয়। মায়া বা অবিদ্যাৰ নাশ হলে জগত আৰু ব্ৰহ্মৰ পৃথকতা ৰূপ মিথ্যা জ্ঞানো নাশ হয়। যেনে ৰজ্জুত সৰ্প ভ্ৰম বা শুক্তিত ৰজত ভ্ৰম। মানুহে ভ্ৰমবশতঃ জৰী এডালকে সাপ যেন দেখে। চকচকীয়া শামুক এডোখৰকে ৰূপ যেন দেখে। কিন্তু জৰীডালক সাপ যেন দেখা বা শামুক ডোখৰক ৰূপ যেন দেখা ভ্ৰমজ্ঞান নাশ হলে জৰী জৰীয়েই থাকে, শামুক শামুকেই থাকে। সেইদৰে একমাত্ৰ ব্ৰহ্ম পদাৰ্থকে বিচিত্ৰ জগতৰূপে দেখা ভ্ৰমজ্ঞানো বা অবিদ্যা নাশ হলে কেৱল বিশুদ্ধ ব্ৰহ্ম মাত্ৰ অৱশিষ্ট থাকে। মায়া বা অবিদ্যা ব্ৰহ্মৰ শক্তি। এই মায়া শক্তিৰ প্ৰভাৱমুক্ত হৈ বিশুদ্ধ ব্ৰহ্মজ্ঞান লাভৰ বাবে শ্ৰৱণ মনণ নিদিধ্যাসনৰূপ সাধন প্ৰণালী অৱলম্বন কৰিব লাগে।

"শ্ৰোতব্যো শ্ৰুতিবাক্যেভ্যো মন্তব্যো বোপপত্তিভিঃ"।

এই দৰে বিশুদ্ধ ব্ৰহ্মজ্ঞান হলেই মানুহে মুক্তি লাভ কৰে। তেতিয়া আৰু জীৱ, জগত প্ৰভৃতিৰ পৃথকত্ব নাথাকে। ব্ৰহ্মজ্ঞ লোক ব্ৰহ্মই, সেই নিমিত্তে শ্ৰুতিয়ে উপদেশ দিছে :—

'ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি"। তেতিয়া—

"যথা নদ্যঃ স্যন্দমানাঃ সমুদ্ৰে
অস্তং গচ্ছন্তি নামৰূপে বিহায়।
তথা বিদ্বান্ নামৰূপাদ্বিমুক্তঃ
পৰাৎপৰং পুৰুষমুপৈতি দিব্যম্॥

আচাৰ্য্য ৰামানুজৰ মতক বোলে বিশিষ্টাদ্বৈতবাদ। এইমতে বস্তু তিনটা—ঈশ্বৰ, চিৎ আৰু অচিৎ।

"ঈশ্বৰশ্চিদচিচ্চেতি পদাৰ্থ ত্ৰিতয়ং হৰিঃ।
ঈশ্বৰশ্চিত ইত্যুক্তো জীবো দৃশ্য অচিৎ পুনৰিতি॥

ঈশ্বৰ সকলোৰে আধাৰস্বৰূপ অনন্ত বস্তু। চিৎ জীৱ আৰু অচিৎ ঈশ্বৰাশ্ৰিত জড় পদাৰ্থ। ঈশ্বৰ জীৱ আৰু জড় জগত বিশিষ্ট। সেইদেখি এই মতক বিশিষ্টাদ্বৈতবাদ বোলে। জীৱ আৰু জড় ঈশ্বৰৰ শৰীৰ স্বৰূপ। মহাপ্ৰলয় কালতো জীৱ আৰু জড় ঈশ্বৰত বীজৰূপে অৱস্থান কৰে আৰু সৃষ্টিৰ আদিত ঈশ্বৰৰপৰাই প্ৰকাশ হয়। জীৱ আৰু ঈশ্বৰৰ এই পৃথক ভাব সৰ্ব্ব-কালিক। জীৱ আৰু ঈশ্বৰ কেতিয়াও একে হব নোৱাৰে। জীৱ আৰু জগতক ঈশ্বৰেই অন্তৰ্য্যামীৰূপে সকলো বিষয়তে পৰিচালিত কৰে। যেনেকৈ গছৰ ঠাল, পাত ইত্যাদি বেলেগ বেলেগ হলেও ঠাল পাতবিশিষ্ট গছ মূলত এক, তেনেকৈ জীৱ আৰু জগতবিশিষ্ট ভগৱান শ্ৰীহৰি মূলত এক। এই মতে ঈশ্বৰ যেনে সত্য বস্তু, জীৱও তেনে সত্য বস্তু। এই মতে মুক্তি হৈছে ঈশ্বৰৰ পৰমানন্দ-স্বৰূপ বিভৱ পূৰ্ণৰূপে উপভোগ কৰা; পূৰ্ণৰূপে ভগৱানৰ সেৱাৰ অধিকাৰ লাভ কৰা।

আচাৰ্য্য শঙ্কৰে যেনেকৈ একমাত্ৰ জ্ঞানকেই মু উপায়ৰূপে নিৰ্দ্দেশ কৰিছে, আচাৰ্য্য ৰামানুজে তেনে একমাত্ৰ ভক্তিকে মুক্তিলাভৰ উপায় বুলি বৰ্ণনা কৰি ৰামানুজৰ মতে জীৱন্মুক্ত কোনো হব নোৱাৰে। তে মৃত্যুৰ পিচতহে লোক মুক্তিৰ অধিকাৰী হয়। জীৱ পুৰুষ জগতত কোনো নাছিল, কোনো নাই আৰু কে নহব। শাস্ত্ৰত জীৱন্মুক্ত সম্বন্ধে যিবোৰ কথা পোৱা য সেইবোৰ কথা বাস্তৱিক সত্য নহয়। সেইবিলাক প্ৰসংশাবাদ মাত্ৰ।

অহং ব্ৰহ্ম নচান্যোস্মি ব্ৰহ্মৈবাহং নশোকভাক্।
সচ্চিদানন্দৰূপোহং নিত্যমুক্ত স্বভাৱান॥

অৰ্থাৎ মই ব্ৰহ্ম, মই ব্ৰহ্ম এনেকৈ ভবা জীৱৰ মহা অপৰাধ।

আচাৰ্য্য শঙ্কৰ আৰু ৰামানুজৰ মত সৰ্ব্বজন পৰি বুলি পূৰ্ব্বেই কোৱা হৈছে, সেইদেখি এই দুই মতৰ সংক্ষেপ পৰিচয় দি এই প্ৰবন্ধ শেষ কৰা হল।

ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ
ওঁ পূৰ্ণমিদম্।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বা

---

## সমালোচনা।

হজৰত্ মোহম্মদ—লিখক হাজী মৌলবী ফাইজুদ্দিন আহ্মদ চাহাব। ইছ্লাম ধৰ্ম্মপ্ৰবৰ্ত্তক মহাপুৰুষ হজৰৎ মোহম্মদৰ জীৱনৰ বহল বৃত্তান্ত আৰু ইছ্লাম ধৰ্ম্মৰ অভ্যুত্থানৰ বিস্তৃত বিবৰণ থকা এখনি শকত কিতাপ। এই কিতাপখনি পাই আমি নথৈ বং পাইছোঁ। এনে এখনি কিতাপৰ আমি বহু দিনৰেপৰা অভাৱ অনুভৱ কৰি আহিছিলোঁ। সেই অভাৱ পূৰণ কৰা বাবে আমি হাজী চাহাবৰ শলাগ লৈছোঁ। কিতাপখনিৰ ভাষা সহজ সুন্দৰ, ঘটনাৱলী সজোৱাৰ প্ৰণালী বিতোপন, লি ভাব উদাৰ, ছপা আদি ধুনীয়া, দাম নিয়মীয়া, হাজী চা দৰে সুশিক্ষিত, অভিজ্ঞ, সুদক্ষ আৰু পৰিণত এগৰাকীক আমাৰ সাহিত্য ক্ষেত্ৰত কৰ্ম্মীস্বৰূপে পোৱাটো সৌভাগ্যৰ কথা। তেখেতৰপৰা আমাৰ সাহিত্য আৰু বাঢ়িব বুলি আমি আশা কৰিছোঁ।

---

## হেম গোঁসাইৰ স্মৃতি।

৺হেম গোঁসাইৰ ভাল জীৱনী এখনি লিখিবলৈ কিবা দিহা হৈছেনে নাই আমি কব নোৱাৰোঁ। হেম গোঁসাই আমাৰ দেশৰ এগৰাকী স্মৰণীয় পুৰুষ। তেওঁৰ লিখা ৰ সৰহ নহব পাৰে। কিন্তু তেওঁৰ দৰে অনেক কালে পাকৈত মানুহ আমাৰ নিচেই তাকৰ। তেওঁ একেলগে কবি, গল্পলিখক, ঐতিহাসিক আৰু প্ৰত্নতাত্বিক আছিল। তেওঁৰ লিখাত এটা বিশেষত্ব আছে। তাত এটা মাধুৰ্য্য আছে, এটা পদ-লালিত্য আছে, যুক্তি আছে, তৰঙ্গ (Flow) আছে। সেইদেখি তেওঁৰ লিখা জাকত জিলিকি থাকে।

হেম গোঁসাই নোহোৱা হ'লে, হেম বৰুৱাৰ হেম কোষ কেতিয়াবাই উঁয়ে খাই অন্ত কৰিলেহেঁতেন। অকল এই বাবেই অসমীয়া মানুহ হেম গোঁসাইৰ নথৈ ধৰুৱা। গৱৰ্ণমেণ্টৰ ঘৰত আৰু বিশ্ববিদ্যালয়ত অসমীয়া সাহিত্যৰ অৰ্থে হেম গোঁসায়ে আকলশৰেই যি পাৰে কৰিবলৈ চেষ্টা কৰিছিল। সাহিত্য বিষয়ক কথাত দেশ-বিদেশৰ বহুত ডাঙৰ লোকেৰে তেওঁৰ জনা শুনা আৰু চিঠি-পত্ৰ লিখা-লিখি আছিল।

হেম গোঁসাইৰ দৰে সৰৰ্হী, সকলোৰে মিলিব পৰা, সকলো বিষয়ৰে দুই চাৰি আষাৰ কথা হ'ব পৰা, সিজা মানুহ সদায় সৰহকৈ পোৱা নাযায়।

অকল দুশাৰী কবিতা লিখিয়েই, নহলে বাতৰি-কাকতীয়া বা সম্মিলনীয়া শোক-প্ৰকাশ কৰিয়েই আমি হেম গোঁসাইৰ ধাৰৰ হাত সাৰিব নোৱাৰোঁ।

আমাৰ উদ্যোগী ডেকাসকলৰ কোনোবাই হেম গোঁসাইৰ জীৱনীখনি লিখিবলৈ ধৰক। এইদৰে আগৰে-পৰা নধৰোতে নধৰোতে, আমি এতিয়া আমাৰ কেইবা-জনো ডাঙৰ মানুহৰ জীৱনী নোহোৱাত পৰিছোঁ। অসমীয়া সাহিত্যৰ জীৱনী বিভাগলৈ আমাৰ সাহিত্যিক-সকলে আৰু চকু দিব লাগে।

---

## গাওঁ-গঠন।

গাৱেঁই দেশৰ ৰাজ-হাড়। ভাৰতবৰ্ষৰ আন আন প্ৰদেশত, এই কথাৰ তেও কাগজে-পত্ৰই কেতিয়াবা আলোচনা কৰাকে দেখা যায়। আমাৰ অসম দেশত হলে তাকো দেখিবলৈ পোৱা নাযায়। বৰং ক্ৰমশঃ গাওঁ ভাগি যাবৰহে লক্ষণ দেখা গৈছে।

পূৰ্ব্বে গাৱঁত ভাতে-ভৰালে থোৱা এক শ্ৰেণীৰ মানুহ আছিল। এইবিলাক মানুহে দুখ কৰি সুখেৰে আছিল, লাগ বুলিলে ছুটকা উলিয়াই দিব পাৰিছিল। এই শ্ৰেণীৰ মানুহেইহে আচলতে দেশৰ ধৰণী। আজি-কালি আমাৰ গাওঁবিলাকত এই শ্ৰেণীৰ মানুহৰ লেখ কমি আহিছে।

আমাৰ গাৱঁলীয়া মানুহ শিক্ষিত হৈ অলপ মূৰ জিলিকা হলেই আজিকালি নগৰলৈ উঠি নাহিলে গা নদয়। ওকালতি বা ডাক্টৰি কৰিবলৈ, চাকৰী কৰিবলৈ বা আন কিবা ব্যৱসায় বাণিজ্য কৰিবলৈকে হলেও, নগৰত থাকিবই লাগিব; সেই দৰেই থাকোতে থাকোতে নগৰতে নিগাজী ঘৰ হয়গৈ, গাওঁ তেনেই এৰা পৰে। ইয়াৰপৰা নগৰৰ নথৈ উন্নতি হয়, এই কথা সঁচা। ইহাতে কিন্তু গাওঁবিলাক নগমে মৰা পৰে।

জনা বুজা সকলোখিনি মানুহ গাওঁ খনৰপৰা উঠি গলে, সেই গাৱেঁ কেনেকৈ গা কৰিব পাৰে? অকল লেৰেলা চেপটা, নজনা নুবুজা কেইটাই ৰাজ-

হুৱাকৈ, অৰ্থাৎ এখন ৰাইজ বোলাই সামাজিক ভাৱে গাওঁখনৰ উন্নতি কৰিব নোৱাৰে। গাৱঁৰ গাৰ ভাগি মানুহ ঘৰে পতি একোঘৰ হৈ, গাওঁ ভাগি ছিগি যাব। সেয়ে হলে দেশৰ উন্নতিৰ বাটত উভতি বাট বোলা হব।

অকল নগৰ কেইখনৰ উন্নতি হলেই দেশখনৰ উন্নতি নহয়। দেশখন উন্নত হবলৈ হলে নগৰে চহৰে গাঁৱে ভূঁৱে সকলো প্ৰজাৰ উন্নতি হব লাগিব।

বাট পথুলিৰ উন্নতি কৰিবলৈ, পানীৰ ভাল দিহা কৰিবলৈ, মিলি-জুৰি ৰাজহুৱা কাম কৰিবলৈ, লৰা-ছোৱালীক লিখা-পঢ়া আৰু অৰ্থকৰী বিদ্যা শিকাবলৈ, গাৱঁলীয়া মানুহৰ চকুত পেলাই দিব লাগিব; আৰু তাকে কৰিবলৈ তেওঁলোকক মুঠ বান্ধি একে গোট হবলৈ শিকাব লাগিব। মানুহবোৰ নিৰোগী, কৰ্মী, পৰিশ্ৰমী আৰু হিচাবী কৰি লব লাগিব; মানুহ সিহঁতৰ মনত এটা জাতীয় ভাব সুমাই দিব লাগিব, তেহে দেশখনৰ উন্নতি কৰিব পৰা হব।

এইদৰে গাওঁ সংগঠন কৰাটো দেশৰ আটাই কাম। এয়ে নহলে সভা-সমিতি, কাউন্সিল, কংগ্ৰেচ একোৱে আমাৰ দেশ উদ্ধাৰ কৰিব নোৱাৰে। এইবিলাকেই আচল দেশৰ কাম। কিন্তু দুখৰ বিষয়, এইবিলাক কামত আমাৰ সম্প্ৰতি মানুহ নাই। ইয়ালৈ এনে স্বাৰ্থত্যাগী শিক্ষিত মানুহ গাৱঁত সোমাব লাগে। জাতি গঠনৰ ( nation building ) ই এটা প্ৰধান কাম।

---

# আমাৰ সন্মিলনসমূহ।

আমাৰ দেশত আজিকালি জাতে জাতে সন্মিলন বহিছে; যেনে—মিৰি সন্মিলন, কোচ সন্মিলন চুতীয়া সন্মিলন, আহোম সন্মিলন, কছাৰি সন্মিলন, কৈবৰ্ত্ত সন্মিলন, ব্ৰাহ্মণ সন্মিলন। গাইপতি বেলেগে উঠি নললে আমি জাককৰাকৈ উঠিবলৈ টান পাম, আৰু সেইদেখি প্ৰতি জাতৰ মানুহেই নিজ নিজ জাতৰ উন্নতি কৰিবলৈ ওলোৱাটো এটা শুভ লক্ষণ, এই যুক্তি আমি মানিছোঁ। কিন্তু জাতে জাতে বেলেগে উধাই যাওঁতে আমি ইমান নিলগ হৈ পৰিবগৈ পাৰোঁ, যে পাচত একেলগ হবলৈ টান হবগৈ পাৰে; এই বিপদলৈকো আমি চকু ৰাখিব লাগে। সকলোবিলাক জাতকে লৈহে অসমীয়া বোলা জাতিটো গঠিত হৈছে। বামুণৰেপৰা মিৰি-দেউৰিলৈকে সকলো জাতৰে অসমীয়া মানুহৰ সমষ্টিটোকহে অসমীয়া জাতি বুলিব। আৰু সেই অসমীয়া জাতৰে উন্নতি কৰিবৰ অৰ্থেহে জাতে জাতে বেলেগে নিজৰ উন্নতি সাধন কৰিবৰ প্ৰয়োজন হৈছে। বেলেগ বেলেগ জাতৰ উন্নতিৰ বেলেগে যত্ন কৰাৰ মূল উদ্দেশ্যটো হৈছেগৈ জাতীয় উন্নতি। জাতীয় উন্নতিৰ নিমিত্তে, জাতিৰ ভিতৰৰ সকলো জাতৰে উন্নতি হ'ব লাগিব। তাৰো আগেয়েই কিন্তু লাগিব সকলো জাতৰে ভিতৰত মিলা-প্ৰীতি হ'ব। কোনো জাতেই কোনো জাতক ঘিণ বা খিয়াল নকৰি, সকলোৱে সকলোকে উধাবলৈ পাৰেমানে সাহায্য কৰিব লাগিব। আনবিলাক জাতক তলত পেলাই থৈ নিজে উন্নতিৰ টিঙত উঠাৰপৰা জাতীয় উন্নতি সৰহ আগ বাঢ়িব নোৱাৰে। তলৰপৰা ওপৰলৈকে সকলো জাতৰে উন্নতিৰ যিটো সমূলেখ ( average ), সেয়েহে জাতীয় উন্নতি। সেইদেখি সকলো জাতে সকলো জাতক শক্তি মতে সাহায্য কৰাৰ প্ৰয়োজন।

এই জাতবিলাক যিমানে নিলগ হৈ যাব, ইটোৱে যিমানে ইটোৱে সিটোক ঘিণ কৰিব, যিমানে হিংসা কৰিব, সিমানে অসমীয়া জাতিটো ভাগি ছিগি থকা-ঠাং-ঠাং হৈ পৰিব; যিমানে চাপি আহিব, সিমানে গোট



বান্ধি আঁটিল হ'ব।

ঈশ্বৰৰ চৰণত আমাৰ একান্ত প্ৰাৰ্থনা— এই না না জাতৰ সন্মিলনবোৰৰপৰা আমাৰ যেন জাতীয় উন্নতিৰ ব্যাঘাত নহয়। সকলো জাতৰে শিক্ষিতসকলকো আমি সবিনয়ে খাটিছোঁ, তেখেতসকলেও যেন এই কথালৈ চকু ৰাখে। উৎসাহৰ অতিশয় আধিক্য হলে, মানুহৰ কেতিয়াবা এবিধ সঙ্কীৰ্ণতা হয়। তেতিয়া নিজৰ জাতলৈ মৰমৰ লগে লগে, আন আন জাতলৈ ঘিণ আৰু হিংসা বাঢ়ি যায়। এই ব্যাধিয়ে পালে আৰু আন একো বিপ্লৱ নেলাগে। এটা জাতিক ধ্বংস কৰিবলৈ ইয়াতকৈ অমোঘ দৰব আৰু একো নাই। নিজ নিজ জাতৰ উন্নতি সাধিবলৈ গৈ আমি যেন এই মহা ব্যাধিত নপৰোঁ।

আমাৰ সকলো জাতৰে উন্নতি হ'ব লাগে; কিন্তু সকলো জাত মিলি একেটা অসমীয়া জাতি হ'ব লাগে। এই মূল লক্ষ্যটো সদায় আমাৰ চকুৰ আগৰপৰা আঁতৰিব নালাগে। এই কথালৈ বিশেষৰূপে চকু ৰাখিবলৈ সকলো সন্মিলনৰ মুখ্যালসকলক আমি সবিনয়ে খাটিছোঁ।

---

# শোকৰ বাতৰি।

কামৰূপ জিলাৰ তিনি গৰাকী উল্লেখযোগ্য পুৰুষৰ অলপ দিনৰ ভিতৰতে আগা-পিচাকৈ মৃত্যু-সম্বাদ পাই আমি অতিশয় দুখ পাইছোঁ।

**৺ভোলানাথ দাস** অসমীয়া সাহিত্যিক মণ্ডলীৰ সুপৰিচিত। তেখেতে কলম ধৰা যুগত অসমীয়া সাহিত্যৰ আধুনিক অৱস্থা নাছিল। তেখেতৰ উদাহৰণে বহুত শিক্ষিত অসমীয়া ডেকাৰ অসমীয়া সাহিত্যলৈ চকু পেলালে। তেখেতে মৃত্যু কাললৈকে অসমীয়া সমাজৰপৰা সাহিত্যিক বুলি সন্মান লাভ কৰিছিল। যোৱা বাৰৰ সাহিত্য সন্মিলনৰ সভাপতিস্বৰূপে তেখেতৰ নাম উল্লেখ কৰা হৈছিল।

**৺হুলিৰাম মহন্ত মেধি** আমাৰ এগৰাকী উদ্যোগী সাহিত্যিক আছিল। তেখেতে জীৱন জুৰি সাহিত্য সেৱা কৰিলে। সাহিত্য সন্মিলনৰ অধিবেশনবিলাকত তেখেতক প্ৰায়েই উপস্থিত থকা দেখা গৈছিল। তেখেতে কেবাখনিও কিতাপ নিজে প্ৰকাশ কৰি গৈছে। আৰু খনদিয়েক হাতে লিখা অৱস্থাতে এৰি গৈছে।

**৺সোণাৰাম ৰাজ-মেধি উকিল** গুৱাহাটীৰ সোণাৰাম হাই-স্কুলৰ প্ৰতিষ্ঠাতা। প্ৰথমতে খোলাৰ দিনাৰেপৰা আজিলৈকে এই স্কুলৰপৰা সমাজৰ উপকাৰ হব লাগিছে।

মনৰ উদাৰতাৰ বাবে আৰু শিক্ষা বিস্তাৰৰ অৰ্থে অশেষ যত্নৰ বাবে উকিল ডাঙৰীয়া অসমীয়া সমাজৰ শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ আছিল।

আমি এই কেউগৰাকী কৰ্ম্মী পুৰুষৰ আত্মাৰ সদ্গতি কামনা কৰিছোঁ আৰু তেখেতসকলৰ পৰিবাৰবৰ্গলৈ শোকত সহানুভূতি জনাইছোঁ।

---

# চিনা পটন্তৰমালা।

বজাৰত খৰধৰকৈ বস্তু বিক্ৰি হলে চালগম বেচোঁতাই চালগমৰ বোকা ধুবলৈ নবয়।

•

দহজন তপা মানুহৰ ভিতৰত ৯জন ঠগ অৰু দশমজন বোবা।

•

বাহিৰৰ ফালে বেঁকা কৰিবপৰা কোনো কিলাকুটি নাই।

•

হাতৰ আঙুলিবোৰে খজুৰাবলৈ ধৰিলে বুঢ়া অঙুলিয়েও পাচ ধৰে।

•

ভগা বিচনী কেউপিনে জোকাৰ খায়।

•

পাপ-পুন্য বাহিৰা কাম মাথোন; সুখ-দুখ হৈছে প্ৰতিদান।

•

সবশেহত ভাল-বেয়াৰ পুৰস্কাৰ আছেই; ভালেমান দূৰ ফুৰিলেও আৰু ওপৰলৈ উৰা মাৰিলেও আমি তাৰ হাত সাৰিব নোৱাৰোঁ।

•

নষ্ট হোৱা কুকুৰে গিৰিহঁতৰ আহাৰো চুৰ কৰে।

•

ভগা ভোটাতো ভাল থাপৰি তৈয়াৰ হব পাৰে।

•

টেঙৰী ছোৱালীতকৈ দুৰ্দ্দান্ত লৰা ভাল।

•

ভাল মানুহে ঘৈনীয়েকক নামাৰে; ভাল কুকুৰে কুকুৰাৰ অনিষ্ট নকৰে।

•

এটা মানুহৰ তিৰোতাই দুটাৰ চাউল খাব নোৱাৰে।

•

পানীৰ কাষত থকা মানুহে মাছৰ প্ৰকৃতি জানে।

•

ধনৰ ওৰ পৰিলে তুমি মদ খাবলৈ এৰাঁ; বুঢ়া হলে তুমি ধৰ্ম্ম-পুথি পঢ়া।

•

কাণেৰে শুনা কথা চকুৰে দেখা কথাৰ নিচিনা নহয়।

•

এঠাইৰ মঙহ কাটি আন ঠাইৰ ঘা খুণ্ডকাৰাঁ।

•

আটাইবোৰ তৰাৰ পোহৰো জোনৰ পোহৰৰ সমান নহয়।

•

একে পুৰণি গাঁতত সদায় পানী-পাচৰ পানী টোপাঁ টোপে পৰে।

•

নাৱেৰে গলে হাঁহ-চিকাৰলৈ সাজু হৈ যাবাঁ।

•

বহতীয়াক চল নিদিবাঁ; নক লৰা-ছোৱালীক নঠগিবাঁ।

•

কাছক বালী খুওৱাটো অপব্যয় মাথোন।

•

অনুগ্ৰহ পোৱাৰ কথা পাহৰি যাবা; আশীৰ্ব্বাদ পোৱাৰ কথা মনত ৰাখিবা।

•

হৰিণা-চিকাৰীয়ে শহা-পহুৰ ফালে চকু নিদিয়ে।

•

তোমাৰ আগত থকা আলিটোৰ বিষয়ে জানিব খুজিলে যি আগেয়ে সেই আলিয়েদি গৈছে তেওঁবিলাকক সুধিবাঁ।

•

এটা ভুল ধাৰণাই জীৱন ব্যাপি বেজাৰ দিব পাৰে।

•



দুখীয়া হলে মানুহৰ জুমৰ ভিতৰত নোসোমাবা: দুৰ্ভগীয়া হলে মিতিৰ কুটুম নিবিচাৰিবা।

•

অশুৱনী বোৱাৰী শাহুৱেকৰ চকুত ধৰা পৰে।

•

খোৱা-লস্ত আৰু কাপোৰ-কানিৰ উভৈনদী হলে যোগ্যতা আৰু প্ৰভুত্বৰ সমৃদ্ধি বাঢ়ে।

•

সৰু নৈৰ পানী পিওঁতে জৰণাৰ কথা সুঁৱৰিবা।

•

সাত মহলীয়া 'পেগডা' সজাতকৈ এটা মানুহৰ জীৱন ৰক্ষা কৰা বৰং ভাল।

•

সঁচা দেৱতাৰ আগত মিছা ধুপ ধুনা নজ্বলাবাঁ।

•

মানুহ এশ বছৰ জীয়াই নাথাকে যেতিয়া এহাজাৰ বছৰৰ কথা পাতি থোৱা মিছা।

•

উমৈহতীয়া ঘৰ কোনেও নাসাৰে।

•

সাত ঠাইত জুই জ্বলালে আঁঠ ঠাইত ধোঁৱাবলৈ দৰিব।

•

আঙুলিৰ মূৰত ভৰ দি থিৰেৰে থাকিব নোৱাৰি; বেঁকা ভৰিৰে বেচি দূৰ খোজ কাটি যাব নোৱাৰি।

•

দোকমোকালিৰ পাচত প্ৰচণ্ড ধুমুহাৰ ওৰ পৰে; গাৰাসাৰে হোৱা বৰষুণ গোটেই দিন নাথাকে।

•

যিবিলাকে সত্যক চিন্নি পায়, তেওঁবিলাক সত্যক ভাল পাওঁতাৰ সমান নহয়; যিবিলাকে সত্যক ভাল পায়, তেওঁবিলাক সত্যত আনন্দ লাভ কৰোঁতাৰ সমান নহয়।

•

কাণে হুগুনিলে হৃদয়ে বেজাৰৰ হাত সাৰে।

•

যিবিলাকে নিজৰ ওৰাদানিৰ কথা জানিব পাৰে তেওঁবিলাকেই চহকী।

•

ওচৰত থকা কাম-কাজত কৰ্ত্তব্যৰ পথ আছে; মানুহে দূৰত থকা কামতহে তাক বিচাৰে।

•

তোমাৰ কথাই সন্তোষ দিব নোৱাৰিলে আদশিনি বাদ দিবাঁ।

•

কুমাৰী মাক-বাপেকৰ আনন্দৰ কাৰণে আৰু বাৰী নিজৰ সুখৰ কাৰণে বিয়া সোমায়।

•

মেঘে বৰষিব খুজিলে আৰু মাৰাই গিয়া বহিব খুজিলে একোৱে তেওঁবিলাকক বাধা দিব নোৱাৰে।

•

ওখ বস্তিৰ খুটাৰ পোহৰ দূৰত পৰে, ওচৰত নপৰে।

•

টকা ধাৰে বিচৰাতকৈ পৰ্ব্বতৰ ওপৰত বাঘ ধৰা উজু।

•

ধনী মানুহৰ সঙ্গ পোৱা দুখীয়া মানুহ ইমান ভাল-দৰিদ্ৰ হয় যে, 'ঠেঙ্গা' এটা কিনিবলৈকো তাৰ শকতি নেথাকে।

•

মানুহ বা ভূতক লগ পালে সিহঁতে যেনেকৈ কথা পাতে তেনেকৈ সিহঁতৰে সৈতে কথা পাতিবাঁ।

•

বেমাৰী চাকৰক পুষ্টিকৰ আহাৰ দিবা, কিন্তু এলে-হুৱা চাকৰক কেতিয়াও নিদিবাঁ।

•

যিবিলাকে ভাল ব্যৱসায় চলায়, তেওঁবিলাকে কেতিয়াও টেক্সৰ কথা লৈ খাৰিয়াল নকৰে।

•

কুকুৰ খেদাবলৈ বাঘক মতাৰ সকাম নাই।

•

যি বোকাত থিৰেৰে থিয় হৈ থাকে, তেওঁ বোকাত লাগি থাকে।

*

দাঁহনিত বেজী হেৰালে আলিবাটত নিবিচাৰিবা।

*

তিৰোতাৰ অন্তঃকৰণত যেনে বিহ আছে তেনে বিহ সেউজীয়া সাপৰ মুখত বা কোদোৰ হুলত নাই।

*

নীল বোলাই কৰা নাৱত বগা কপাহী কাপোৰ পাব নোৱাৰা।

*

আটাইতকৈ ওখ তত্ত মাটিৰপৰা আৰম্ভ হৈ উঠে।

*

কাম কৰোঁতে মানুহক খৰ-খেদা কৰিবা, মঙহ খাওঁতে নকৰিবা।

মেকুৰীয়ে ভাত চুৰ কৰে, কুকুৰে আহি খায়।

*

কাউৰী গোটেই জগততে ক'লা।

*

খচ্চৰক নোদোকা কৰিবলৈ ঘোঁৰাক লঘোনে থোৱাৰ সকাম নাই।

*

ওপৰৰ মাৰলি বেঁকা হলে তলৰ মাৰলি ভেঙুৰীয়া হবই।

*

ডাঙৰ নাও-জাহাজে বাট উলিয়াই গলে পাচত যাবলৈ সৰু নাও-জাহাজৰ পক্ষে উজু হয়।

*

ফুটন নাৱত এটা ভৰিৰে ঠিয় দিব নোৱাৰি।

*

পাচিত চূণ ভাৰ বৈ নিয়া মানুহে য'তে বয় ত'তে চিন থৈ যায়।

*

এহাতেৰে বেলিৰ পোহৰক আঁৰ দিব নোৱাৰি।

*

দানৰ কথা লৈ বাক-বিতণ্ডা কৰিবা, কিন্তু জোঁৱৰ কথা লৈ তেনে নকৰিবা।

*

গাহৰিৰ মঙহ বেচোঁতাই গাহৰিৰ কথা কলৈ সদায় ভাল পায়।

*

লাৱ মাজত নিমজ মুকুতা পোলোৱা যেনে, মূৰ্খৰ চাকৰি কৰা জ্ঞানী মানুহো তেনে।

*

একেটা পাহাড়ে দুটা বাঘক আশ্ৰয় দিব নোৱাৰে।

*

পোন গছ প্ৰথমে কাটি পেলোৱা হয় আৰু মিঠা নাদৰ পানীত প্ৰথমে লোৰ থানি দিয়া যায়।

*

দ'মাই থোৱা মঙহেৰে যদি কুকুৰক দলিওৱা, তেন্তে আটাইখিনি হেৰুৱাবাহে, একো নোপোৱা।

*

নিজৰ বাৰীত হোৱা আদা সিমান জলা নহয়।

*

কণীবোৰ জপাই থোৱা বস্তু, কিন্তু সেইবোৰৰপৰা শেহান্তৰত কুকুৰা-পোৱালি ওলায়।

*

যদি কোনো মানুহে নিজৰ ঘৰত অতিথি অভ্যাগতক নোসোধে, তেন্তে দূৰলৈ গলে তেৰোঁ কাৰো আলহী হবলৈ নাপায়।

*

বাঘ চোঙত নোসোমালে বাঘৰ পোৱালি কেনেকৈ পাবা?

*

পালোৱানৰ হাতৰ মুঠি আৰু গায়কৰ ওঁঠে সততে শিক্ষা পাব লাগে।

*

'ড্ৰেগনৰ' বিচনা কুকুৰৰ গঁৰালতকৈ ভাল নহয়।

*



মোকৰ্দ্দমা জিকি ধন হেৰুওৱা (অৰ্থাৎ মোকৰ্দ্দমাত জয় লাভ কৰিবলৈ হলে ধন ভাঙিবই লাগিব)।

*

বিচনী বেচা ভাল মানুহৰ তিৰোতাই কেতিয়াবা কেতিয়াবা হাতেৰে ৰ'দৰ তাপৰপৰা মূৰ ৰক্ষা কৰে।

*

আগ দুৱাৰৰপৰা কোনো মানুহে বাঘ খেদাওঁতে পাচ দুৱাৰেদি কুকুৰনেচীয়া বাঘ সোমায়।

*

যেনে বৰকৈ গাজিলে বৰষুণ নিচেই কম হয়।

*

সেন্দুৰৰ ওচৰত থকা বস্তু সেন্দুৰীয়া আৰু ক'লা চিয়াঁহিৰ ওচৰত থকা বস্তু ক'লা হয়।

*

সময় জাঁবৰ দৰে আৰু দিন-মাহ মাকোৰ দৰে উৰি যায়।

*

বুঢ়া বয়সৰ সহায়ৰ কাৰণে ল'ৰা তুলি-তালি ডাঙৰ কৰিবা আৰু আকালৰ কাৰণে শস্য সাঁচিবা।

*

কুকুৰে গিৰিহঁতৰ 'মেজাজ' বুজে।

*

পৰ্দ্দা ফাটিলেও তাৰ আকৃতিটো থাকে; সাধুলোক নাটনিত পৰিলেও তেওঁৰ গুণ থাকি যায়।

*

কেঁকোৰাৰ জীয়েকে চৰাই-পোৱালি নজগায়।

*

ধন-সম্পত্তি, ভাল মানুহৰ প্ৰতি, বটাৰ দৰে হয়, কিন্তু বেয়া মানুহলৈ আপদীয়া বস্তু যেনহে হয়।

*

ডাৱৰবোৰ চলি যায়, কিন্তু বৰষুণ থাকে।

*

যি শুব নোৱাৰে তেওঁৰ মানত বিচনাখন বেয়াকৈ পৰা।

*

জাহাজৰ ভাৰ বোৱা পানীয়েই জাহাজ ডুবায়।

*

তৰোৱালেৰে জুই খুখুচৰিবা।

*

আমি কাপোৰ-কানিত নতুনত্বৰ মূল্য আৰু মানুহত বুঢ়াকালৰ মূল্য দেখোঁ।

*

একেজনী গৰুৰ দুখন ছাল গুচাব নোৱাৰা।

*

কোনো বেজীৰে দুটা জোঙা আগ নাই।

*

ভাল কাম কৰি পোৱা আনন্দৰ মাথোন ধ্বংস নাই।

*

বগৰী দেখিলেই পিয়াহ খুগুচে।

*

নৈত নামি মাছ মাৰিবলৈ যোৱাতকৈ ঘৰলৈ উভতি জাল গোঁঠাই ভাল।

*

সোঁত থৰ নহলে মাছে নজঁপিয়ায়।

শ্ৰীমহানন্দ বৰুৱা।

---

# খাইছিল-খাইছিলে ; গৈছিল-গৈছিলে।

তৃতীয় বছৰৰ ১ম সংখ্যা আসাম সহিত্য সভা পত্ৰিকাত শ্ৰদ্ধাস্পদ শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা দেৱে প্ৰশ্ন কৰিছে, "খাইছিল," "গৈছিল" ইত্যাদিৰ ঠাইত আজি কালি কেনেই "খাইছিলে" "গৈছিলে" ইত্যাদি শুনা যায়? অৰ্থাৎ "ছিল" ৰ ঠাইত "ছিলে" প্ৰত্যয় অতীত কালত তৃতীয় পুৰুষৰ ক্ৰিয়াৰ লগত ব্যৱহাৰ কৰাৰ কাৰণ কি?

প্ৰশ্নটো বৰ সুন্দৰ আৰু সুক্ষ্ম। ব্যাকৰণৰ এনে বিধ সুক্ষ্ম বিষয়বোৰ সধাৰণতে আমাৰ চকুত নপৰে, অথচ এই-বোৰৰ এটা সঠিক মীমাংসা হোৱা উচিত। বকৰাদেৱে যথাৰ্থতে কৈছে যে এতিয়া আৰু এট্‌কেন্ মেট্‌কেনৰ সময় নহয়। গা এঙ্গামুৰি দিবৰ সময় বহুতো দিন হল হৈ গৈছে।

প্ৰশ্নটোৰ সঠিক উত্তৰ দিয়া টান। নামনি অসমত "ছিলে" প্ৰত্যয়ৰ ব্যৱহাৰ শুনিবলৈ পোৱা নাযায়। ওপৰ অসমতো আগেয়ে কোনো ঠাইৰ মানুহক কেতিয়াবা কেতিয়াবাহে কোৱা শুনা গৈছিল। এতিয়া কিন্তু এই প্ৰত্যয়টো সাহিত্যতো প্ৰবেশ কৰিবলৈ প্ৰয়াস পাইছে। অপূৰ্ণ-ভূত কালৰ তৃতীয় পুৰুষৰ "ছিল"ৰ ঠাই "ছিলে" কিয় অধিকাৰ কৰিলে আৰু আগৰ "ছিল" আৰু এতিয়াৰ "ছিলে"ৰ ভিতৰত প্ৰভেদ কি? আমাৰ মনেৰে যি ধৰে তাকে আমি ইয়াত চমুকৈ কবৰ প্ৰয়াস পাম।

ক্ৰিয়াৰ প্ৰত্যয়াদিৰ উৎপত্তি বিষয়ে গ্ৰিয়াৰ্চন চাহাবে তেওঁৰ Linguistic Survey of India নামৰ কিতাপ খনত বিশদ আলোচনা কৰিছে। আমাৰ ভাষাত কি ভাৰতৰ আন কোনো প্ৰাদেশিক ভাষাতো ক্ৰিয়াৰ প্ৰত্যয়াদি সম্বন্ধে আলোচনা কৰা কিতাপ আছে বুলি আমি কব নোৱাৰোঁ। গ্ৰিয়াৰ্চনে "লে"ৰ এ-কাৰক অপভ্ৰংশ প্ৰাকৃত ইদম্-বাচী সৰ্ব্বনাম পদ "আয়" বা অদশ-বাচী-সৰ্ব্বনাম পদ "অহহি" ৰ পৰা উৎপন্ন বুলি অনুমান কৰে।

ভূতকাল তিনি বিধ—স্বৰূপভূত, অপূৰ্ণভূত আৰু সম্ভাব্য-ভূত। আমাৰ আলোচ্য বিষয় হৈছে অপূৰ্ণভূত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়াৰ প্ৰত্যয়। ব্যাকৰণৰ মতে প্ৰত্যয়টো "(ই) ছিল"। সকৰ্ম্মক আৰু অকৰ্ম্মক ধাতুৰ দুয়ো বচনতে একেৰূপ। অতীত কালত তৃতীয় পুৰুষৰ ক্ৰিয়াৰ পিচত "লে" প্ৰত্যয় ব্যৱহাৰ হয় অকল স্বৰূপভূত কালত সকৰ্ম্মক ক্ৰিয়াৰ লগত। হাঁহ, কান্দ, কাহ, নাচ শো আদি কেতবিলাক ধাতুৰ বাজে আনবিলাক অকৰ্ম্মক ধাতুত তৃতীয় পুৰুষৰ "লে"ৰ এ-কাৰ নাথাকে। সকৰ্ম্মক অৰ্থেহে এ-কাৰ ধৰিব পাৰি। ই আমাৰ ভাষাৰ এটা সাধাৰণ নিয়ম। অসমত থকা অনাৰ্য্য মানুহসকলৰ ভিতৰত

"লে" আৰু "ল"ৰ ব্যৱহাৰত গোলমাল হোৱা খাতা... আৰু লগতে "খাইছিলেক" "গৈছিলেক" আদি ... শুনা যায়। গতিকে "ছিলে" অকৰ্ম্মক সকৰ্ম্মক নিৰ্ব্বি... অতীত তৃতীয় পুৰুষৰ প্ৰত্যয় বুলি গৃহীত হব পাৰে... একো অস্বাভাৱিক নহয়। ভুলৰ পৰাই ভাষাত কেতিয়া... কেতিয়াবা নতুন নিয়মৰ উৎপত্তি হয়। অসমীয়া... ক্ৰিয়াৰ যি "লে"বা "ইলে" প্ৰত্যয় (সি দিলে মই দি... সি অকৰ্ম্মক সকৰ্ম্মক নিৰ্ব্বিশেষে। এই প্ৰত্যয়ৰ এ-... সপ্তমী বিভক্তিৰ বাহিৰে আন একোৱে নহয়। ... ৰাম আহিলে=ৰামে আয়াতে (আহিলে=আয়াত+ইল... আইল্ল+সপ্তমী বিভক্তিৰ "আহি"=সংস্কৃত সৰ্ব্বনামৰ স... বিভক্তিৰ 'অস্মিন')। ৰামে খালে=ৰামেন খা... (খালে খাইলে খাইঅ-ইল্ল-অ-হি)।

পুৰণি অসমীয়াত সকৰ্ম্মক ক্ৰিয়াৰ অতীত তৃ... পুৰুষত "লে" প্ৰত্যয় সাধাৰণ নহয়। বৰ্ত্তমানৰ ... প্ৰত্যয় প্ৰয়োগ আধুনিক। পুৰণি অসমীয়াত 'লে' ... ঠাইত 'লা' পোৱা যায়। এই 'লা' প্ৰত্যয় ... বঙ্গ ভাষাতো পোৱা যায়। আৰু উড়িয়াত অকল ... প্ৰয়োগ আছে। উড়িয়াত তৃতীয় পুৰুষৰ একবচনত ... বহু বচনত আৰু গৌৰবাৰ্থে একবচনত 'লে' হয়। ... বঙ্গ ভাষাত আৰু অসমীয়াত সকৰ্ম্মকত "লে"ৰ ... প্ৰয়োগ আৰু উড়িয়াত এই প্ৰত্যয়টোৰ অভাৱ ... অনুমান কৰিব পাৰি যে প্ৰাচ্য মাগধী অপভ্ৰংশত ... ব্যৱহাৰ নাছিল। বঙ্গ দেশত আৰু অসমত ... উৎপত্তি ঘটে। সকৰ্ম্মক ক্ৰিয়াৰ অতীতত যেতিয়া ... প্ৰকৃতি আৰু নাথাকিল তেতিয়া মাগধী প্ৰাকৃত... উদ্ভূত ভাষাবোৰত নিষ্ঠাসিদ্ধ ক্ৰিয়াপদত সৰ্ব্বনাম ... প্ৰত্যয় যোগৰ নিয়ম হ'ল। আদি ভাষাৰ বহুত প্ৰ... অসমীয়া বঙ্গলা, উড়িয়াত বেলেগ বেলেগ ... ধৰিছে আৰু ঠাই বিশেষে নতুন নতুন প্ৰত্যয়ৰো উৎ... হৈছে। বঙ্গ ভাষাত সম্ভ্ৰমাৰ্থে "ছিলো" ব্যৱহাৰ ... আমি এতিয়ালৈকে সম্ভ্ৰমাৰ্থে আৰু তুচ্ছাৰ্থে ... ব্যৱহাৰ কৰি আহিছিলোঁ। বঙ্গ দেশৰ কোনো ... ঠাইত আৰু অসমত তৃতীয় পুৰুষৰ বৰ্ত্তমান ...



...ক্ৰিয়াপদৰ প্ৰত্যয় এ-কাৰৰ অনুকৰণত সকৰ্ম্মক ক্ৰিয়াতো ...অতীত "(ই) ল" প্ৰত্যয়ৰ উত্তৰত "এ" যুক্ত হব ধৰিলে। ...যেনে—ৰামে খাইছে, ৰামে খালে, ৰামে খাইছিলে।

প্ৰথম আৰু দ্বিতীয় পুৰুষত কিন্তু সকৰ্ম্মক আৰু ...অকৰ্ম্মকৰ প্ৰভেদ নাই। যেনে—মই দিলোঁ, মই গলোঁ; ...তুমি দিলা, তুমি গলা। প্ৰভেদ দেখা যায় অকল তৃতীয় ...পুৰুষত। কোনো কোনো ভাষাবিৎ পণ্ডিতে কয় যে ...প্ৰথম আৰু মধ্যম পুৰুষৰ সৰ্ব্বনাম মই, তই, তুমি মূলত ...তৃতীয়া বিভক্তিৰ পদ বুলি সকৰ্ম্মক ক্ৰিয়াৰে সৈতে অক-...ৰ্ম্মকৰ প্ৰথম আৰু মধ্যম পুৰুষৰ বাহিৰত সাদৃশ্য আছে।

অতীত কালত তৃতীয় পুৰুষৰ বঙ্গ ভাষাত সম্ভ্ৰমাৰ্থে ..."ছিলেন", চাওঁতাল আদি অনাৰ্য্য ভাষীসকলৰ "ছিলেক", ...আমাৰ স্বৰূপভূত কালৰ "লে" আৰু উড়িয়াৰ বহু বচনত ...আৰু গৌৰবাৰ্থে "লে" প্ৰত্যয়ৰ অনুকৰণতে বা ব্যৱহাৰৰ ...গোলযোগতে, এই একে নিয়মেই আমাৰ আধুনিক ..."ছিলে" প্ৰত্যয়ৰ উৎপত্তিৰ সম্ভৱপৰ কাৰণ বুলি অনুমান ...কৰিব পাৰি।

বঙ্গ ভাষাত তৃতীয় পুৰুষত সকৰ্ম্মক অকৰ্ম্মক নিৰ্ব্বিশেষে ...অপূৰ্ণভূত কালত "ছিল" আৰু সম্ভ্ৰমাৰ্থে "ছিলেন" প্ৰত্যয় ...। উড়িয়াতো গৌৰবে "লে" প্ৰত্যয় ব্যৱহাৰ হয় বুলি ...আমি কৈ আহিছোঁ। "ছিলে" প্ৰত্যয়টো শ্ৰুতি মধুৰ ...আৰু সম্ভ্ৰমাত্মক বুলি আমিও সম্ভ্ৰমাৰ্থে "ছিল"ৰ ঠাইত ..."ছিলে" ব্যৱহাৰ কৰিব পাৰোঁ সঁচা, কিন্তু ইমান দিনে ..."ছিল"ৰ দ্বাৰাই আমাৰ কাম সুকলমে চলি আহিছিল। ...সম্ভ্ৰমাৰ্থে আন এটা প্ৰত্যয় ব্যৱহাৰ কৰিবৰ দৰ্কাৰ অনু-ভৱ কৰা নাছিলোঁ। যেতিয়া তাহানি কালৰপৰা এটা প্ৰত্যয়েৰে আমাৰ কাম চলি আহিছে, তাৰ সলনি আন এটা প্ৰত্যয় ব্যৱহাৰ কৰা উচিত বুলি মনে নধৰে। এতিয়া সকৰ্ম্মক অকৰ্ম্মক, গৌৰৱ তুচ্ছাৰ্থ নিৰ্ব্বিশেষে "ছিলে" প্ৰত্যয়ৰ ব্যৱহাৰ শুনা যায়। ই আমাৰ সাহিত্যত ঠাই কৰি লব। যদি সকৰ্ম্মক, অকৰ্ম্মক, সম্ভ্ৰম তুচ্ছাৰ্থ নিৰ্ব্বিশেষে "ছিলে" প্ৰত্যয় ব্যৱহাৰ কৰা যায় তেন্তে "ছিল"ৰ ঠাইত নতুন প্ৰত্যয় 'ছিলে' ব্যৱহাৰ কৰিবৰ একো সকাম নাই। কাৰণ দৰাচলতে "ছিলে" আৰু "ছিল"ৰ ভিতৰত একো প্ৰভেদ নাথাকিল। কিন্তু যদি অকল সকৰ্ম্মক ক্ৰিয়াৰ উত্তৰত নাইবা অকল সম্ভ্ৰমাৰ্থে "ছিলে" প্ৰত্যয় ব্যৱহাৰ কৰা হয় তেন্তে সকৰ্ম্মক আৰু অকৰ্ম্মক আৰু গৌৰৱ ও তুচ্ছাৰ্থে ক্ৰিয়াৰ প্ৰভেদ দেখুৱাবৰ কাৰণে "ছিল"ৰ ঠাইত "ছিলে" লিখাত একো হানি নাই। সকলো ভাষাতে কেতিয়াবা কেতিয়াবা এনেকুৱা পৰিবৰ্ত্তন হোৱা দেখা যায়। ধ্বনি বিজ্ঞানৰ প্ৰবল বিধি ইয়াত নাই। মনোবিজ্ঞান আৰু শব্দ শক্তি বিকাশৰ জটিলতাই ইয়াৰ মূল কাৰণ।

এই বিষয় আৰু বহলাই নিলিখি ইয়াতেই সামৰণি মাৰিলোঁ, কাৰণ ই আমাৰ অনুমান মাত্ৰ। কোনো ভাল জনা বুজা মানুহে এই বিষয়ে মীমাংসা কৰি দিলে ভাল হয়। আলোচনা নহলে বিষয়টো ফট্‌ফটীয়াকৈ নোলায়। ইতি—

শ্ৰীসুৰেন্দ্ৰমোহন দাস।

---

## দেশৰ অন্যান্য কাগজ-পত্ৰ।

...আমাৰ কাকতৰ সলনি, বাঁহী, ঘৰ জেউতি, আৰ্য্য-...দৰ্পণ, মিলন, সাধনা আৰু পশুপালন এই কেইখন কাকত ...আমি পাই আহিছোঁ। কেউখনি কাকত সুচাৰুৰূপে সম্পাদিত হোৱা দেখি আমি সন্তোষ পাইছোঁ। বাঁহী আৰু আৰ্য্যদৰ্পণ আগৰ দৰেই সৰব্‌ৰহী হৈ যথা সময়ত ওলাব লাগিছে। ঘৰজেউতি আৰু পশুপালনৰ উন্নতি

চকুত লগা হৈছে। মিলনৰ ঠাই আৰু সম্পাদক সলনি হোৱাতো মোলৰ তাৰতম্য ঘটা নাই। সাধনাৰ সাধনা সাৰ্থক হব বুলি আমি আশা কৰিছো। কেউখনি কাক-তৰ আমি দীৰ্ঘ জীৱন কামনা কৰিছো।

টাইমচ্ অৱ আসাম, অসমীয়া আৰু আসাম বন্তিৰো আমি সকলো প্ৰকাৰৰ কল্যাণ কামনা কৰিছো। টাইমচ্ অৱ আসামে আগৰ দৰেই সদাই নিৰ্দ্দিষ্ট সময়ত ওলাই আগৰ নীতি মতেই কৰ্ত্তব্য পালন কৰি আ… বন্তিয়ে বিবিধ তৰহৰ বাধা বিঘিনি অতিক্ৰম কৰি স… যথা সময়ত ওলাব পৰা নাই যদিও, দুই চাৰিটি … কথা বুকত লৈ সদায় ওলাই আছে। শ্ৰেণী বিশে… মতৰ বাহিৰে বিপৰীত মতৰ লিখা প্ৰকাশ কৰা … নগলেও "অসমীয়াৰ" আকাৰ প্ৰকাৰৰ উন্নতি দেখি স…ন্তোষ পাইছো।

---

## যোৱা সংখ্যাৰ ভুল।

যোৱা সংখ্যা পত্ৰিকাৰ "আমাৰ ছোৱালীৰ বিবাহৰ বয়স" শীৰ্ষক প্ৰবন্ধত তলত লিখা ছপাৰ ভুল থাকি গৈছে—

| পিঠি | স্তম্ভ | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|---|
| ১৮২ | ২য় | ১ | আৰু | অষ্ট… |
| " | ,, | ১৪ | দৰ্থি মহা | দখিম… |
| ,, | ,, | ২৫ | অনামিকাং | অনামি… |
| ,, | ,, | ২৭ | অকঞ্চিতা | অৰাক্ষি… |
| ,, | ,, | ২৮ | কঞ্চৈ নৈস্ত্ৰ | ৰাঞ্চ… |
| ,, | ,, | ৩০ | তস্মাদকঞ্চনো | তস্মাদ… |
| ১৮৩ | ,, | ২৭ | শুক্ৰ | শুশ্ৰু… |
| ,, | ,, | ২৯ | জানয়েৎ | জানিয়া… |
| ,, | ,, | ৩১ | যদ্যাৰস্তে | যদ্যাৰ… |
| , | ,, | ৩৩ | তামাদতাস্ত | তস্মাদ… |

---

## মহিলা সম্মিলন আৰু আমাৰ আত্মৰক্ষা।

প্ৰবন্ধটো চুটি কৰো বোলাতো দীঘল হল। এক্ষেত্ৰ আমনি নহি পাঠকসকলে যেন শেষলৈকে পঢ়ি চায়, এই আশা কৰিলো।

এই বছৰৰ চতুৰ্থ সংখ্যাত ওলোৱা "যোৰহাটত মহিলা সম্মিলন" বোলা প্ৰবন্ধটোৰ আমাৰ … কথা কেইবাৰে এচুকেদি বৰ খলকনি লগালে। … টোৱে সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমি… কোবাইছেহি। যোৱা ২৮ জুলাই তাৰিখে সাহিত্য স…



প্ৰধান সম্পাদকৰপৰা আমি তলত লিখা চিঠিখন পাইছিলো :—

নঃ ২০৩ যোৰহাট
২৫ জুলাই ১৯২৯।

আসাম সাহিত্য সভা পত্ৰিকাৰ
শ্ৰীযুত সম্পাদক ডাঙৰীয়া মাঙ্গবৰেষু।

সবিনয় নিবেদন,

এই চিঠিৰ লগত, আমি পোৱা দুখন চিঠিৰ নকল পঠালো। এই চিঠি কেইখনৰ সম্পৰ্কে আপোনাৰ কিবা বক্তব্য থাকিলে আমাক জনাব বুলি আশা কৰিলো। ইতি—

বিনীত—
শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা,
প্ৰধান সম্পাদক
আসাম সাহিত্য সভা, যোৰহাট।

### আচল নকল।

শ্ৰীযুত আসাম সাহিত্য সভাৰ
প্ৰধান সম্পাদক ডাঙৰীয়া,

তলত দিয়া প্ৰস্তাৱটি আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সভাত ডাঙ্গি ধৰিবলৈ সোনকালে এখন সভা আহ্বান কৰিবলৈ আপোনাক খাটিলো। ১৯।৭।২৯।

"সাহিত্য সভা পত্ৰিকাৰ ৩য় বছৰ ৪ৰ্থ সংখ্যাত প্ৰকাশ হোৱা "আসাম মহিলা সমিতি" আৰু "সাহিত্য সভা আৰু তিৰী জাগৰণ" শীৰ্ষক দুটা প্ৰবন্ধত সাহিত্য সভাৰ নিয়মৰ বাহিৰে আৰু অসংগত ভাবে যি মতামত প্ৰকাশ হৈছে, সি এই সভাৰ মত নহয় আৰু এই সভাই উক্ত পত্ৰিকাৰ সম্পাদকক এই দুটি প্ৰবন্ধ উঠাই লবলৈ আৰু পত্ৰিকাৰ অহা সংখ্যাত সেইবাবে দুখ প্ৰকাশ কৰিবলৈ অনুৰোধ কৰে"।

স্বাক্ষৰ—শ্ৰীৰাধাকান্ত সন্দিকৈ।
" শ্ৰীদেবেশ্বৰ চলিহা।
" শ্ৰীগুণগোবিন্দ দত্ত।
" শ্ৰীহেৰম্বপ্ৰসাদ বৰুৱা।
" শ্ৰীগনকান্ত বৰুৱা।
" শ্ৰীচন্দ্ৰনাথ ফুকন।*

### আচল-নকল।

১৯।৭।২৯ তাৰিখে গৱৰ্ণমেণ্ট হাইস্কুলত শ্ৰীযুতা ৰত্নকুমাৰী ৰাজখোৱানীৰ সভা নেতৃত্বত বহা যোৰহাট মহিলা সমিতিৰ বিশেষ অধিবেশনৰ প্ৰস্তাৱৰ নকল।

( ক ) আসাম সাহিত্য সভা পত্ৰিকাৰ ৩য় বছৰ ৪ৰ্থ সংখ্যাত দুটা আপত্তিজনক প্ৰবন্ধ প্ৰকাশিত হৈ সদৌ অসমৰ মহিলা সম্মিলনীৰ সভানেত্ৰী আইদেউ আৰু শ্ৰদ্ধাস্পদা ৰাজখোৱানী ডাঙৰীয়ানীক বিদ্ৰূপ আৰু অপমান কৰি আৰু বৰ্ত্তমান কালোপযোগী নাৰীৰ চাল-চলনৰ বিৰুদ্ধে লিখি সদৌ অসমৰ নাৰী জাতিক বিশেষভাৱে অপমান কৰিছে। সেই প্ৰবন্ধ দুটাৰ প্ৰতিবাদ কাগজে পত্ৰে ওলাইছে আৰু যোৱা বেলি মহিলা সমিতিৰ অধিবেশনতো ইয়াৰ প্ৰতিবাদ কৰা হৈছিল। তথাপি আজিলৈকে পত্ৰিকাৰ সম্পাদকে কোনো প্ৰতিকাৰ কৰা দেখা নগল। এতেকে এই সভাই সাহিত্য-সভা পত্ৰিকাৰ সম্পাদকক গৰিহণা দিয়ে।

( খ ) এই প্ৰস্তাৱৰ এটি নকল "অসমীয়া" বাতৰি কাকতলৈ পঠোৱা হওক।

প্ৰস্তাৱিকা—শ্ৰীযুতা জ্ঞানবালা বৰুৱানী।
অনুমোদিকা—শ্ৰীযুতা পবিত্ৰী বৰকাকতী।
সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

আসাম সাহিত্য সভাৰ ঘাই সম্পাদকলৈ জ্ঞাতাৰ্থে পঠোৱা যায়।

ইতি

যোৰহাট
২৪।৭।২৯।

স্বাক্ষৰ--শ্ৰীৰত্নেশ্বৰী বৰুৱানী
সম্পাদিকা
যোৰহাট মহিলা সমিতি –

প্ৰধান সম্পাদকৰ উপৰক্ত চিঠিৰ আমি এইদৰে উত্তৰ দিলো।

যোৰহাট।
৩১।৭।২৯।

আসাম সাহিত্য-সভাৰ প্ৰধান সম্পাদক মহাশয়ৰ
সমীপেষু।

সম্পাদক ডাঙৰীয়া.

আপোনাৰ যোৱা ২৫ জুলাই তাৰিখৰ ২০৩ নং চিঠি আৰু তাৰ লগত পঠোৱা শ্ৰীযুত ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আদিৰ আৰু শ্ৰীযুতা ৰত্নেশ্বৰী বৰুৱানীৰ দুখন চিঠিৰ নকল পালো।

ইয়াৰ ভিতৰৰ, বৰুৱানীৰ চিঠি কেৱল আপোনাৰ 'জ্ঞাতাৰ্থে পঠোৱা' হৈছে; আৰু তাৰ বিষয়ে সম্প্ৰতি মোৰ কোনো বক্তব্যৰ

---

* এই আবেদনৰ কথা "অসমীয়া" কাকতত প্ৰকাশ কৰাওঁতে আৰু সেনগুপ্তৰিৰ শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা বি, এলৰ নামো, নিছাকৈয়ে কথাটো গধুৰ কৰিবলৈ ইয়াতে হাজী ফাইজুদ্দিন আহ্মদ চাহাব লগাই দিয়া হৈছিল।—সম্পাদক, পত্ৰিকা।

প্ৰয়োজন নেদেখো। পত্ৰিকা সম্পাদক সম্পাদকীয় কাৰ্য্যৰ বাবে, সাহিত্য সভাৰ ওচৰতহে দায়ী, যোৰহাট মহিলা সমিতিৰ ওচৰত দায়ী নহয়।

শ্ৰীযুত নন্দিকৈ ডাঙৰীয়া আদিৰ চিঠিৰ সম্পৰ্কে মই সম্প্ৰতি ইয়াকে জনাব খোজোঁ,—

এই চিঠিত, পত্ৰিকাত প্ৰকাশ হোৱা প্ৰবন্ধ দুটিত "সাহিত্য সভাৰ নিয়মৰ বাহিৰে আৰু অসংযতভাৱে মতামত প্ৰকাশ হৈছে" বুলিছে। আৰু তাত প্ৰকাশ হোৱা মত সাহিত্য সভাৰ মত নহয় বুলিছে। উল্লিখিত প্ৰবন্ধৰ কোন কোন ঠাইত এই দোষ ঘটিছে, সাহিত্য সভাৰ কোন নিয়মৰ কেনেকৈ উলঙ্ঘা কৰা হৈছে, আৰু তাত প্ৰকাশ হোৱা মত কোন খিনিত সাহিত্য সভাৰ মতেৰে সৈতে অমিল হৈছে, এইবিলাক কথা জানিবলৈ নেপালে এই চিঠিৰ সম্পৰ্কে আপোনাক মোৰ বক্তব্য জনোৱাটো সম্ভৱপৰ নহয়।

শেহত জনাওঁ যে সাহিত্য সভা পত্ৰিকা মহিলা সম্মিলনৰ বিৰোধী নহয়; আৰু উপৰুক্ত প্ৰবন্ধ দুটিও মহিলা সম্মিলনৰ বিৰুদ্ধাচৰণ কৰিবৰ অভিপ্ৰায়েৰে প্ৰকাশ কৰা নহৈছিল।

বিনীত—

শ্ৰীচন্দ্ৰধৰ বৰুৱা।

সম্প্ৰতি এই কথা ইমানতে আছে; পাচত ডাল পাত বাঢ়ি আৰু কিমানলৈ ফেৰ মেলেগৈ তাৰ ঠিকনা নাই। এতেকে এই জোৰাতে আমিও একেষাৰ কৈ থওঁ।

আমাৰ ক্ষুদ্ৰ প্ৰবন্ধটোৱে অবাবত ইমান বিভ্ৰাট ঘটোৱা দেখি আমি সঁচাকৈয়ে আচৰিত হৈছোঁ। খাজনা বৃদ্ধি, চাইমন কমিশ্যন, শিক্ষা বিস্তাৰ, কৃষি, শিল্প, বানিজ্য, অৰ্থনীতি আদি আন আন লাগতিয়াল বিষয়ে ইয়াৰ আধাৰো আধা মনোযোগ পোৱা হলেও দেশৰ আৰু বহুত উপকাৰ হ'লহেতেন। আমাৰ প্ৰবন্ধৰ কোনখিনিত ঘাটি লাগিল, তাকো আমি এতিয়ালৈকে বুজিব পৰা নাই। সমালোচকসকলেও অকল আমাক গালিহে পাৰিছে, কিন্তু প্ৰবন্ধটোৰ কোন খিনিত কি দোষৰ বাবে পাৰিছে, তাক আজিলৈকে কোনেও কোৱা নাই। আমি আগেয়েও একুৰি এবাৰ কৈ আহিছোঁ আৰু এতিয়াও পুনৰ কৈছোঁ, আমি আমাৰ নাৰীজাতিৰ উন্নতিৰ সম্পূৰ্ণ পক্ষপাতী আৰু উপৰুক্ত প্ৰবন্ধতো আমি মহিলা সম্মিলনৰ সৰ্ব্বতোভাৱে উন্নতিৰহে কামনা কৰিছিলোঁ।

আমি কেৱল অভ্যৰ্থনা-সভা-নেত্ৰীৰ অভিভাষণৰ দুঠাইত আপোত্তি ধৰিছিলো—এঠাইত য'ত তেখেতে তিৰোতাই গিৰীয়েকৰ নামেৰেহে চিনাকি দিব লাগে বুলি দুখ কৰিছে; আৰু ইঠাইত, য'ত মহিলাসকলক বছেৰেকত তিনি মাহলৈ উদং মেলি দিবলৈ অনুৰোধ কৰিছে। এই দুঠাইত অভিভাষণখনি অশুৱনি হৈছে বুলি সকলোৱে স্বীকাৰ কৰে। তেনেহলে তাকে কোৱা বাবে আমাৰ গাতনো এনে নভগা-নিছিগা দাই কেনেকৈ লাগিল, আমি বুজিব পৰা নাই।

মহিলা সম্মিলন এটি সামাজিক অনুষ্ঠান আৰু তাত পাঠ কৰা অভিভাষণবিলাক সাহিত্য। মাৰ্জ্জিত ৰুচি সৎ সাহিত্যৰ এক অপৰিহাৰ্য্য অঙ্গ। ইফালে সাহিত্য আৰু সমাজৰ উন্নতিয়েই সাহিত্য সভা পত্ৰিকাৰো মুখ্য উদ্দেশ্য। এতেকে, সেই অভিভাষণত ৰুচিবিগৰ্হিত কিবা থাকিলে, তাৰ সমালোচনা কৰাটো পত্ৰিকাৰ ঘাই কৰ্ত্তব্য। এই ওলাই থকা জল্-জল্, পট্-পট্ কথাটো যদি কোনোবাই সুবুদ্ধে বা সুবুদ্ধ্য ভাও ধৰে, তেনেহলে সেই মানুহক বুজাবলৈ যোৱা অসাৰ্থক। শ্ৰীমাৰী-বোৱাৰী গোটাই লৈ, মাক-বাপেক শাহুৱেক-শহুৰেক আদিৰ সাক্ষাতে আৰু শ্ৰীশ্ৰীযুত গড়মুৰীয়া গোসাইৰ দৰে পূজনীয় মানুহ আগত থৈ, ওপৰত কোৱা বিধৰ ঘা নোহোৱা ঠাইত মাখি পেলাবলৈ উপক্ৰম কৰা কথা, আৰু অশোভন উপমা থকা অভিভাষণ পাঠ কৰা আৰু কৰোৱাটো দোষণীয় নহয়: কিন্তু তাকে মাৰ্জ্জিত ভাষাৰে আৰু বেমেলীয়া কথাৰে পাতলাই বেয়া বোলাটো হ'লে ৰুচিবিগৰ্হিত আৰু অমাৰ্জ্জনীয় অপৰাধ! ইয়াকেহে বোলে—

সচ্চা কহে তো মাৰে লাঠ্, যুঠা জগৎ ভুলাৱে;
গো-ৰস গলি গলি ফিৰে, সুৰা বৈঠল্ বিকাৱে।
চোৰকু চোৰে সাধ্কু বান্ধে পথিক্‌কু লগাৱে ফাস;
ধন্য কলিযুগ তেৰে তামাসা দুখ লাগে ওৰ হাস।

কোনো কোনোৰ মতেৰে আমি প্ৰকাশ কৰা কথা আৰু মতো বোলে মিছা নহয়; তথাপি তেনো মহিলা সকল মহিলা দেখি, মহিলা সন্মিলনৰ কোনো কথাকে আমি বেয়া বুলিব নেপাওঁ। মহিলা সমিতিৰ পৰা এই



শ্ৰেণীৰ মানুহে যি আশা কৰে আমি তাতকৈ সৰহ কৰিছোঁ। সেইদেখি, মহিলা সমিতিৰ কিবা দোষ দেখিলে, তাক তাৰে হতুৱাই গুচোৱাই লৈ, গুৰিৰে পৰা সমিতিখন কেৰোণে নধৰাকৈ উঠিবলৈ সাহায্য কৰাটো আমি আমাৰ কৰ্ত্তব্য বুলি ভাবোঁ। তাকে কৰিবলৈ, কেতিয়াবা প্ৰয়োজন হলে, আমাৰ বাই, ভনী, জীসকলক, মহিলা বুলি মুখলৈ চাই, দাই নধৰাকৈ থাকিলে, তেওঁলোকৰ উপকাৰ নকৰি অপকাৰহে কৰা হব।

কোনোৱে আমাৰ ৰুচিকে "বিগৰ্হিত" বুলিছে। আমাৰ সমালোচনাটো ঘাইকৈ ৰুচিৰ বিষয়েই হৈছিল। সেইদেখি আলোচিত ৰুচিতকৈ সমালোচনাৰ ৰুচিক ভাল বোলাবলৈহে আমি যত্ন কৰিছিলোঁ। কোন খিনিত তাতকৈ নামিছোঁ, সেইটো আমাৰ চকুত পৰা নাই।

অসম মহিলা সমিতিৰ গুৱাহাটীত থকা ঘাই কাৰ্য্য-নিৰ্ব্বাহক সভালৈ আমি এই চলতে সন্মান জনাইছোঁ। এই সভাই এই অমঙ্গলীয়া বিষয়টোত নিৰপেক্ষ ভাবে আচৰণ কৰিবলৈ চেষ্টা কৰা যেন দেখা যায়। এই সভাই আমাৰ অকল ৪ দফা কথাৰহে "প্ৰতিবাদ" কৰিছে:— (১) অকল অৰ্থডক্স মানুহেই নহয়, শিক্ষিত আৰু সম্ভ্ৰান্ত সম্প্ৰদায়ৰ মহিলাই সম্মিলনিত সচলনিকৈ যোগ নিদিলে; (২) তালৈ বছা বছা মানুহৰহে নিমন্ত্ৰণ হৈছিল; (৩) এই পত্ৰিকাৰ তাত সোমাবলৈ অধিকাৰ নাছিল; (৪) সাহিত্য সভাৰ সভাপতিক নিমন্ত্ৰণ কৰা নহল।

(১) সচলনিকৈ সকলোৱে যোগ নিদিয়াটো সঁচা কথা। মহিলা সন্মিলন হৈ যোৱাৰ পাচত "টাইম্‌চ্ অব আসাম" কাকতত জাহিৰ কৰোৱা হৈছিল বোলে অকল "অৰ্থডক্স কমিউনিটীৰ" মানুহেহে ইয়াত যোগ দিয়া নাছিল। সেই দেখি আমি লিখিছিলোঁ বোলোঁ, অকল অৰ্থডক্স মানুহেই নহয়, শিক্ষিত আৰু সম্ভ্ৰান্ত মানুহবো বহুতে যোগ দিয়া নাছিল। আমি মাথোঁ কেইজনমানৰ কথা কওঁ,—ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱা, ৰায়বাহাদুৰ ৰাধানাথ ফুকন, মৌলবী ফাইজুদ্দিন আহমদ, ৰায় চাহাব দেৱেশ্বৰ বৰুৱা, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা, ৰায় চাহাব নাৰায়ণ বৰুৱা, শ্ৰীযুত কাশীনাথ শইকীয়া, যোৰহাটৰ শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা, কেন্দুগুৰিৰ শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা, শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱা, শ্ৰীযুত পদ্মনাথ শৰ্ম্মা আদি অনেক মাতঃবৰ মানুহৰ ঘৰৰ মহিলাই সন্মিলনত যোগ দিয়া নাই। তেনেহলেনো "সকলোৱে সচলনিকৈ যোগ" নিদিয়াটো কেনেকৈ মিছা হল?

(২) পুৰুষক বাছি বাছি নিমন্ত্ৰণ কৰা কথাটোৰ সত্যতা বুজিবৰ অৰ্থে সৰহলৈ যাব নেলাগে: নিমন্ত্ৰিত ভদ্ৰলোকৰ ফৰ্দ্দখন চালেই কথাটো ওলাই পৰিব। ওপৰত নাম লিখাৰো কোনো কোনোৱে নিমন্ত্ৰণ পোৱা নাছিল। লাগিলে নিমন্ত্ৰণ নকৰা মানুহৰ ফৰ্দ্দ এখন আমি দিব পাৰোঁ।

(৩) পত্ৰিকাৰ সম্পাদকক নিমন্ত্ৰণ নকৰাৰ কথা কোনেও অস্বীকাৰ কৰা নাই। তেওঁক নিমন্ত্ৰণ কৰা নকৰাৰ তেঁৱেই বিশিষ্ট সাক্ষী। আইন মতেও ইয়াক বেষ্ট্ এভিডেন্স্ অৰ্থাৎ উৎকৃষ্ট প্ৰমাণ বোলে। তেনেহলে লোকক মাতি সম্পাদকক নেমাতিলে, সম্পাদকৰ জানো মহিলা সন্মিলনত সোমাবৰ অধিকাৰ থাকে?

(৪) সাহিত্য সন্মিলনৰ সভাপতিক নিমন্ত্ৰণ নকৰাটো কথাত অলপো সন্দেহ নাই। আমি শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙ্গৰীয়ালৈ চিঠি লিখি আকৌ সিদিনাও এই কথা সুধিছিলোঁ। তেখেতে ১১।৮।২৯ তাৰিখে আমালৈ যি উত্তৰ দিছে, পাঠকসকলৰ জ্ঞাতাৰ্থে তাৰপৰা এফাকি তলত তুলি দিলোঁ:—"মোক যে যোৰহাটত বহা যোৱা মহিলা সন্মিলনলৈ পাহৰা হেতুকে নিমন্ত্ৰণ কৰা নহল, এই কথা আপোনাসকলেই জানে, মোক নো সুধিছে কিয়?" তেনেহলে, সাহিত্য সন্মিলনৰ সভাপতিক নিমন্ত্ৰণ কৰা হৈছিল বুলি, "অসমীয়া" কাকতত প্ৰথমতে প্ৰকাশ কৰা প্ৰতিবাদটোক ইৰ্ষাপূৰ্ণ অসত্যৰ বাহিৰে আৰু কি বুলিব পাৰি?

আমাৰ সম্পূৰ্ণ বিশ্বাস যে এইবিলাক কথা ভালকৈ জনা হলে, গুৱাহাটীৰ কাৰ্য্য-নিৰ্ব্বাহক সভাই এই চাৰি দফা কথাৰো প্ৰতিবাদ নকৰিলেহেতেন। সি যি হওক, এই চাৰি দফা কথাও আমি মহিলা সন্মিলনৰ অহিত

সাধিবৰ অৰ্থে লিখা নাছিলোঁ। আগলৈ এনে সৰুসুৰা বেমেজালি নঘটিবৰ অভিপ্ৰায়েৰেহে কাৰ্য্যকৰ্ত্তা আৰু কাৰ্য্যকৰ্ত্ৰীসকলৰ চকুত পেলাই দিছিলোঁ। আমাৰ উপৰুক্ত প্ৰবন্ধত প্ৰকাশ কৰা মতেই যে অধিকাংশ শিক্ষিত আৰু নিৰপেক্ষ মানুহৰো মত, এই বিশ্বাস আমাৰ এতিয়াও গুচা নাই।

কোনো কোনোৱে আমাৰ প্ৰবন্ধটো ওপৰে ওপৰেহে পঢ়ি চাই, কোনোৱে আকৌ তাক সমূলি পঢ়ি নোচোৱাকৈয়ে, অকল তাৰ প্ৰতিবাদ দেখিয়েই আমাক নাৰী জাতিৰ উন্নতিৰ ঘোৰ শত্ৰু বুলি থাৱৰ কৰিছে। আমাৰ প্ৰবন্ধটো আগৰপৰা গুৰিলৈকে ভালকৈ পঢ়ি চাবলৈ আমি তেওঁলোকসকলক অনুৰোধ কৰিছোঁ। আমি আমাৰ প্ৰবন্ধত অকল মাত্ৰ যোৰহাটৰ অভ্যৰ্থনা সমিতিৰ কামৰহে ওজন ধৰিছিলোঁ, মহিলা সমিতিৰ বিৰুদ্ধে এটা শব্দও লিখা নাই; বৰং মহিলা সমিতিক সমৰ্থনহে কৰিছিলোঁ। এই ওলাই থকা কথাটো কোনোবাই বুজিব নুখুজিলে, তাৰ বাবে আমি দায়ী নহওঁ।

টাইম্‌চ্‌ অব্‌ আসামত শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙ্ৰীয়াই আমাক সমৰ্থন কৰিছিল। তাৰ পাচত, কোনোবা "কে. চি, বৰুৱাই আমাৰ "ফেণ্ড" বুলি তেখেতক ইতিকিং কৰিছে। শ্ৰীযুত কে, চি, বৰুৱাৰ যুক্তিলৈ নামি, তেওঁ কোৱা মতেই বৰবৰুৱা ডাঙৰীয়াৰ কথা উৰাই দিয়াটো নিৰপেক্ষ মানুহে কিমান যুক্তিসঙ্গত বুলি ভাবে ক'ব নোৱাৰো।

শ্ৰীযুত কে, চি বৰুৱাৰ মতেৰে সম্পাদকীয় প্ৰবন্ধতকৈও শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ প্ৰবন্ধটো প্ৰকাশ কৰাহে আমাৰ ডাঙৰ অপৰাধ; কাৰণ আমাৰ প্ৰবন্ধত থকাবিলাক কথাকে অধস্য ভাষাৰে লিখা ভট্টাচাৰ্য্য মহাশয়ৰ প্ৰবন্ধটোও ছপাই আমি পত্ৰিকাৰ মূল্যবান পাতকেইটা খৰচ কৰিব নালাগিছিল। তেনেহলেনো বাৰু, "অসমীয়া" কাকতত আমাৰ বিৰুদ্ধে কোনোবা নাম নোহোৱা ভদ্ৰলোকে সপ্তাহে পতি পাচিয়ে পাচিয়ে লিখি থকাতো, সেই একেবোৰ কথাৰেই একেখন মাত্ৰ ইংৰাজী কাকত টাইম্‌চ্‌ অব আসামৰো আৰু মূল্যবান ঠাইকেৰা শ্ৰীযুত কে, চি, বৰুৱাই কিয় ভৰাব লাগিছিল? ভট্টাচাৰ্য্য ডাঙৰীয়াৰ প্ৰবন্ধৰ বাবে আমি আন ঠাইটো গৰিহণা* খাইছোঁ। সেই প্ৰবন্ধৰ সকলোখিনি কথা তেখেতৰ নিজা। তাৰ প্ৰতিবাদ কৰিবলৈ পত্ৰিকাত সকলোলৈকে বাট মুকলি আছিল। কোনো ৰাজহুৱা কথাত অকল এক শ্ৰেণীৰ মানুহৰ মতৰ বাজে বিভিন্ন শ্ৰেণীৰ মত প্ৰকাশ কৰিবলৈ অমান্তি হোৱাটো সভ্য বাতৰি কাকত বা আলোচনীৰ ধৰ্ম্ম নহয়। তেখেতৰ প্ৰবন্ধটি প্ৰকাশ নকৰাহলে, পত্ৰিকাক সঙ্কীৰ্ণতা দোষে ছুলেহেতেন। তাৰ যদি কোনোবাই কিবা যুক্তিযুক্ত প্ৰতিবাদ পঠোৱাত আমি তাক প্ৰকাশ নকৰিলোহেতেন, তেতিয়াহে এই প্ৰবন্ধৰ বাবে এইদৰে আমাকো সামৰি লৈ আন্দোলন কৰাটো শোভা পালেহেতেন। ভট্টাচাৰ্য্য ডাঙৰীয়া শিক্ষিত অভিজ্ঞ আৰু বয়সীয়াল মানুহ গুণে তেখেতৰ প্ৰবন্ধটি আমি প্ৰয়োজনীয় ভাবি প্ৰকাশ কৰিছিলোঁ।

এজনে অভিযোগ কৰিছে আমি হেনো সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযুত পূৰ্ণানন্দ পাঠক মহোদয়ে সৈতে গোটখাই অসম দেশৰ মহিলা কুলৰ এই উন্নতিমূলক আন্দোলনৰ প্ৰতিবন্ধকতা আচৰণ কৰি প্ৰবন্ধ প্ৰকাশ কৰিছিলোঁ। এই কথা সমূলি মিছা। পত্ৰিকাত ওলোৱাৰ আগেয়ে প্ৰধান সম্পাদকে বিবাদী প্ৰবন্ধৰ বিষয়ে একো নাজানে।

আজি ছমাহে আমি বঢ়িয়াকৈ ভাবি চাইছোঁ। ভাবিছোঁ মানে, মহিলা সমিতি সম্পৰ্কে আমাৰ আচৰণ সম্পূৰ্ণ সঙ্গত বুলি আমাৰ ধাৰণা ডাঠহে হৈ গৈছে। মহিলা সমিতিক আমি অকণো অৱমাননা কৰা নাই; বিবাদী প্ৰবন্ধত প্ৰকাশ কৰা আমাৰ সকলো কথা সম্পূৰ্ণ সচা, আৰু আমি তাত প্ৰকাশ কৰা মতেইহে শিক্ষিত মানুহৰো বহুতৰ মত——এই কথাৰ আমি সমূলি ইফাল সিফাল কৰিব নোৱাৰোঁ; কাৰণ মহিলা সম্মিলনৰ সম্পৰ্কে আমি প্ৰকাশ কৰা কোনো কথাৰে ক'ৰো এটা শব্দৰো অকণো [ৰ]দ্‌বদল্‌ কৰিবৰ কাৰণে, এতিয়ালৈকে আমি একো [উপ]যুক্ত যুক্তি দেখা পোৱা নাই।

[ত]েও বুলি আমাত লাগি কোনোবাই কিবাৰূপে [মন]ত বেজাৰ পোৱাটো আমাৰ পক্ষে দুখৰ কথা। [কাক]ো কোনোৰূপে বেজাৰ দিয়াটো আমাৰ অভিপ্ৰায় [না]ছিল। কোনোবাই যদি বেজাৰ পাব নলগীয়া কথাতে অনাবত বেজাৰ পাইছে, তাৰ বাবে আমি দুঃখিত হৈছোঁ।

আমাৰ হকে এই কেইআষাৰকে কবলৈ সুযোগ পাই আমি সুখী হৈছোঁ। আশা কৰোঁ আকৌ এই অপ্ৰীতিকৰ বাদানুবাদত যোগ দিবলৈ আমাৰ আৰু প্ৰয়োজন নহব।

---



# আসাম সাহিত্য সভাৰ একাদশ বাৰ্ষিক সম্মিলন।

যোৰহাট—শনিবাৰ—১৬ চ'ত। ১৮৫১ শক। ইং ৩০।৩।১৯২৯।

...সাহিত্য সভাৰ কেন্দ্ৰস্থল চন্দ্ৰকান্ত সন্দিকৈ হলৰ ...মুখতে যোৰহাটৰ অভ্যৰ্থনা সমিতিয়ে সুন্দৰকৈ সজোৱা ...ম্মিলন মণ্ডপত আজি দিনৰ ২ দুই বজাৰপৰা একাদশ ...আসাম সাহিত্য সম্মিলনৰ প্ৰথম দিনৰ অধিবেশন হয়। ...প্ৰায় ৫০০০ পাঁচ হাজাৰমান নিমন্ত্ৰিত আৰু অনিমন্ত্ৰিত ...মানুহেৰে সভা মণ্ডপ ভৰি পৰিছিল। একে সময়তে ...সময়তে হাইস্কুলৰ হলত মহিলা সম্মিলন হোৱা স্বত্ত্বেও ...প্ৰায় ১০০ এশ গৰাকীমান মহিলা সভাত উপস্থিত ...আছিল। প্ৰজাৰ সমাগম ইমান বেচি হৈছিল যে মণ্ড-...ৰ চাৰিওফালে অনেক দৰ্শকে ঠিয় হৈ থাকিব লগীয়া ...হৈছিল। শ্ৰীলশ্ৰীশ্ৰীযুক্ত গড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী ...আৰু শ্ৰীশ্ৰীযুক্ত পুৰণিমটীয়া সত্ৰাধিকাৰ মহন্ত উভয়ৰ ...উপস্থিতিৰ দ্বাৰাই সম্মিলন গৌৰৱান্বিত হৈছিল। কাৰ্য্য-...নিৰ্বাহক সমিতিৰ সভ্যসকল আৰু অভ্যৰ্থনা সমিতিৰ ...সভ্যসকলৰ নাম বাহুল্য ভয়ত উল্লেখ নকৰি দূৰৈৰপৰা ...অহা প্ৰতিনিধি, বিশিষ্ট সভ্য আৰু ভদ্ৰলোকসকলৰ ...নাম তলত দিয়া হল :—

...শ্ৰীযুত ৰজনীকান্ত বৰদলৈ। শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী। ...শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতি। „ কামাখ্যানাথ ভট্টাচাৰ্য্য। ... দ্বাৰিকানাথ গোস্বামী। „ জলতিৰাম ভূঞা লহকৰ। শ্ৰীযুত দীনেশ্বৰ গোহাই ভক্তিবিনোদ। শ্ৰীযুত পদ্মধৰ চলিহা। শ্ৰীযুত বেণুধৰ শৰ্ম্মা। শ্ৰীযুত মুক্তানন্দ গোস্বামী। শ্ৰীযুত লক্ষীধৰ শৰ্ম্মা। গোলাপচন্দ্ৰ গোস্বামী। শ্ৰীযুত যজ্ঞৰাম ভূঞা। শ্ৰীযুত ভ্ৰমৰচন্দ্ৰ শইকীয়া। মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা। শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী। শ্ৰীযুত মহাদেৱ শৰ্ম্মা। শ্ৰীযুত হলিৰাম মহন্ত ঠাকুৰ। শ্ৰীযুত ৰামেশ্বৰ বৰুৱা। ডাক্তৰ মহানন্দ বৰুৱা, সাহিত্যভূষণ। শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা। শ্ৰীযুত আনন্দৰাম হাজৰিকা। শ্ৰীযুত বিচিত্ৰনাৰায়ণ দত্ত বৰুৱা। শ্ৰীযুত কৃষ্ণনাথ বেজবৰুৱা। শ্ৰীযুত ব্ৰহ্মানন্দ দত্ত। শ্ৰীযুত লক্ষীৰাম নাথ। শ্ৰীযুত নগেন্দ্ৰনাথ বৰুৱা। শ্ৰীযুত মহেশ্বৰ শইকীয়া। শ্ৰীযুত হৰকান্ত শৰ্ম্মা। শ্ৰীযুত কমলচন্দ্ৰ বৰুৱা। শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা। শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা। ডাক্তাৰ শ্ৰীযুত বিপিনবিহাৰী বৰা। শ্ৰীযুত পাৰ্ব্বতীপ্ৰসাদ বৰুৱা। শ্ৰীযুত সোমকান্ত বৰুৱা। শ্ৰীযুত ভগৱতীপ্ৰসাদ বৰুৱা। শ্ৰীযুত যোগকান্ত বৰুৱা। শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা। শ্ৰীযুত উপেন্দ্ৰ নাথ বৰুৱা। ৰায় চাহাব শ্ৰীযুত নাৰায়ণচন্দ্ৰ শৰ্ম্মা বৰুৱা। শ্ৰীযুত খগকান্ত মজিন্দাৰ বৰুৱা। শ্ৰীযুত চাৰুচন্দ্ৰ গোস্বামী ব্যাকৰণশাস্ত্ৰী। শ্ৰীযুত গুৰুপ্ৰসাদ চলিহা, ইত্যাদি।

---

* এই "গৰিহণা" শব্দটোৰ বাবে পাঠকসকলে আমাক ক্ষমা কৰিব। আমি ইয়াক লোকৰ মুখৰপৰা লৈহে তুলি দিছোঁ। স. স.

তলত নাম দিয়া সমাগত স্থানীয় ভদ্ৰলোকসকলৰ নাম উল্লেখযোগ্য :—

মিঃ কে, কেণ্ট্‌লি, ডেপুটী কমিচনাৰ। মিঃ এ, টন্‌ষ্টল্‌। মিঃ আৰু মিচেচ্‌ বাট্ৰা। ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা। ৰায় চাহাব শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱা। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী। শ্ৰীযুতচন্দ্ৰকমল বেজবৰুৱা। ৰায় চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰকটকী। শ্ৰীযুত পদ্মনাথ শৰ্ম্মা। শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা। হাজি মৌলবী ফাইজুদ্দিন আহ্মদ। শ্ৰীযুত অক্ষয়চন্দ্ৰ সেন ইত্যাদি।

নিৰ্দ্ধাৰিত সময়ৰ অলপ আগতে সভাপতি শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াক শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা ডাঙৰীয়াৰ ঘৰৰপৰা অভ্যৰ্থনা সমিতিৰ ঘাই সম্পাদক আৰু সাহিত্য-সভাৰ প্ৰধান সম্পাদকে অন্যান্য সহযোগী সভ্যসকলেৰে সৈতে গায়ন বায়ন বাদ্য আৰু স্বেচ্ছা-সেৱকসকলৰ জয়ধ্বনিৰে সৈতে সু-সজ্জিত মটৰত তুলি মহা সমাৰোহেৰে শোভা-যাত্ৰা কৰি আগবঢ়াই আনিছিলগৈ ; আৰু সভা মণ্ডপৰ মুখত মৃদু মন্থৰ গতিৰে মটৰ গাড়ী আহি বোৱা মাত্ৰকে আদৰণী সমিতি আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে সভাপতিক আদৰি নি মঞ্চৰ ওপৰত বহুৱালে।

সভাপতি ডাঙৰীয়াই আসন গ্ৰহণ কৰা মাত্ৰকে শ্ৰীযুত ৰত্নেশ্বৰ বৰদলৈয়ে এটি সুৰলা বৰগীতেৰে সভাৰ কাৰ্য্যৰ সূচনা কৰিছিল ; তাৰ পিচত সাতোটি সৰু সৰু লৰাই একেলগে "আজি পুণ্য তিথি, অ মোৰ অতিথি"—এই গীতটি সমস্বৰেৰে গাই সমজুৱা আৰু দৰ্শকসকলক মিনিটচেৰেকৰ নিমিত্তে মুগ্ধ কৰি থৈছিল। ইয়াৰ পিচত পৰম পূজনীয় শ্ৰীল শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে এটি বৈদিক মন্ত্ৰেৰে মঙ্গলাচৰণ কৰি এটি সময়োপযোগী সুন্দৰ প্ৰাৰ্থনাৰে সৈতে সভাৰ উদ্বোধন কাৰ্য্য সম্পন্ন কৰিছিল।

ইয়াৰ পিচত আদৰণী সভাৰ ঘাই সম্পাদক ৰায় চাহাব শ্ৰীযুত কমলাকান্ত বৰুৱা ডাঙৰীয়াই উক্ত সমিতিৰ সভাপতি ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ অনুপস্থিতিৰ কথা আৰু কাৰণ জনালে ; আৰু কলিকতাত হঠাতে শাৰীৰিক অসুস্থতা বৃদ্ধি হোৱা [illegible] ৰায় বাহাদুৰ ডাঙৰীয়াই এই সভাত যোগ দিব নোৱা[illegible] হেতুকে অভ্যৰ্থনা সমিতিৰ বিধানমতে তেওঁৰ [illegible] সুযোগ্য ভাগিন আৰু অভ্যৰ্থনা সমিতিৰ অন্য[illegible] সহকাৰী সম্পাদক শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা ডাঙৰী[illegible] আদৰণী সভাৰ সভাপতিৰ অভিভাষণ সন্মিলনত প[illegible] কৰি সমজুৱাসকলক শুনাব বুলি কৈ ঘাই সম্পা[illegible] ডাঙৰীয়াই আসন গ্ৰহণ কৰিলে। তাৰ পিচত শ্ৰী[illegible] হেৰম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়াই ৰায় বাহাদুৰ ডাঙৰী[illegible] ছপা অভিভাষণখনি সুন্দৰকৈ পাঠ কৰি সমজুৱাসকল[illegible] শুনালে। তেতিয়া ২১ টি সৰু সৰু লৰাই "সৌন্দৰ্য্যে অ[illegible] বীৰ্য্যে অসমা"—এই গীতটি সুৰলা সুৰেৰে আৰু সমস্বৰে[illegible] গাই সমজুৱাসকলৰ প্ৰীতিবৰ্দ্ধন কৰিছিল।

ইয়াৰ পিচত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ প্ৰস্তা[illegible] শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াৰ সমৰ্থন, মৌলবী ম[illegible] আলি চাহাব আৰু শ্ৰীযুত জিতেন্দ্ৰ কুমাৰ দাস মহাশ[illegible] অনুমোদন অনুসৰি আৰু সৰ্ব্বসম্মতিক্ৰমে উদাৰম[illegible] অক্লান্তকৰ্ম্মী, প্ৰবীন সাহিত্যিক শ্ৰীযুত কমলাকা[illegible] ভট্টাচাৰ্য্য ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ ক[illegible] আৰু সমজুৱাসকলে হাত চাপৰিৰ দ্বাৰাই সভা[illegible] ডাঙৰীয়াক সম্বৰ্দ্ধনা জনায়। বাইজৰ সম্বৰ্দ্ধনাৰ লগে ল[illegible] তিনিটি সৰু সৰু লৰাই এটি সংস্কৃত শ্লোক গীতৰ সুৰে[illegible] গাই বিতোপন ফুলৰ মালাৰে সভাপতিক বৰণ ক[illegible] সভাপতি ডাঙৰীয়াই সমজুৱাসকলৰ প্ৰতি নত শি[illegible] শ্ৰদ্ধা জনোৱাৰ পিচত তেখেতৰ অভিভাষণ পাঠ কৰি[illegible] আৰম্ভ কৰে। তেখেতে অভিভাষণৰ আদি অংশ [illegible] কৰিয়েই শাৰীৰিক অসুস্থতা আৰু বাৰ্দ্ধক্যৰ বাবে বা[illegible] ক্ষমা প্ৰাৰ্থনা কৰি শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা ডাঙৰীয়াক [illegible] ভাষণৰ বাকী অংশ পঢ়িবলৈ অনুৰোধ কৰে; [illegible] শৰ্ম্মা ডাঙৰীয়াই সভাপতিৰ অনুৰোধ ৰক্ষা কৰি [illegible] ভাষণপাঠ শেষ কৰে। অভিভাষণৰ অন্তত থকা [illegible] শ্লোকটি দুটি লৰাই হাৰমনিয়মৰ লগত সুৰ মিলাই [illegible] সভাপতিৰ বহুমূলীয়া অভিভাষণৰ মধুৰ পৰিসমাপ্তি ক[illegible]

ইয়াৰ পিচত সৰু লৰা এটিয়ে অঙ্গী-ভঙ্গীৰে [illegible]



[illegible]মেলীয়া কবিতাৰ আবৃত্তি কৰে। তাৰ পিচত কেইটি-[illegible]মান সৰু সৰু লৰাই পুৰণি অসমীয়া সুৰত বৰকুকনৰ গীত এটি গাই শুনায়। তাৰ পিচত অন্য এটি সৰু লৰাই "জন্মভূমি" নামক কবিতা এটিৰ আবৃত্তিৰ দ্বাৰাই জন্মভূমিৰ [illegible]বিনা কীৰ্ত্তন কৰি শ্ৰোতাসকলক আনন্দ দিয়ে।

তাৰ পিচত অভ্যৰ্থনা সমিতিৰ ঘাই সম্পাদক ডাঙ-[illegible]ৰীয়াই সন্মিলনত উপস্থিত হ'ব নোৱাৰা ভদ্ৰলোকসকলৰ [illegible]বিজুলী বাতৰি আৰু চিঠিবোৰ পাঠ কৰি সমজুৱা-সকলক শুনায়। ইয়াৰ ভিতৰত শ্ৰীল শ্ৰীশ্ৰীযুক্ত আউনী-আটীয় সত্ৰাধিকাৰ গোস্বামী, শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাটীয় সত্ৰাধিকাৰ গোস্বামী, মেচপাৰাৰ জমিদাৰ শ্ৰীযুত নগেন্দ্ৰ-নাৰায়ণ চৌধুৰী, শ্ৰীযুত গৌৰীনাথ চক্ৰবৰ্ত্তী শাস্ত্ৰী আৰু [illegible]ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াৰ চিঠি বিশেষকৈ উল্লেখযোগ্য *।

ইয়াৰ পিচত প্ৰধান সম্পাদকে যোৱা বছৰৰ কাৰ্য্য-বিবৰণী পাঠ কৰে; আৰু সভাৰ সম্পূৰ্ণ আৰু অসম্পূৰ্ণ কাম, আৱশ্যকীয় কৰ্ত্তব্য আৰু আয়-ব্যয় আদি সভাৰ সম্পৰ্কে জনাব লগীয়া সকলো কথা বিশদ ভাবেৰে উল্লেখ কৰাৰ পিচত নিজৰ আৰু কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সহযোগী সভ্যসকলৰ হৈ কাৰ্য্যভাৰ সন্মিলনক গতাই দিয়ে।

তাৰ পিচত কেইটিমান সৰু সৰু লৰাই "বন্দে স্বদেশৰূপিণী, অতুলা অসমা জননী—" এই গীতটি বিনন্দীয়া ঐক্যতান সুৰেৰে গাওঁতে সভাস্থল নিজম পৰিছিল। সৰ্ব্বশেষত সভাৰ ৪২নং নিয়ম অনুসৰি প্ৰত্যেক স্বীকৃত সভাৰ প্ৰতিনিধি, কাৰ্য্য-নিৰ্ব্বাহক সভাৰ উপস্থিত সভ্য, উপস্থিত স্থায়ী সভ্য আৰু হিতৈষী আৰু অভ্যৰ্থনা সমি-তিৰ দ্বাৰাই নিৰ্ব্বাচিত পাঁচ জন প্ৰতিনিধিৰে সৈতে গধূলি ৮ বজাত বিষয়-বাচনী সভা পাতিবলৈ স্থিৰ হোৱাৰ পিচত প্ৰথম দিনৰ কাৰণে সভ ভঙ্গা হয়।

## বিষয় বাচনী সভা ।

গধূলি ৮ বজাৰপৰা সন্মিলন মণ্ডপতে বিষয়-বাছনী সভা আৰম্ভ হয়। সন্মিলনৰ সভাপতি শ্ৰীযুক্ত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াই তেখেতৰ অসুস্থতাৰ বাবে বহুত ৰাতিলৈ থাকিব নোৱাৰা গতিকে এই সভাৰ কাম চলা-বলৈ ধুবুৰীৰ শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী ডাঙৰীয়াক অনুৰোধ কৰে। চক্ৰবৰ্ত্তী ডাঙৰীয়াই সভাপতিৰ অনুৰোধ ৰক্ষা কৰি সভাৰ কাম চলাবলৈ গাত লোৱাত সভাৰ কাৰ্য্য আৰম্ভ হয়। নিৰ্ব্বাচিত সভ্য আৰু প্ৰতিনিধিসকলৰ বাহিৰেও এই সভাত এশজনমান দৰ্শক উপস্থিত আছিল। সভাৰ কাৰ্য্য ৰাতি প্ৰায় ১১ বজালৈকে চলিছিল; আৰু এই সভাৰ সভ্যসকলে প্ৰস্তাৱিত বিষয়ৰ সম্পৰ্কে নিজৰ মতামত প্ৰকাশ কৰি তৰ্কাতৰ্কি কৰিছিল। সভাপতি চক্ৰবৰ্ত্তী ডাঙৰীয়াই আৱশ্যক অনুসৰি অনেক যুক্তি তৰ্ক খণ্ডন কৰি আৰু কোনো কোনো বিষয়ত ভোট্‌ লৈ আলোচিত বিষয়ৰ মীমাংসা কৰি দিছিল। অসম উপত্য-কাৰ পাঠ্য-পুথি বছা সমিতি সম্পৰ্কীয় প্ৰস্তাৱটি সভাৰ উদ্দেশ্য-বহিৰ্ভূত বুলি সভাপতি ডাঙৰীয়াই নামঞ্জুৰ কৰাত জনচেৰেক সভ্যই প্ৰতিবাদ জনাই থয়। এই সভাত গৃহীত হোৱা প্ৰস্তাৱখিনি পিচ দিনা সন্মিলনত দিবলৈ উপযোগী কৰি যুগুত কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়াৰ পিচত সভাপতি ডাঙৰীয়াক ধন্যবাদ দি সভা ভঙ্গ কৰা হয়।

## বুৰঞ্জী বিভাগৰ অধিবেশন ।

ৰবিবাৰ—১৭ চ'ত ১৮৫১ শক। ( ইং ৩১।৩ ২৯ )

আজি পুৱা ৮ বজাৰপৰা সন্মিলন মণ্ডপত বুৰঞ্জী বিষয়ক শাখা-সভাৰ অধিবেশন হয়। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ প্ৰস্তাৱ, ৰায় চাহাব শ্ৰীযুত গোলাপ-চন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ সমৰ্থন, মৌলবী মহম্মদ আলি চাহাবৰ অনুমোদন আৰু সৰ্ব্ব-সম্মতি ক্ৰমে শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে। সভাপতি মহোদয়ে তেখেতৰ যুক্তিপূৰ্ণ অভিভাষণত ওজস্বিনী ভাষাৰে পুৰণি তথ্যৰ অনুসন্ধানৰ ক্ৰম,

* পিচত পোৱা চিঠিৰ ভিতৰত শ্ৰীশ্ৰীযুক্ত উত্তৰ কমলবাৰী সত্ৰাধিকাৰ গোস্বামী, অসমৰ শিক্ষা-মন্ত্ৰী চাৰ চৈয়দ মহম্মদ চাদুল্লা, আৰু অসমৰ গৱৰ্ণৰ চাৰ লৌৰী হেমণ্ড বাহাদুৰৰ চিঠি লেখত ল'ব লগীয়া।

উপকাৰিতা আৰু উদ্দেশ্য-সিদ্ধিৰ সম্ভাৱনা ভালকৈ বুজাই দিয়ে। তেখেতৰ বক্তৃতাৰ পিচত মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা চাহাবে সভাপতি ডাঙৰীয়াৰ সুন্দৰ অভিভাষণৰ বাবে শলাগ লয়। প্ৰত্যেক স্থানীয় স্বীকৃত সভাই স্থানীয় ঐতিহাসিক তথ্যৰ অনুসন্ধান কৰা উচিত আৰু তাকে কৰিবলৈ স্বীকৃত সভাবোৰক অনুৰোধ কৰিব লাগে বুলি শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াই কয়। অসমৰ অনেক ঐতিহাসিক তথ্য আহোম বুৰঞ্জীৰ মাজত গুপ্ত হৈ আছে আৰু কালক্ৰমত সেইবোৰ উদ্ধাৰ নোহোৱাকৈ লুপ্ত হোৱাৰ সম্ভৱ বুলি ৰায় চাহাব শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱা ডাঙৰীয়াই কয়। শিক্ষিত অসমীয়াসকলে আহোম ভাষা শিকিবলৈ যত্ন নকৰা বাবে তেখেতে দুখ প্ৰকাশ কৰে। শ্ৰীযুত ৰামেশ্বৰ বৰুৱা ডাঙৰীয়াই বুৰঞ্জী বিভাগৰ সাৰ্থকতাৰ সম্পৰ্কে ৰাইজক উদগনি দিয়াৰ পিচত এই বিভাগৰ নিমিত্তে পৃথক কাৰ্য্য-প্ৰণালী নিৰূপণ আৰু সুকীয়া সম্পাদক নিয়োগ কৰি সাহিত্য সভাই অনুসন্ধান কাৰ্য্য চলাব লাগে বুলি মত প্ৰকাশ কৰে; আৰু পুৰণি অসমীয়া আখৰৰ পুথি এখনি যুগুত কৰি অসমীয়া আখৰৰ চিন লোপ নেপোৱাকৈ ৰক্ষা কৰিবলৈকো তেখেতে সাহিত্য-সভাক অনুৰোধ কৰে। শ্ৰীযুত জলতিৰাম ভূঞা লহকৰ ডাঙৰীয়াই পুৰণি আখৰ-ৰক্ষা সম্পৰ্কে বৰুৱা দেৱৰ মত অনুমোদন কৰে। শ্ৰীযুত মুক্তানন্দ গোস্বামী ডাঙৰীয়াই মণ্ডলদৈ, ডফলাকটা পৰ্ব্বত, আহোমকটা পৰ্ব্বত ইত্যাদিৰ সম্পৰ্কে পুৰণি তথ্য যথাযোগ্য অনুসন্ধানৰ পিচত প্ৰকাশ হোৱা উচিত বুলি সমজুৱাসকলক জনায়। শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা, শ্ৰীযুত দ্বাৰিকানাথ গোস্বামী, পণ্ডিত শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য আৰু শ্ৰীযুত প্ৰতাপ-চন্দ্ৰ গোস্বামী, এখেতসকলে নিজৰ নিজৰ মন্তব্য প্ৰকাশ কৰাৰ পিচত তলত লিখা প্ৰস্তাৱকেইটি গৃহীত হয়:—

**প্ৰথম প্ৰস্তাৱ ঃ**—এই সভাই (বুৰঞ্জী-শাখা) আসাম সাহিত্য সভাৰ শাখা আৰু স্বীকৃত সভাবিলাকক স্থানীয় ঐতিহাসিক তথ্য, অতীত পুৰণি স্মৃতিৰ তালিকা আৰু প্ৰবাদাদি সংগ্ৰহ কৰিবৰ কাৰণে যুগুত ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত মহাদেৱ শৰ্ম্মা।
সমৰ্থক— ,, প্ৰতাপচন্দ্ৰ গোস্বামী।
অনুমোদক— ,, হলিৰাম মহন্ত ঠাকুৰ।

**২য় প্ৰস্তাৱ ঃ**—এই শাখাক স্থায়ী ভা কাৰ্য্যকৰী কৰিবৰ কাৰণে আসাম সাহিত্য সভাৰ কা কৰী সমিতিৰ এজন সভ্যক এই শাখাৰ সম্পাদক নি কৰা হওক। তেখেতে ঘাই সম্পাদকৰ লগত যু ভাবে ইয়াৰ যাৱতীয় কাম কৰিব।

প্ৰস্তাৱক—শ্ৰীযুত জলতিৰাম ভূঞা লহকৰ।
সমৰ্থক— ,, দ্বাৰিকানাথ গোস্বামী।

**তৃতীয় প্ৰস্তাৱ ঃ**—আসাম সাহিত্য সভা অসমৰ বিভিন্ন ঠাইৰ পুৰণি তথ্যবিলাকৰ সম্যক নি আৰু আলোচনা কৰি অসমৰ এখন প্ৰকৃষ্ট ইতি ৰচনা কৰিবৰ অভিপ্ৰায়ে আৰু গবেষণাদি সম্যক চলোৱাৰ অভিপ্ৰায়ে আসাম সাহিত্য সভাৰ এক স্থা শাখা স্থায়ীভাৱে স্থাপন কৰোক।

প্ৰস্তাৱক—শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা।
সমৰ্থক— ,, ভ্ৰমৰচন্দ্ৰ শইকীয়া।
অনুমোদক— ,, দ্বাৰিকানাথ গোস্বামী।

ইয়াৰ পিচত প্ৰধান সম্পাদকে বুৰঞ্জী-বিভাগৰ নিম সুকীয়া বন্দবস্ত কৰাৰ সম্পৰ্কে আৰু অনুসন্ধান কা নিমিত্তে পৃথক পুঁজি প্ৰতিষ্ঠা নকৰিলে আশানুৰূপ ক সমাধা হোৱাৰ আশা কম বুলি কয় আৰু সভাৰ বৰ্ত্ত আৰ্থিক অৱস্থাৰ প্ৰতি সমজুৱাসকলৰ মনোযোগ আ কৰে। সুযোগ্য সভাপতি ডাঙৰীয়াৰ নেতৃত্বত স সমৱেত সাহিত্যানুৰাগী ভদ্ৰমণ্ডলীৰ ঐকান্তিক আগ্ৰহ আ সহযোগিতাত এই সভাৰ কাম অতি সুচাৰুৰূপেৰে স হৈছিল। সভাপতি ডাঙৰীয়াৰ শলাগৰ শৰাই আগ ব ৰাৰ অন্তত সভা ভঙ্গ হয়।

ৰবিবাৰ—১৭ চ'ত। ১৮৫১ শক।

পাচ দিনা আবেলি ১ বজাৰপৰা সম্মিলনৰ দ্বিতীয় দি অধিবেশন আৰম্ভ হয়। এটি বৰগীতেৰে মঙ্গলাচৰণ কৰি ৰত্নেশ্বৰ বৰদলৈয়ে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ ৰ



এই সম্মিলনৰ নিমিত্তে ৰচিত "জয় কামৰূপ কামদা"— এই গীতটি গায়। তাৰ পিচত ২১ টি সক সক ল'ৰাই শ্ৰীযুত মিত্ৰদেৱ মহন্তৰ দ্বাৰাই ৰচিত "চিৰ চেনেহী মোৰ ভাষা জননী"—এই গীতটি সমস্বৰেৰে গাওঁতে সভাস্থল নিজম পৰিছিল আৰু সমজুৱা সকল মুগ্ধ হৈছিল। ইয়াৰ পিচত বিষয় বাছনী সভাত গৃহীত হোৱা প্ৰস্তাৱবোৰ এটি এটিকৈ সম্মিলনত উপস্থাপিত কৰা হয়। সভাপতি ডাঙৰীয়াই মহামহিমান্বিত ভাৰত সম্ৰাটৰ সঙ্কটাপন্ন অৱস্থাৰ অন্তত শৰীৰ আৰোগ্য হোৱাৰ কাৰণে এটি চুটি বক্তৃতাৰে আনন্দ প্ৰকাশ কৰে আৰু তলত লিখা মতে প্ৰস্তাৱ কৰে:—

(১) আমাৰ মহামান্য আৰু লোকপ্ৰিয় সম্ৰাট পঞ্চম জৰ্জ্জৰ ৰোগমুক্তিৰ কাৰণে এই সম্মিলনে আনন্দ প্ৰকাশ কৰিছে আৰু এই সুবিস্তীৰ্ণ সাম্ৰাজ্য সুদীৰ্ঘ কাল-লৈকে সুশাসন কৰিবৰ নিমিত্তে যেন তেখেতক জগদীশ্বৰে পূৰ্ণস্বাস্থ্য আৰু দীৰ্ঘ জীৱন দিয়ে তাকে সৰল চিত্তেৰে প্ৰাৰ্থনা কৰিছে।

সমজুৱাসকলে এই প্ৰস্তাৱ সৰ্ব্বসম্মতিক্ৰমে হাত চাপৰিৰ দ্বাৰাই গ্ৰহণ কৰে।

ইয়াৰ পিচত স্বনামপ্ৰসিদ্ধ পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্বৰ্গীয়া কমলাদেৱী, পঞ্জাব কেশৰী লালা লাজপত ৰায় বিদুষী পদ্মাৱতী দেৱী ফুকননী, মাৰী সুধালতা দুৱৰা, শিশুপাঠ্য পুথিৰ লব্ধপ্ৰতিষ্ঠ লিখক দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আৰু চন্দ্ৰকান্ত অভিধানৰ সহকাৰী সংগ্ৰাহক ৰুদ্ৰকান্ত গোস্বামীৰ বিয়োগৰ বাবে শোক আৰু সহানুভূতি প্ৰকাশ কৰা হয়। আৰু তলত লিখা প্ৰস্তাৱখিনি এটি এটিকৈ সভাপতি ডাঙৰীয়াই সভাত উত্থাপন কৰে আৰু সমজুৱা সকলে প্ৰচলিত ৰীতি অনুসৰি মৃতকৰ স্মৃতিৰ সম্মানাৰ্থে থিয় হৈ প্ৰত্যেকটি প্ৰস্তাৱ গ্ৰহণ কৰে।

২। (ক) যি গৰাকী সম্মানিতা আইৰ নামত কমলা দেৱী শিশু-সাহিত্যৰ পুঁজি প্ৰতিষ্ঠিত হৈছে, সেই অসমীয়া মহিলাৰ আহি স্বৰূপা মাননীয়া ৺কমলা দেৱীৰ মৃত্যুত এই সম্মিলনে শোক প্ৰকাশ কৰিছে; আৰু তেখেতৰ আত্মাৰ সদগতি কমনা কৰাৰ লগে লগে, তেখেতৰ সুযোগ্য পুত্ৰ সাহিত্য সভাৰ অন্যতম পৃষ্ঠপোষক শ্ৰীযুত ৰাধানাথ গোস্বামী মহোদয়লৈ আৰু পৰিবাৰভুক্ত অন্যান্য পুত্ৰ পৌত্ৰ সকলোলৈকে সহানুভূতি জনাইছে।

(খ) যিজন দেশহিতৈষী কৃতী পুৰুষে আজীৱন যত্নৰ দ্বাৰাই মাতৃ-ভাষাৰ উন্নতি বিধানৰ অৰ্থে অশেষ পুৰুষাৰ্থ কৰিছিল; যাৰ অধ্যৱসায়ৰ ফলত অসমীয়া ভাষাৰ গুৰিয়াল চিৰস্মৰণীয় হেমচন্দ্ৰ বৰুৱাৰ কীৰ্ত্তিস্তম্ভ হেমকোষ প্ৰকাশিত হৈছিল; যাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত কথা-গীতা, কথা ভাগৱত, পুৰণি অসমৰ বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ চানেকি আদি প্ৰকাশিত হৈছিল; কলিকতা-বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ নিগাজী আৰু স্বাধীন স্থান নিৰূপনৰ নিমিত্তে যিজনে তেখেতৰ সম-সাময়িক সাহিত্যিকসকলৰ লগত অকৃত্ৰিম চেষ্টা কৰিছিল; কামৰূপ অনুসন্ধান সমিতিৰ এজন উদ্যোগী প্ৰতিষ্ঠাতা স্বৰূপে যিজনে অসমৰ সম্পৰ্কে অসমীয়াৰ মাজত প্ৰাচীন তথ্যানুসন্ধানৰ পথ নিৰ্দ্দেশ কৰিছিল; আৰু এই আসাম সাহিত্য সভাৰ চতুৰ্থ বৰ্ষিক সম্মিলনৰ সভাপতি স্বৰূপে যিজনে অসমীয়া সাহিত্যিকসকলৰ সন্মান লাভ কৰিছিল সেইজন, অসমীয়া ডাঙৰীয়া মাতৃ-ভাষাৰ সুযোগ্য সেৱক স্বৰ্গীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ আকস্মিক মৃত্যুত এই সভাই গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেখেতৰ সন্তপ্ত পৰিয়ালৰৈলে সহানুভূতি জনোৱাৰ লগে লগে মৃতকৰ আত্মাৰ সদগতি কামনা কৰিছে।

(গ) অসমীয়া মহিলাসকলৰ মাজত উচ্চ-শিক্ষা লাভ কৰি যি আদৰ্শ স্বৰূপা হৈছিল, যি এখন কলেজৰ মহিলা অধ্যক্ষা স্বৰূপে অসমীয়া তিৰোতাৰ গৌৰৱ বঢ়াব পাৰিছিল; আৰু ভাৰতীয় মহিলাসকলৰ ভিতৰত শিক্ষা বিস্তাৰৰ নিমিত্তেই যি নিজৰ জীৱন উছৰ্গা কৰিছিল; সেই বিদুষী প্ৰথম অসমীয়া মহিলা গ্ৰেজুৱেট্ স্বৰ্গীয়া সুধালতা দুৱৰাৰ আকস্মিক আৰু অকাল মৃত্যুত এই সম্মিলনে গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেওঁৰ পিতাদেৱেক এই সভাৰ অন্যতম সভ্য শ্ৰীযুত ৰমাকান্ত বৰকাকতী ডাঙৰীয়াৰ শোকত সহানুভূতি জনাইছে।

(ঘ) উজুকবিতা আদি শিশুপাঠ্য পুথিৰ লব্ধ-প্ৰতিষ্ঠ লিখক, স্বদেশ আৰু মাতৃ ভাষানুৰাগী উদ্যমী

আৰু কৃতী পুৰুষ ৺দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ মৃত্যুত এই সন্মিলনে শোক প্ৰকাশ কৰিছে আৰু তেখেতৰ শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে আৰু জগদীশ্বৰৰ চৰণত তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে প্ৰাৰ্থনা জনাইছে।

(ঙ) চন্দ্ৰকান্ত অভিধানৰ ভূতপূৰ্ব্ব সহকাৰী সংগ্ৰাহক ৺কন্দ্ৰকান্ত গোস্বামীৰ মৃত্যুত এই সন্মিলনে অতিশয় বেজাৰ প্ৰকাশ কৰিছে আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগে লগে তেখেতৰ পৰিবাৰবৰ্গলৈ এই সন্মিলনৰ সহানুভূতি জনোৱা হৈছে।

(চ) অসমীয়াৰ মাজত স্ত্ৰী শিক্ষা প্ৰচাৰ-কাৰ্য্যৰ নিমিত্তে চিৰজীৱন যত্নশীলা, অসমীয়া মহিলাসকলৰ আৰ্হিস্বৰূপা বিদুষী পদ্মাৱতী দেৱী ফুকননীৰ মৃত্যুত এই সন্মিলনে আন্তৰিক বেজাৰ পাইছে; আৰু তেখেতৰ মৃত্যুত সন্তপ্ত লোকসকলৰ লগত সহানুভূতি জনোৱাৰ লগতে তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে।

(ছ) তৰুণ ভাৰতৰ নতুন জাগৰণৰ নিমিত্তে চিৰজীৱন অক্লান্তকৰ্ম্মী, দয়ানন্দ ইংৰাজী বৈদীক বিদ্যালয়ৰ অন্যতম উদ্যোগী গুৰিয়াল, ৰাতৰি কাকতৰ জৰিয়তে ভাৰত বাসীৰ মাজত প্ৰজাৰ শিক্ষা বিস্তাৰৰ নিমিত্তে আজীৱন যত্নশীল পঞ্জাবকেশৰী লালা লাজপত ৰায়ৰ মৃত্যুত তেখেতৰ সন্তপ্ত পৰিবাৰবৰ্গলৈ এই সন্মিলনে সমবেদনা জনাইছে আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাইছে।

ইয়াৰ পিচত তলত লিখা তৃতীয় প্ৰস্তাৱৰ দ্বাৰাই অসমৰ বৰ্ত্তমান গৱৰ্ণৰ বাহাদুৰৰ শলাগ লোৱা হয় আৰু এই প্ৰস্তাৱ সমজুৱাসকলে সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰি হাত চাপৰিৰ দ্বাৰাই আনন্দ প্ৰকাশ কৰে।

(৩) অসমৰ গৱৰ্ণৰ মান্যবৰ চাৰ লৌৰি হেমণ্ড, বাহাদুৰে নগাৱঁৰ নতুন অধিবাসী মৈমনচিঙিয়া প্ৰজাসকলৰ অভিনন্দন পত্ৰৰ সমিধানত উক্ত প্ৰজাসকলক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ মাজত অসমীয়া ভাষা প্ৰচলন কৰিবলৈ উদগনি দিয়াৰ বাবে আসাম সাহিত্য সন্মিলনে তেখেতৰ প্ৰতি কৃতজ্ঞতা জনাইছে।

প্ৰস্তাৱক—শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা

সমৰ্থক—মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা

ইয়াৰ পিচত শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াৰ কিতাপ বাছনী সভাত নামঞ্জুৰ কৰা পাঠ্য পুথি বছা সমিতি সম্পৰ্কীয় প্ৰস্তাৱৰ উত্থাপন কৰিবৰ নিমিত্তে অনুমতি প্ৰাৰ্থনা কৰা লিখিত আবেদন সভাপতি ডাঙৰীয়াক জনোৱা হয়; আৰু সভাপতি ডাঙৰীয়াই ৪৩ নং নিয়ম অনুসৰি উপৰোক্ত প্ৰস্তাৱ সন্মিলনত উপস্থিত কৰিবলৈ অনুমতি দিয়ে আৰু এই অনুমতি অনুসৰি শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা দেৱে তলত লিখা চতুৰ্থ প্ৰস্তাৱৰ অৱতাৰণা কৰে আৰু এই প্ৰস্তাৱটি শ্ৰীযুত পদ্মধৰ চলিহা দেৱে সমৰ্থন কৰে।

(৪) আসাম উপত্যকাৰ পুথি বছা সমিতিয়ে (Assam Valley Text Book Committee) ৰূপান্তৰিত বা নৱ প্ৰচলিত আখৰ জোঁটনি থকা কোনো কোনো কিতাপ পঢ়াশালিৰ পাঠ্যভুক্ত কৰাৰ বাবে এই সন্মিলনে দোৰ্ঘোৰ প্ৰতিবাদ জনাইছে আৰু এনে ধৰণৰ আখৰ জোঁটনি আসাম সাহিত্য সভাৰ দ্বাৰাই গৃহীত নোহোৱালৈকে তেনে কিতাপ পাঠ্য তালিকাৰ পৰা বহিৰ্ভূত কৰিবলৈ উক্ত সমিতিক আৰু শিক্ষাবিভাগৰ গুৰিয়ালসকলক অনুৰোধ জনাইছে।

প্ৰস্তাৱক—শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা

সমৰ্থক—শ্ৰীযুত পদ্মধৰ চলিহা

এই প্ৰস্তাৱৰ সম্পৰ্কে অনেক তৰ্ক-বিতৰ্ক হৈছিল। শ্ৰীযুত মহাদেৱ শৰ্ম্মাদেৱে এটি সংশোধনী প্ৰস্তাৱ উপস্থিত কৰে। এই প্ৰস্তাৱ দুটিৰ বিষয়ে শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য, শ্ৰীযুত বেণুধৰ শৰ্ম্মা, শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা শ্ৰীযুত দেবেশ্বৰ চলিহা আদি ভদ্ৰলোকসকলে নিজ নিজ বক্তব্য প্ৰকাশ কৰে। সভাপতি ডাঙৰীয়াৰ হৈ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাই প্ৰস্তাৱ দুটি সমজুৱাসকলক বুজাই দিয়ে। এই প্ৰস্তাৱ দুটিৰ সম্পৰ্কে মতভেদ হোৱাৰ বাবে প্ৰায় ২॥০ আঢ়ৈ ঘণ্টা কাল তৰ্ক চলিছিল। অৱশেষত সভাপতি মহোদয়ে ক্লান্ত হৈ তেখেতৰ কাম চলাবলৈ শ্ৰীযুত



চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াক ভাৰ দিয়ে। তেখেতে মূল-প্ৰস্তাৱ আৰু শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াই দিয়া সংশোধন, দুয়োটা সভাত ভালদৰে ফঁহিয়াই বুজাই দিয়ে। তাৰ পাচত শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই শ্ৰীযুত মহাদেৱ শৰ্ম্মাদেৱৰ প্ৰস্তাৱটো স্বকীয়া মূল প্ৰস্তাৱ বুলি প্ৰকাশ কৰে আৰু শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱাদেৱে শৰ্ম্মাদেৱৰ প্ৰস্তাৱটো সংশোধনী প্ৰস্তাৱ হ'ব নোৱাৰে বুলি প্ৰতিবাদ জনায়। শ্ৰীযুত ৰামেশ্বৰ বৰুৱা ডাঙৰীয়াই শৰ্ম্মাদেৱৰ প্ৰস্তাৱটো মূল প্ৰস্তাৱৰ অংশ বুলি ধৰিবলৈ কয়। শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই কাউন্সিল আদিৰ উদাহৰণ দি নিজৰ মত সমৰ্থন কৰাৰ পাচত শ্ৰীযুত চন্দ্ৰকান্ত বৰপূজাৰী ডাঙৰীয়াই শ্ৰীযুত ৰামেশ্বৰ বৰুৱা দেৱৰ মত সমৰ্থন কৰে। সভাপতি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াৰ প্ৰস্তাৱটি সংশোধনী নুবুলি সিও এটা স্বকীয়া প্ৰস্তাৱ বুলি মীমাংসা কৰে। ইয়াৰ পাচত মূল প্ৰস্তাৱটো (চতুৰ্থ) ভোটত দিয়া হয় আৰু বহু সম্মতানুসাৰে গৃহীত হয়।

ইয়াৰ পিচত সভাপতি ডাঙৰীয়াৰ পূৰ্ব্বোক্ত অনুমতি অনুসৰি শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱাদেৱে তলত লিখা পঞ্চম প্ৰস্তাৱৰ অৱতাৰণা কৰে; আৰু এই প্ৰস্তাৱ বহু সম্মতানুসাৰে গৃহীত হয়।

(৫) আসাম সাহিত্য সভাৰ প্ৰধান সম্পাদকক এখন চব্ কমিটিৰ সহায়ত অসমৰ সকলো ধৰণৰ পঢ়াশালি বোৰৰ প্ৰতি শ্ৰেণীৰ কাৰণে এটা নিৰপেক্ষ সৰব্-ৰহী আৰু উপযুক্ত পাঠ্য পুথিৰ তালিকা প্ৰতি বছৰৰ আৰম্ভতে পুথিবছা (Text Book) কমিটিৰ সম্পাদক, ডাইৰেক্টৰ চাহাব বাহাদুৰ আৰু বাতৰি কাকতলৈ আৰু সভাৰ পত্ৰিকালৈ পঠাবলৈ আদেশ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা

সমৰ্থক— ,, বিচিত্ৰনাৰায়ণ দত্ত বৰুৱা

অনুমোদক— ,, চন্দ্ৰকান্ত বৰপূজাৰী

,,— ,, মুক্তানন্দ গোস্বামী

,,— ,, ভ্ৰমৰচন্দ্ৰ শইকীয়া

(৬) কোচবেহাৰৰ দৰে ৰংপুৰ জলপাইগুৰি আদি ঠাইতো পুৰণি অসমীয়া সাহিত্যৰ অনুসন্ধান কৰিবৰ নিমিত্তে শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামীক বা তেখেতে অস্বীকাৰ কৰিলে বা অপাৰগ হলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ মনোনীত মতে অন্য এজন উপযুক্ত সাহিত্যিকক পঠোৱা হওক।

প্ৰস্তাৱক—শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা

সমৰ্থক— ,, বেণুধৰ শৰ্ম্মা

(৭) বাট-ঘাট, ডাকঘৰ, আদালত ক'ৰ্ট অৱ্ ওৱাৰ্ডচ্ আৰু অনান্য চৰ্কাৰী আপিচ আদিত এতিয়ালৈকে বঙ্গলা ভাষাত চলি থকা জাননী, চমন আৰু অন্যান্য প্ৰচলিত কাগজ-পত্ৰবোৰৰ ভাষা অসমীয়া কৰিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতি

সমৰ্থক— ,, দেবেশ্বৰ শৰ্ম্মা

অনুমোদক—,, সৰ্ব্বেশ্বৰ বৰুৱা

(৮) অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰচাৰৰ অৰ্থে বিবিধ লাগতিয়াল কাৰ্য্যত খৰচ কৰিবৰ নিমিত্তে সাহিত্য সভাৰ অহা বছৰৰ আয়-ব্যয়-তালিকাত ৫০০৲ পাঁচশ টকালৈকে মঞ্জুৰ কৰি থোৱা হওক।

প্ৰস্তাৱক—শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী

সমৰ্থক— ,, কুলধৰ চলিহা

অনুমোদক—,, নগেন্দ্ৰনাথ বৰুৱা

এই প্ৰস্তাৱটি উত্থাপন কৰোঁতে শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী মহাশয়ে ওজস্বিনী ভাষাত এটি সুদীৰ্ঘ বক্তৃতা দিয়ে, আৰু প্ৰাচীন কালৰ কীৰ্ত্তি-কাহিনী বৰ্ণাই ভাষা প্ৰচাৰৰ অৰ্থে সকলোকে উৎসাহিত কৰে। শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই এই প্ৰস্তাৱটি সমৰ্থন কৰাৰ পিচত সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

ইয়াৰ পিচত কোমলমতি পূৰ্ব্বোক্ত গায়ক ছাত্ৰসকলে "আমি অসমীয়া নাম যুগমীয়া ——" এই সুললিত গীতটি গাই স্বদেশ গৌৰৱ সোঁৱৰাই তৰ্ক-জাল-ক্লান্ত সমজুৱাসকলৰ মন প্ৰফুল্লিত কৰে।

ইয়াৰ পিচত সভাপতি ডাঙৰীয়াৰ অনুমতি লৈ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে শ্ৰীযুত পদ্মনাথ শৰ্ম্মা.

শ্ৰীযুত ৰামেশ্বৰ শৰ্ম্মা আৰু শ্ৰীযুত ফণীধৰ শৰ্ম্মা দেৱে তেখেতসকলৰ পিতৃদেৱ স্বনামধন্য স্বৰ্গীয় সোমেশ্বৰ শৰ্ম্মা মেনেজাৰ ডাঙ্গৰীয়াৰ নামত তিনিহাজাৰ টকাৰ এটি ট্ৰষ্ট্-ফণ্ডৰ প্ৰতিশ্ৰুতি কৰাৰ কথা ঘোষণা কৰে। দাতাসকলে প্ৰধান সম্পাদকলৈ দিয়া চিঠি গোস্বামী-দেৱে পাঠ কৰে। শৰ্ম্মাদেৱৰ জীৱনী সম্বন্ধে মূল ছুটিমান কথাৰ উল্লেখ কৰি শ্ৰীযুত গোস্বামী দেৱে শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙ্গৰীয়াক সাহিত্য সভা পত্ৰিকাত শৰ্ম্মাদেৱৰ জীৱনী সম্বন্ধে এটি প্ৰবন্ধ লিখিবলৈ অনুৰোধ কৰে। দাতাসকলৰ ইচ্ছানুযায়ী তলত লিখা সভ্যসকলৰ দ্বাৰাই ট্ৰষ্ট্-ফণ্ড্ সমিতি গঠিত হয়:— (১) শ্ৰীযুত-পদ্মনাথ শৰ্ম্মা (২) শ্ৰীযুত ৰামেশ্বৰ শৰ্ম্মা (৩) শ্ৰীযুত-ফণীধৰ শৰ্ম্মা (৪) শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী (৫) শ্ৰীযুত-দেৱেশ্বৰ শৰ্ম্মা (৬) শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা আৰু (৭) প্ৰধান সম্পাদক।

শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱাদেৱে ৺সোমেশ্বৰ শৰ্ম্মা মেনেজাৰ ডাঙ্গৰীয়াৰ জীৱনৰ বিশেষত্বৰ কথা কয় আৰু দাতাসকলৰ শলাগ লয়।

ইয়াৰ পিচত বাকী থকা প্ৰস্তাৱখিনি তলত লিখা ক্ৰম অনুসৰি গৃহীত হয়:—

(৯) নগা, আবৰ আদি অসমৰ দাঁতি কাষৰীয়া জাতিবোৰৰ মাজত অসমীয়া ভাষা আৰু আথৰৰ ক্ৰম বিস্তাৰৰ অৰ্থে যুগুত দিহা কৰা হওক।

প্ৰস্তাৱক:——শ্ৰীযুত জলতিৰাম ভূঞাঁলহকৰ

সমৰ্থক:———,, গোলাপচন্দ্ৰ গোস্বামী

অনুমোদক:— ,, আনন্দৰাম হাজৰিকা

(১০) অসমীয়া ৰামায়ণ আৰু মহাভাৰতৰ বিস্তৃত প্ৰচলনৰ উদ্দেশ্যেৰে উক্ত অসমীয়া গ্ৰন্থ দুখনিৰ নতুন সংস্কৰণ প্ৰকাশ কৰিবৰ নিমিত্তে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে যুগুত ব্যৱস্থা কৰক।

প্ৰস্তাৱক:——শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী

সমৰ্থক:———,, কৃষ্ণনাথ বেজবৰুৱা

অনুমোদক:——,, ব্ৰহ্মানন্দ দত্ত

ইয়াৰ পিচত শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙ্গৰীয়াৰ ইতি-পূৰ্ব্বে উল্লেখ কৰা প্ৰস্তাৱটি (সভাপতি ডাঙ্গৰীয়াৰ মন্তব্য অনুসৰি যিটো সংশোধন প্ৰস্তাৱ দুবুলি স্বকীয়া প্ৰস্তাৱ বুলি গ্ৰাহ্য কৰা হৈছিল) সম্মিলনৰ মীমাংসাৰ নিমিত্তে পুনৰুল্লেখ কৰে আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙ্গৰীয়াৰ মন্তব্য অনুসৰি অলপ সাল-সলনিৰ পিচত শৰ্ম্মা ডাঙ্গৰীয়াৰ প্ৰস্তাৱটি তলত লিখা মতে গৃহীত হয়:—

(১১) অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ বৰ্ত্তমান বেমেজালি গুচোৱাৰ সম্পৰ্কে আৱশ্যকীয় তদন্ত আৰু মতামত গ্ৰহণ কৰিবৰ নিমিত্তে তলত নাম দিয়া সভ্য-সকলেৰে সৈতে এখনি সমিতি গঠিত হওক; এই সমিতিৰ মন্তব্যৰ শেষ মীমাংসা কৰি সাহিত্য সভাই কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিব:— (১) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা (২) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ (৩) শ্ৰীযুত ৰজনীকান্ত বৰদলৈ (৪) শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী (৫) শ্ৰীযুত কালীৰাম মেধি (৬) মৌলবী মফিজুল ইচ্লাম বৰা আৰু (৭) প্ৰধান সম্পাদক।

প্ৰস্তাৱক:——শ্ৰীযুত মহাদেৱ শৰ্ম্মা

সমৰ্থক:———,, চন্দ্ৰধৰ বৰুৱা

(১২) এই সম্মিলনে মীমাংসা কৰে যে অসম উপত্যকাৰ স্কুলীয়া পুথি বছা সমিতিত আসাম সাহিত্য সভাৰ মনোনীত প্ৰধান সম্পাদকৰে সৈতে পাচজন প্ৰতিনিধিক সভ্য স্বৰূপে ভুক্ত কৰিবলৈ আৰু সেই সমিতিৰ কাৰ্য্য বিবৰণী নিয়মিত ৰূপেৰে প্ৰকাশ কৰি থাকিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক:——শ্ৰীযুত বেণুধৰ শৰ্ম্মা

সমৰ্থক:———,, বিনন্দচন্দ্ৰ বৰুৱা

(১৩) বিষয় বাছনী সভাত সৰ্ব্ব-সম্মতিক্ৰমে গৃহীত হোৱামতে নিয়মাৱলীৰ সাল সলনি তলত লিখা মতে মঞ্জুৰ হয়:—

(ক) ৩২নং নিয়মৰ "বিনা" আৰু "কিছু কম" এই শব্দখিনিৰ পৰিবৰ্ত্তে উভয় স্থলত "অৰ্দ্ধ" শব্দ বহিব।

(খ) ৪১ নং নিয়মৰ তৃতীয় শাৰীৰ "সাত" শব্দৰ পৰিবৰ্ত্তে "তিনি" শব্দ বহিব।

(গ) ৬০ নং নিয়মৰ প্ৰথম শাৰীৰ "অসমীয়া" শব্দৰ পৰিবৰ্ত্তে "চৰকাৰী আৰ্থিক (financial)" শব্দ-খিনি বহিব।



(ঘ) ৬৩ নং নিয়মৰ দ্বিতীয় দফা (খ) "খুচুৰা খৰচৰ বহি প্ৰধান সম্পাদকে ৰাখিব" তলৈকে নি এই নিয়মটি তলত লিখা মতে সংশোধন কৰা হল:—

(ক) সাধাৰণ কেছ বুক (General Cash Book)

(খ) দৰ্মহাৰ বহি (Acquittance Roll)

(গ) ৰচিদৰ ফাইল্।

(ঘ) বিলৰ ফাইল্।

(ঙ) হিচাপ পৰিদৰ্শকৰ টোকাৰ ফাইল। (Audit-Note)

(চ) খতিয়ন (Ledger)

(ছ) ট্ৰষ্ট্-ফণ্ডৰ হিচাপ।

আৰু খুচুৰা খৰচৰ বহি প্ৰধান সম্পাদকে ৰাখিব।

(ঙ) ৭৩ নং নিয়মৰ (Memorandum of Association) এই ইংৰাজী শব্দখিনিৰ আগত "সভা সংগঠনী দলিল" এই শব্দ কেইটি বহিব।

ইয়াৰ পিচত কাৰ্য্য নিৰ্ব্বাহক সমিতি আৰু বিষয় বাছনীয়াসকলৰ নিৰ্ব্বাচন আৰম্ভ হয়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ গঠনৰ সম্পৰ্কে তেজপুৰ অ, ভা, উ, সা সভাৰ-পৰা পোৱা তলত লিখা প্ৰস্তাৱ বিষয়-বাছনী সভাত শ্ৰীযুত লক্ষীধৰ শৰ্ম্মা দেৱে উত্থাপন কৰিছিল:—

"সদৌ আসাম সাহিত্যসভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ... সংখ্যা যোৰহাটত ৰাখি বাকী প্ৰত্যেক জিলাৰ-পৰা অন্ততঃ এজোকনকৈ সভ্য নিৰ্ব্বাচিত কৰি আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠন কৰা হওক"।

এই প্ৰস্তাৱত শ্ৰীযুত ৰামেশ্বৰ বৰুৱা দেৱে আৰু শ্ৰীযুত জলতিৰাম লহকৰে উভয়ে আপত্তি কৰিছিল আৰু প্ৰধান সম্পাদকেও যোৱা গোৱালপাৰ সম্মিলনত এনে ধৰণৰ প্ৰস্তাৱ আলোচনা হোৱাৰ পিচত অগ্ৰাহ্য হৈছিল বুলি জনাইছিল। শ্ৰীযুত শৰ্ম্মা দেৱৰ প্ৰস্তাৱ কোনেও সমৰ্থন নকৰা বাবে বিষয়-বাছনী সভাতো গৃহীত নহল। তথাপি শৰ্ম্মাদেৱে এখনি লিখিত আবেদনৰ দ্বাৰাই তলত লিখা প্ৰস্তাৱটিৰ অৱতাৰণা কৰিবলৈ সভাপতি ডাঙ্গৰীয়াক আবেদন কৰে; আৰু সভাপতি ডাঙ্গৰীয়াই ৪৩ নং নিয়ম অনুসৰি অনুমতি দিয়াৰ পিচত শৰ্ম্মা ডাঙ্গৰীয়াই প্ৰস্তাৱ কৰে যে:—

"আসাম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিত শিৱসাগৰ জিলাৰ বাহিৰে অসম উপত্যকাৰ বাকী পাঁচখন জিলাৰ প্ৰত্যেক জিলাৰপৰা একোজনকৈ সভ্য গ্ৰহণ কৰা হওক।"

সাহিত্য সভাৰ পুঁজিৰ বৰ্ত্তমান অৱস্থালৈ চাই এই প্ৰস্তাৱ কাৰ্য্যকৰী হ'ব নোৱাৰে আৰু অন্য জিলাৰ নিৰ্ব্বাচিত সভ্যই নিজ খৰচেৰে আহি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিবেশনত যোগ দিয়া আশা কৰিব নোৱাৰি বুলি প্ৰধান সম্পাদকে আপত্তি কৰে। বিষয়-বাছনী সভাত আৰু গোৱালপাৰ সম্মিলনত এনে প্ৰস্তাৱ অগ্ৰাহ্য হৈছিল বুলি জনোৱাৰ পিচত শৰ্ম্মাদেৱৰ প্ৰস্তাৱটি নিয়ম মতে সমৰ্থিত নোহোৱা বাবে গৃহীত নহল।

ইয়াৰ পিচত অনেক তৰ্ক আৰু আলোচনাৰ অন্তত তলত লিখা ক্ৰমমতে পৃথক পৃথক প্ৰস্তাৱৰ দ্বাৰাই এজন এজনকৈ কাৰ্য্য-নিৰ্ব্বাহক-সমিতিৰ সভ্য আৰু বিষয়-ববীয়া নিৰ্ব্বাচিত হ'ল—আৰু তলত লিখামতে কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠিত হ'ল:—

১। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা—প্ৰধান সম্পাদক
২। ,, চন্দ্ৰধৰ বৰুৱা—পত্ৰিকা সম্পাদক
৩। ,, চন্দ্ৰনাথ দত্ত ফুকন
৪। ,, ৰাধানাথ হাজৰিকা
৫। ,, দেৱেশ্বৰ শৰ্ম্মা—কেন্দুগুৰি
৬। ,, ধনকান্ত বৰুৱা
৭। ,, প্ৰসন্নকুমাৰ বৰুৱা
৮। ,, দেৱেশ্বৰ চলিহা
৯। ,, শৰৎচন্দ্ৰ গোস্বামী
১০। ,, লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা
১১। ,, হাজি মৌলবী ফাইজুদ্দিন আহ্মদ
১২। ,, ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ
১৩। ,, ৰায় চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰকটকী
১৪। ,, হৰিনাৰায়ণ দত্ত বৰুৱা

১৫। শ্ৰীযুত পদ্মনাথ শৰ্ম্মা
১৬। মৌলবী মেহিৰুদ্দিন আহ্মদ
১৭। শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা—ধন-ভঁৰালী
১৮। ,, ৰমাকান্ত বৰকাকতী
১৯। ,, জিতেন্দ্ৰকুমাৰ দাস—হিচাপ-পৰীক্ষক
২০। ,, গুণগোবিন্দ দত্ত।

প্ৰধান সম্পাদকৰ বাছনিমতে শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা আৰু শ্ৰীযুত ৰাধানাথ হাজৰিকা যুটীয়া সহকাৰী সম্পাদক আৰু পত্ৰিকা-সম্পাদকৰ প্ৰস্তাৱ অনুসৰি শ্ৰীযুত মিত্ৰদেৱ মহন্তক পত্ৰিকাৰ সহকাৰী সম্পাদক নিযুক্ত কৰা হ'ল।

ইয়াৰ পিচত পৰম পূজনীয় শ্ৰীল শ্ৰীশ্ৰীযুক্ত গড়মুৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে এটি হৃদয়গ্ৰাহী বক্তৃতাৰে সাহিত্য সভাৰ উন্নতি কামনা কৰে। আলিগড় বিশ্ব-বিদ্যালয়ৰ ভূতপূৰ্ব্ব ভাইচ চেন্সেলৰ ডাক্তৰ জিয়া-উদ্দিন আহ্মদ মহোদয়ে বিশ্বব্যাপী নতুন আন্দোলন আৰু শিক্ষাৰ ক্ৰমবিস্তাৰৰ সম্পৰ্কে এটি সুন্দৰ বক্তৃতা দি সমজুৱাসকলক সন্তোষ দিয়ে।

অভ্যৰ্থনা সমিতিৰ ঘাই সম্পাদক ডাঙৰীয়াই সন্মিলনৰ নিমিত্তে পোৱা প্ৰবন্ধ আৰু কবিতাবোৰৰ উল্লেখ কৰে আৰু সময়ৰ অভাৱত সকলোখিনি সন্মিলনত পঠিত বুলি গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ কৰে আৰু এই প্ৰস্তাৱ সৰ্ব্বসন্মতি ক্ৰমে গৃহীত হয়।

ইয়াৰ পিচত সভাপতি ডাঙৰীয়াই তেখেতৰ সামৰণি-বক্তৃতাৰ দ্বাৰাই সাহিত্য সভাৰ আৰু জাতীয় সাহিত্যৰ উত্তৰোত্তৰ উন্নতি আৰু গৌৰৱ বৃদ্ধিৰ নিমিত্তে সমজুৱা-সকলক উদগনি দিয়ে।

ইয়াৰ পিচত শ্ৰীযুত ব্ৰহ্মানন্দ দত্ত ডাঙৰীয়াই গোলা-ঘাট সাহিত্য সভাৰ হৈ পৰৱৰ্ত্তী সন্মিলন গোলাঘাটলৈ নিমন্ত্ৰণ কৰে আৰু গোলাঘাটৰ উপস্থিত প্ৰতিনিধিসকলে তেখেতৰ নিমন্ত্ৰণ সমৰ্থন কৰাৰ পিচত গোলাঘাটকে দ্বাদশ সন্মিলনৰ কেন্দ্ৰস্থল স্থিৰ কৰা হ'ল।

শেহত প্ৰধান সম্পাদকে সভাপতি ডাঙৰীয়া, দূৰৈ পৰা অহা প্ৰতিনিধিবৰ্গ, উপস্থিত ভদ্ৰমণ্ডলী, ছাত্ৰ সকল, ভলন্টিয়াৰ (স্বেচ্ছা সেৱক) সকল, গায়ক ছাত্ৰ সকল আৰু তেওঁলোকৰ শিক্ষকসকল, অভ্যৰ্থনা-সমিতি আৰু সমিতিৰ কাৰ্য্যকাৰকসকল আৰু বুৰঞ্জী শাখা সভাপতি ডাঙৰীয়াৰ প্ৰতি আৰু ডাক্তৰ জিয়াউদ্দিন আহ্মদ চাহাবৰ প্ৰতি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ শলাগ আৰু কৃতজ্ঞতা জনায়; সৰ্ব্বশেষত সন্মিলনত উপস্থিত হৈ সাহিত্য সভাৰ আৰু জাতীয় সাহিত্য-চৰ্চ্চাৰ প্ৰতি অনুৰাগ দেখুওৱা বাবে পূজনীয় শ্ৰীল শ্ৰীশ্ৰীযুত গড়মুৰীয় গোস্বামী প্ৰভুৰ প্ৰতি শলাগৰ শৰাই আগ বঢ়োৱাৰ পিচত সন্মিলনৰ কাৰ্য্যৰ অন্ত পৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ পত্নী শ্ৰীযুতা কমলাকুমাৰী বৰুৱানী মহোদয়াই সাহিত্য সভাৰ চোতালত আয়োজন কৰা চাহৰ মেজত তেতিয়াই যোগ দিবৰ নিমিত্তে আৰু অভ্যৰ্থনা সমিতিয়ে আয়োজন কৰা যোৰহাট-নাট্য মন্দিৰৰ অভিনয়ত যোগ উপস্থিত হবৰ নিমিত্তে প্ৰধান সম্পাদকে প্ৰতিনিধি আৰু সমজুৱাসকলক অনুৰোধ কৰে। চাহ-মেজত গো পোচ-চলি থাকোতেই সন্মিলন মণ্ডপত কমলাবাৰীয়া ভকতসকলে "ওজা-পালী" গাইছিল আৰু শিৱসা ছাত্ৰ সভাই ছায়াচিত্ৰ দেখুৱাইছিল। ৰাতি ৯ বজাৰ পৰা যোৰহাট থিয়েটৰত শ্ৰীযুত বিপিনচন্দ্ৰ বৰুৱা প্ৰণীত "বুদ্ধদেৱ" নাটকৰ অভিনয় হৈছিল; আৰু এইদৰে একাদশ সাহিত্য সন্মিলনৰ মধুৰ পৰিসমাপ্তি হৈছিল।

চন্দ্ৰকান্ত সন্দিকৈ হল,
যোৰহাট।
১৬। চ'ত ১৮৫০ শক
ইং ৩১ মাৰ্চ্চ, ১৯২৯।

শ্ৰীপূৰ্ণানন্দ শৰ্মা,
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা,
যোৰহাট।

---

# চন্দ্ৰকান্ত অভিধান ছপোৱা সম্পৰ্কে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিধান।

বাতৰি কাকতত ঘাইকৈ "অসমীয়া"ত উপৰোক্ত বিষয়ে নানা তৰহৰ খুঁট আৰু আশঙ্কাৰ উত্থাপন হৈছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এই ডাঙৰ কামটো কেনেকৈ সম্পাদিত হব এই ডাঙৰ সমস্যাৰ মীমাংসা কৰিবৰ নিমিত্তে ১৪ জেঠ (ইং ২৮।৫।২৭) তাৰিখৰ অধিবেশনত সাতজন সভ্যোৰে সৈতে এখনি সমিতি নিযুক্ত কৰে। সমিতিক ভাৰ দিয়া কৰাৰ মীমাংসা কৰিবৰ নিমিত্তে ২৮ জেঠ আৰু ৩ আহাৰ তাৰিখে দুদিন সমিতিৰ অধিবেশন পতা হৈছিল। উক্ত সমিতিৰ বিধানখিনি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ১৮ আহাৰ (ইং ২।৭।২৯) তাৰিখৰ অধিবেশনত অনুমোদিত হৈছিল; আৰু উক্ত বিধানখনি সাহিত্য-সভা-পত্ৰিকাৰ তৃতীয় বছৰৰ পঞ্চম সংখ্যাৰ ক্ৰোৰপত্ৰ স্বৰূপে প্ৰকাশ কৰা হৈছিল। এই সংখ্যা কাকত যোৰহাটত ৩২ আহাৰ (ইং ১৬।৭।২৯ তাৰিখে) প্ৰকাশিত হৈছিল আৰু সাহিত্য-সভা পত্ৰিকাৰ সকলো গ্ৰাহকলৈ আৰু স্বীকৃত সভাৰ সম্পাদকসকললৈ পঠোৱা হৈছিল। বিধানখিনি ইয়াতোকৈ বেচিকৈ জনা-জাত হোৱাৰ উদ্দেশ্যেৰে আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আদেশ অনুসৰি ২ শাওন (ইং ১৮।৭।২৯) তাৰিখ ১৪৪ নং চিঠিৰ লগত অসমীয়া কাকতত প্ৰকাশ কৰিবৰ নিমিত্তে সম্পাদক ডাঙৰীয়ালৈ পঠোৱা হৈছিল। দীৰ্ঘলীয়া কথাৰ বাবেই হওক অথবা ঠাইৰ অভাৱতেই হওক বিধানখিনি ২৫ শাওণ তাৰিখৰ অসমীয়াত প্ৰকাশিত হল। ৮ ভাদ তাৰিখৰ অসমীয়াত শ্ৰীযুত ধুলেশ্বৰ মহন্তই শ্ৰীযুত ৰামেশ্বৰ বৰুৱাক আৰু শ্ৰীযুত পদ্মনাথ বৰুৱাক যথাক্ৰমে নগাওঁ আৰু দৰঙৰ প্ৰতিনিধি কৰি লোৱাত আপত্তি কৰিছে। এই দুজন লোক অনুপযুক্ত বুলি তেখেতে কোৱা নাই; তথাপি তেখেতৰ মন্তব্যখিনি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিবেচনাৰ নিমিত্তে উত্থাপন কৰা হব। এই সংখ্যা কাকততে কথা প্ৰসঙ্গ স্তম্ভতো প্ৰতিনিধিৰ সম্পৰ্কে আপত্তি ওলাইছে। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰায়চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰকটকীৰ যোগ্যতাৰ তাৰতম্য বিচাৰ কৰা যুক্তিযুক্ত হোৱা নাই বুলি আমি ভাবোঁ। শ্ৰীযুত বেজবৰুৱা আৰু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা আৰু শ্ৰীযুত কালীৰাম মেধি ডাঙৰীয়াৰ নাম যে অভিধান সমিতি বা কাৰ্য্য-নিৰ্ব্বাহক সমিতিত ওলোৱা নাছিল এনে নহয়; কিন্তু বেজবৰুৱা ডাঙৰীয়াৰ দূৰত্ব ব্যৱধান আৰু বাকী দুগৰাকীৰ অন্যান্য কাৰ্য্যৰ বাবে সময়ৰ অভাৱ আশঙ্কা কৰিহে তেওঁসকলক এই কামৰ ভাৰ দিয়া নহৈছিল। এতিয়াও এখেতসকলে এই কাৰ্য্য কৰিবলৈ সন্মত হলে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আনন্দেৰে সৈতে তেখেতসকলৰ সহায় লবলৈ সন্মত হব। উক্ত কথা প্ৰসঙ্গত বিধান-খিনি দেখি লিখকৰ হেনো হাঁহি উঠিল। আহি কাকত ঘূৰি-ডাকত পঠাবলৈ কোৱা কথাটোৱেই তাৰ প্ৰধান কাৰণ বুজা গৈছে। আহি কাকত যথাসম্ভৱ শীঘ্ৰে নাপালে কাম সোনকালে সমাধা নহয় আৰু অযথা পলম হব এনে ভাবিয়েহে ঘূৰি ডাকত পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল। আৰু কামৰ দায়ীত্ব বুজি চলিলে ঘূৰি ডাকত আহি কাকত কিয় ঘূৰাই পঠাব পৰা নহব তাক আমি বুজিব পৰা নাই। অভিধান কৰ্য্যতি যোৰহাটৰ বাহিৰে অন্য ঠাইৰ প্ৰতিনিধিৰ হাত নথকাটোৱেই বিধান-কাৰীসকলৰ ইচ্ছা বুলি লিখকে যি অপলক্ষা কৰিছে সেই আশঙ্কা অমূলক আৰু কাৰ্য্য-নিৰ্ব্বাহক-সমিতিয়ে এনে অমূলক কথা কেতিয়াও ভবা নাই আৰু তেনে ভাবে কোনো সদস্যৰ মনত ঠাই পোৱা নাই বুলি আমি ডাঠি কব পাৰোঁ।

১৫ ভাদৰ অসমীয়াত এজন সংবাদদাতাই ৩১ আহাৰৰ জাননীখন ২৫ শাওনত ছপা হোৱাৰ বাবে দোষ ধৰিছে। আমাৰ কথা লোকে প্ৰকাশ কৰোঁতে পলম হোৱাটো আমাৰ দোষ হ'ব নোৱাৰে। সভাৰ মুখ-পত্ৰত অনতিবিলম্বে বিধানবিধি প্ৰকাশ হোৱা কথা পূৰ্ব্বে কোৱা হৈছে। এইজন লিখকে আৰু এটি খুঁট উলিয়াইছে যে পাঁচ দিনৰ ভিতৰত আপত্তি পঠিয়াব নোৱা-

বিলে অগ্ৰাহ্য হব। আমি কওঁ এই আপত্তিও অমূলক। ৰাইজৰ মত আহ্বান কৰিয়েই বিধানখিনি বাতৰি কাকতত প্ৰকাশ কৰা হৈছিল। বাতৰি-কাকতত প্ৰকাশ হোৱা তাৰিখৰপৰা এমাহৰ ভিতৰত পোৱা আপত্তিও কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বিবেচনা কৰিবলৈ বাধ্য বুলি লিখকে কোৱা হলে আমাৰ প্ৰতিবাদৰ কোনো কাৰণ নাথাকিল হেঁতেন। লিখকে আশ্চাৰ্য্যবোধক আৰু প্ৰশ্নবাচক চিন ব্যৱহাৰ কৰি তেওঁৰ মনৰ ভাব লুকাই থোৱা উচিত হোৱা নাই। সংবাদদাতাই ওপৰত কোৱা শ্ৰীযুত থুলেশ্বৰ মহন্তই লিখা আৰু কথাপ্ৰসঙ্গৰ লিখকে লিখা কেইটিমান কথাৰ পুনৰুল্লেখ কৰিছে। সেইখিনিৰ সুকীয়া উত্তৰ দিবৰ আৱশ্যক নাই। ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াক বুঢ়া আৰু নবিয়া বুলি বাদ দিয়া উচিত বুলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নাভাবে। শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে যে তেওঁৰ দেউতাকৰ এই কামত সহায় কৰিব তাক কোৱা বাহুল্য মাথোন। শ্ৰীযুত অমৃত... অধিকাৰী ডাঙৰীয়াৰ সাহায্য পালে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সন্তোষেৰে গ্ৰহণ কৰিব।

কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আশা অনুসৰি ব্যক্তিগত ... পোৱা নহল। অথচ ২৫ শাওণৰপৰা ২৫ ভাদ পাৰ হৈ গল। গুৱাহাটীৰ শ্ৰীযুত জলতিৰাম ভূঞা লহকৰ ... শয়ৰপৰা পোৱা অভিমতৰ বাহিৰে অন্য কাৰো অভিমত আজিলৈকে পোৱা নহল। আমাৰ শেষ বক্তব্য এই ... বাতৰি-কাকতত প্ৰকাশ হোৱা সমালোচনা আৰু ... মহাশয়ৰপৰা পোৱা চিঠি সকলোখিনি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পৰৱৰ্ত্তী অধিবেশনত বিবেচনা আৰু মীমাংসাৰ নিমিত্তে দিয়া হব। ইতি,—

| | | |
|---|---|---|
| চন্দ্ৰকান্ত সন্দিকৈ হল— তাং—৩০ ভাদ ১৮৫১ শক ইং ১৫ চেপ্তেম্বৰ ১৯২৯ | } | শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা, প্ৰধান সম্পাদক, আসাম সাহিত্য সভা। |

---

# ৺ সোমেশ্বৰ শৰ্ম্মা মেনেজৰ।

মুখৰ পিঠিত প্ৰতিকৃতি দিয়া ৺সোমেশ্বৰ শৰ্ম্মা মেনেজৰ ডাঙৰীয়া অসম দেশৰ এগৰাকী উল্লেখযোগ্য সুসন্তান। তেখেত যোৰহাট মহকুমাৰ এঘৰ দুখীয়া মানুহৰ ঘৰত উপজিছিল। সেই কালত দেশত এতিয়াৰ দৰে লিখা-পঢ়া বা স্কুল পঢ়াশালিৰ খেল নাছিল। সোমেশ্বৰ শৰ্ম্মাই ইংৰাজী যে সমূলি নাজানিছিলেই, কোনো সংস্কৃত, বঙ্গালী বা অসমীয়া পঢ়াশালিৰো দুৱাৰ-দলিকে পাৰ হোৱা নাছিল। তেওঁ কোমল বয়সতে প্ৰথমে নিচেই কম দৰ্মহাত চাহ-বাগিচাৰ কামত সোমাই লৈ, ব্ৰহ্মপুত্ৰ কোম্পানীৰ এখন বাগিচাত মহৰী কাম কৰিছিল। সেই কোম্পানীৰ ভূতপূৰ্ব্ব জেনেৰেল মেনেজাৰ বইল চাহাবে ম'হবন্ধা বুলি ন-কৈ এখন বাগিচা খুলিছিল। সেই ম'হবন্ধাই শেহত গৈ ম'হবন্ধা টী কোম্পানী নামেৰে অসম দেশৰ এটা বিৰাট টী কোম্পানীত পৰিণত হয়। ডেকা সোমেশ্বৰ শৰ্ম্মাই ম'হবন্ধাত মহৰী সোমাই ... এনে মৰ পুতি কাম কৰিবলৈ লাগি গল, যে বাগিচাও বাঢ়ি বাঢ়ি কোম্পানী হলগৈ আৰু ডিৰেক্টৰসকলে ... কামত তুষ্টি পাই, তেওঁৰো পদোন্নতি কৰি কৰি নিলে ... ৪০০৲ টকাত এখন গুটীয়া বাগিচাৰ মেনেজৰ পাতিলে।

সাধাৰণতঃ চাহাব কোম্পানীত আমাৰ মানুহৰ ... নতে মুধা ফুটে। ম'হবন্ধা কোম্পানীয়ে কিন্তু সোমেশ্বৰৰ মোল বুজিছিল। কিছুদিনৰ পাচত, ডিৰেক্টৰসকলে কেইবাখনো বাগিচাৰ ওপৰত ৬০০ টকাত তেওঁক জিলা জেনেল মেনেজৰ পাতিলে। কোম্পানীৰ ভিতৰত আৰু মাৰ চুপাৰিণ্টেন্‌ডেণ্টৰ পদটোহে এই পদতকৈ ডাঙৰ আছিল। সেই ডিভিজনৰ নাম আছিল ভালুকমৰা ডিভিজন; তেতিয়া তাত ১২০০০ মোন চাহ মাৰিছিল; কেইবাজন চাহেবেও তেওঁৰ তলত খাটিব লাগিছিল। তেখেতে এই কামৰপৰাও অৱসৰ লৈছিল। জীৱদ্দশা পৰিমিতে তেখেতক কোম্পানীয়ে মাহে সেই ৬০০৲ টকাকৈয়ে পেঞ্চন দি আছিল। তেতিয়াৰ ৬০০৲ টকা আজিকালিৰ দুহেজাৰৰ সমান।

আগেপৰা গুৰিলৈকে সোমেশ্বৰ মেনেজৰেইহে ম'হবন্ধা কোম্পানীৰ আচল চুপাৰিণ্টেন্‌ডেণ্ট আছিল। কোনো চুপাৰিণ্টেন্‌ডেণ্টৰে তেখেতৰ কথা অগ্ৰাহ্য কৰিবৰ সাধ্য নাছিল। ম'হবন্ধা কোম্পানীৰ বহুত ডাঙৰ ডাঙৰ কথা সোমেশ্বৰ মেনেজৰৰ বিধানমতে নিষ্পত্তি হৈছিল।

সোমেশ্বৰ মেনেজৰৰ মানুহ চলাবপৰা কিবা এটা লগত অগা (inborn) ক্ষমতা আছিল। চাহাবৰপৰা কুলীলৈ, ধনীৰপৰা হজুৰালৈ কোনেও তেখেতৰ কথা নামানি নোৱাৰিছিল। তেখেতে তলতীয়াসকলৰ কাৰো একো অপকাৰ কৰা নাছিল। তথাপি তেওঁক সকলোৱে বাঘ যেন দেখিছিল। চাহ খেতিৰ কামত তেওঁ অদ্বিতীয় আছিল। তেওঁৰ দৰে মানুহ চলাব পৰা, মুখাল, মনবলী আৰু সাধ্যকৰ্ম্মী (practical) মানুহ অতি বিৰল।

সোমেশ্বৰ মেনেজৰে উপকাৰীৰ গুণ নেপাহৰিছিল। সম্ৰাট সপ্তম এডোৱাৰ্ডৰ অভিষেক উৎসৱত বিলাতলৈ যাওঁতে ৺ৰায় বাহাদুৰ জগন্নাথ বৰুৱা ডাঙৰীয়া ম'হবন্ধা কোম্পানীৰ ডিৰেক্টৰ-সভাৰ এক অধিবেশনত উপস্থিত হৈছিল। তেতিয়া তেখেতে কথাৰ চলত ডিৰেক্টৰসকলক কৈছিল বোলে সোমেশ্বৰ মেনেজৰৰ নিচিনা গুণী আৰু কাৰ্য্যপটু এগৰাকী মানুহৰ আৰু পদোন্নতি কৰি নিদিয়াটো তেওঁলোকৰ পক্ষে ন্যায়সঙ্গত কথা হোৱা নাই। সোমেশ্বৰ মেনেজৰে তেখেতৰ বিষয়ে ডিৰেক্টৰসকলক কিবা কবলৈ ৰায় বাহাদুৰ ডাঙৰীয়াক কৈ পঠোৱা নাছিল। ৰায় বাহাদুৰ ডাঙৰীয়ায়ো তেখেতলৈ এই বিষয়ে একো লিখা নাছিল। পাচত অন্য মানুহৰপৰা এই সম্বাদ পাই, মেনেজৰ ডাঙৰীয়াই ৰায় বাহাদুৰ ডাঙৰীয়াৰ প্ৰতি-কাৰ্য্যৰ শলাগ লৈছিল আৰু জীৱনৰ শেহলৈকে তেখেত-সকলৰ ভিতৰত বন্ধুত্ব ঘনিষ্ঠ হৈ পৰিছিল।

তেওঁৰ গঢ়-গতি, পিন্ধা-উৰা, কথা-বাৰ্ত্তা, সকলোখিনিয়েই মনৰ দৃঢ়তা, কাৰ্য্যৰ কুশলতা আৰু নেতৃত্বৰ যোগ্যতাৰ স্পষ্টৰূপে পৰিচয় দিছিল। আচলতে সোমেশ্বৰ মেনেজৰ এগৰাকী নিজে-পতা অৰ্থাৎ নিজে মানুহ হোৱা, স্বনামধন্য পুৰুষ। অকল দেহাটো মাত্ৰ সম্বল লৈয়েই সংসাৰত প্ৰবেশ কৰি, নিজৰ চৰিত্ৰ আৰু অধ্যৱসায়ৰ গুণত তেওঁ দেশী আৰু বিদেশী, সকলোৰেপৰা সন্মান, সমাজত উচ্চ স্থান আৰু মৃত্যুৰ পাচলৈকে সুনাম লাভ কৰি, লোকলৈ আহি দেখুৱাই গৈছে। স্বদেশী বিদেশী সকলোকে সোমেশ্বৰ মেনেজৰলৈ আমি গৌৰবেৰে আঙুলিয়াই দেখুৱাব পাৰোঁ। এনেজন পুৰুষৰ স্মৃতি ৰক্ষাৰ কাৰ্য্য হাতত লবলৈ সুযোগ পাই সাহিত্য সভা অতিশয় সুখী হৈছে; আৰু এই সুযোগ যোগোৱা বাবে মেনেজৰ ডাঙৰীয়াৰ সুযোগ্য পুত্ৰসকলৰ শলাগ লৈছে।

---

# আসাম সাহিত্য সভাৰ দ্বাদশ বাৰ্ষিক সম্মিলন।

আসাম সাহিত্য সভাৰ দ্বাদশ বাৰ্ষিক সম্মিলনৰ নিমিত্তে সাহিত্য সভা আৰু অভ্যৰ্থনা সমিতিৰ পৰা পোৱা সৰহসংখ্যক ভ'ট্‌ অনুসৰি শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়া সভাপতি নিৰ্ব্বাচিত হৈছিল। তেখেতে এই বাৰ লবলৈ অস্বীকাৰ কৰা বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সভাৰ ৪৮ নং নিয়মানুসৰি ডিব্ৰুগড়ৰ সাহিত্য পেঞ্চনভোগী মৌলবী মফিজুদ্দিন আহ্মদ হাজৰিকা চাহাবক সভাপতি মনোনীত কৰিলে আৰু হাজৰিকা চাহাবেও এই দায়ীত্ব লবলৈ স্বীকাৰ কৰিছে। সাহিত্য-সম্মিলনৰ নিমিত্তে পূৰ্ব্বে ২৯।৩০ আহিন (ইং ১৫।১৬ অক্টোবৰ)

দিন নিৰ্দ্ধাৰিত হৈছিল; কিন্তু গোলাঘাটত একেসময়তে একেমণ্ডপতে হব লগীয়া ছাত্ৰ সম্মিলন আৰু মহিলা-সম্মিলনৰ সুবিধাৰ নিমিত্তে ৩০।৩১ আহিন (ইং ১৬।১৭ অক্টোবৰ) তাৰিখ সাহিত্য-সম্মিলনৰ দিন ধাৰ্য্য কৰিছে। সাহিত্য-সভাৰ সভ্য আৰু হিতৈষীসকলে আৰু স্বীকৃত সভাৰ সভ্য আৰু প্ৰতিনিধিবৰ্গই এই সম্মিলনত উপস্থিত হৈ মাতৃ-ভাষা আৰু জাতীয় অনুষ্ঠানৰ উন্নতিৰ নিমিত্তে যত্নশীল হ'ব বুলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশা কৰিছে।

চন্দ্ৰকান্ত সন্দিকৈ হ'ল।
৮ আহিন, ১৮৫১ শক।
তাং ২৪।৯।১৯২৯

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা,
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা।

---

# সম্পাদকৰ নিজৰ হৈ একেষাৰ।

এই সংখ্যাতে পত্ৰিকাৰ তিনি বছৰ পূৰ হ'ল তাৰ লগতে আমাৰ সম্পাদকীয় কামৰ কাৰ্য্য-কালৰো অন্ত পৰিল। প্ৰথম দুবছৰত তিনি মাহে তিনি মাহে একো সংখ্যাকৈ আঠ সংখ্যা আৰু শেষৰ বছৰত দুমাহৰ অন্তৰে একো সংখ্যাকৈ ছয় সংখ্যা, মুঠতে তিনি বছৰত ১৪ সংখ্যা পত্ৰিকা প্ৰকাশ কৰা হ'ল। এই তিনি বছৰৰ সকলো সম্পাদকীয় দাই, দোষ, অপৰাধ ত্ৰুটীৰ বাবে সম্পাদকে বিনীত ভাবে ৰাইজৰ ক্ষমা মাগিছে।

আমি অনেক সময়ত অনেকৰ অনেক প্ৰকাৰে দোষ কৰিব পাৰোঁ। পত্ৰিকাত প্ৰকাশ হোৱা প্ৰবন্ধবিলাক অনেকৰ ভাল নালাগিব পাৰে। তাত অনেক প্ৰকাৰৰ দোষ থাকিব পাৰে। ওলাব লগীয়া বিষয় তল পৰি থাকি, নোলাব লগীয়া বিষয়ৰে প্ৰবন্ধ ওলাব পাৰে। তদুপৰি এই তিনি বছৰে সম্পাদকীয় বুলি যিহকে তিহকে লিখি আমি পাঠকসকলক বিৰক্ত কৰি আছোঁ। এই প্ৰকাৰেই অনেক কথাত আমাৰ দোষ হব পাৰে। কিন্তু এই চলতে আমি সকলোকে জনাই থওঁ যে, এই প্ৰকাৰে যদি কিবা দোষ হৈছে, সেই সকলোবিলি আমাৰ অজ্ঞানকৃত দোষহে, জ্ঞানকৃত হলে সমূলি নহয়।

পত্ৰিকালৈ প্ৰবন্ধ পঠোৱা, পত্ৰিকাৰ বুজ-বাজ লোৱা, পত্ৰিকাক বৰঙনি দিয়া বা আন কিবা প্ৰকাৰে কিবা সাহায্য কৰা সকলোলৈকে আমি সম্পাদকস্বৰূপে জনোৱাৰ উপৰি আমাৰ ব্যক্তিগত ভাবেৰেও নতৈ শলাগ জনাইছোঁ।

সাহিত্য সভাৰ আমি নতৈ ধৰুৱা। সাহিত্য সভাই আমাক পত্ৰিকাৰ পোন প্ৰথম সম্পাদক পাতি আমাৰ সন্মান বহুগুণে বঢ়াই দিয়ালে। তাৰ পাচত একেৰাহে তিনি বছৰলৈ এইতীয়াকৈ পত্ৰিকা চলাবলৈ আমাক এৰি দিছিল। এই সুযোগৰ আমি যথোচিত সদ্ব্যৱহাৰ কৰিব নোৱাৰিলেও, দেশৰ সমূহ সাহিত্যিকৰ এনে বিশ্বাসৰ ভাজন বুলি পৰিগণিত হবলৈ পোৱাটো আমাৰ পক্ষে পৰম গৌৰৱৰ বিষয়। ইয়াক আমি ৰাইজৰ মৰমৰ নিৰ্ম্মালি বুলি সন্মানেৰে শিৰত পিন্ধিছোঁ। এই সুদীৰ্ঘ কালৰ ভিতৰত, কেতিয়াও কোনো কথাত সাহিত্য-সভাৰপৰা আমি কোনো আহুকাল পোৱা নাছিলোঁ। পত্ৰিকাৰ বাবে, সাহিত্য সভাই আমাক একো নিয়ম কাৰণ বান্ধি দিয়া নাই। তথাপি মতৰ অমিল নথকা বাবে, আমি কাম কৰি আচল পোৱা নাছিলোঁ। সাহিত্য সভালৈ আমি হিয়া-ভৰা শলাগৰ অঞ্জলি আগ বঢ়াইছোঁ।

আন সকলোৰে দৰেই আমাৰো সাংসাৰিক বাধা-বিঘিনি বহুত। তথাপি আমাৰ ক্ষুদ্ৰ শক্তিৰ জোখাৰে পত্ৰিকাৰ অৰ্থে যি পাৰো তাকে আশাশুধীয়া ভাবেৰে কৰিবলৈ আমি কেতিয়াও হেলা কৰা নাই। প্ৰত্যেক অসমীয়া সাহিত্যৰ আৰু পৰোক্ষে সমূহ অসমীয়াৰ উন্নতিৰ চেষ্টা কৰাটোকে আমি পত্ৰিকাৰ মূল নীতি বুলি ধৰিছিলোঁ। পত্ৰিকাক আমাৰ আশানুৰূপে উদুৱাব নোৱাৰিহে আমি দুখ পাইছোঁ। ইয়াৰ কাৰণ বহুত; তাৰ ইয়াত উল্লেখ কৰাৰ প্ৰয়োজন নাই। নতুন সম্পাদকৰ হাতত পৰি নতুন তেজ আৰু নতুন উৎসাহৰ সমাগমত পত্ৰিকাৰ যেন দোপত দোপে উন্নতি হয় আৰু যেন এই পত্ৰিকাৰ পৰা অসমীয়া সাহিত্যৰ বিপুলৰূপে শ্ৰীবৃদ্ধি হয়, জগদীশ্বৰৰ চৰণত ইয়াকে শুদ্ধ ভাবেৰে প্ৰাৰ্থনা কৰি, আমি পত্ৰিকাৰ তৃতীয় বছৰৰ মোখনি মাৰি, গ্ৰাহক পাঠক, লিখক আৰু পত্ৰিকাৰ মঙ্গলাকাঙ্ক্ষীসকলৰ ওচৰত বিনীত ভাবেৰে পত্ৰিকাৰ সম্পাদকীয় দায়ীত্বৰপৰা বিদায় মাগিছোঁ।